Centre for Studies in Social Sciences, Calcutta

Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

Record No: 2006/ 165	Language of work: Assamese
Author (s) / Editor (s): ✓ Lakhinath Bezbarooah	
Title: বাঁহী	
Transliterated Title: Baa̐hāi	
Translated Title:	
Place of Publication: Calcutta (Kolkata)	Publisher: Editor
Year: 1925 (1847 Sak)	Edition:
Size: 22½ cms - 722 pages	Genre: Magazine
Volumes: 15 (1, 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 15m)	Condition of the original: Brittle.
Remarks: Mutilated	
Holding institute: Assam Sahitya Sabha, Jorhat	Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006.

Microfilm Roll No:	From gate:	To gate:



পঞ্চদশ বছৰ · ১৮৪৭ শক
২য় সংখ্যা · জেঠ

"ন হি জ্ঞানেন সদৃশং পবিত্রমিহ বিদ্যতে।"

ওমাৰ তীৰ্থ

আহাঁ। তেন্তে হেৰা খায়মৰ স'তে এৰা জ্ঞানীলৈ জ্ঞানৰ ঠাই
এটি কথা মোৰ ৰাখিবা মনত পলে পলে সখা জীৱন যায়।
এই জগতত এয়ে মাথোঁ সঁচা, বাকী সকলোটি তেনেই ভুল,—
এবাৰ সৰিলে সৃষ্টিৰ বুকুত নুফুলে দুনাই জীৱন-ফুল।

শিকিবৰ আশে প্ৰথম পুৱাতে কত পণ্ডিতৰ কাষত গই
শুনিলো বহুত তৰ্ক-বিতৰ্ক এই মাথোঁ এটি বিষয় লই।
নেদেখিলো কতো বিচাৰৰ শেষ তৰ্কই থাকে জীৱন জুৰি
শেষ লাভ মোৰ—গলো যেই বাটে সেই বাটেদিয়ে আহিলো ঘূৰি।

তেওঁবিলাকৰ লগতেই ৰুলু জ্ঞানৰ পুলিটি গোপন কৰি
ঢালিলো যতনে নিজ-হাতে পানী ৰাখিলো হিয়াৰে আবৰি ধৰি।
গছ মোৰ বাঢ়ি উঠিল যেতিয়া গুটিটি দেখিয়ে বুজিলো মই
—সোঁতৰ দৰেই বই বই আহি যাওঁ বতাহতে মিহলি হই।

ধৰণীৰ এই সেউজীয়া কোলা, ইয়াতে জনম লভিলো মই,
কিয়বা আহিলো---কিহৰ সোঁতত—কি কাম ইয়াত সাধিম অই !
এই কোলাখনি উদভাই পুনু কাৰনো উদ্দেশে উধাও হই
মৰুৰ মাজৰ বতাহৰ দৰে কোন অসীমত মিলিমগই !

ইয়াৰ আগেয়ে কত বা আছিলো—কাক নো সুধিম কথাটি মোৰ,
ইয়াৰ পাছত কোন দেশলৈ ?—নোৱাৰো বুজিব ৰহস্য ঘোৰ ।
ঢালা তেন্তে সখা জীৱনৰ সুধা চিন্তা ভাবনা দূৰতে থক
ধৰিব নোৱৰা নিয়তিৰ লীলা পিয়লা ভৰাই পাহৰা যক ।

সেই দিনা উঠি কল্পনা-ৰথত এৰি নৰলোক সৰগ পাই
সপ্তৰ্ষিমণ্ডল, শনিৰ আসন, আৰু কত কি যে কুৰিলো চাই !
আহোঁতে বাটত সংশয় ছেদ কতনো নি[illegible] কৰিলো মই
জীৱন মৰণ ভাগ্যৰ গাঁথিটি নোৱাৰিলো মাথোঁ মেলিব হাঁয় ।

সমুখত দেখোঁ এখনি দুৱাৰ কাঠিটি বিচাৰি নাপালো তাৰ,
ঢাকিছে সমুখ অন্ধ আৱৰণে জুমি চাবলৈকো সাধ্য কাৰ ?
শুনিলো খন্তেক তুমি আৰু মই—হল লাহে লাহে সুৰটি ক্ষীণ
দুদিনীয়া মাথোঁ তুমি আৰু মই—শেষত সকলো একতে লীন ।

এই পৃথিবীয়ে কত যুগ ধৰি কত ঋষি-মুনি জনম দিলে,
কত সাগৰৰ নীৰৱ বুকুত কত লহৰীয়ে নীৰৱে খেলে,
কত জোনবিৰি দশোদিশ জুৰি গ্ৰহ তৰা লই লগেৰে ফুৰে
সকলোৰে মূল কালৰ চকৰি সেই একেদৰে সদায় ঘূৰে ।

অশেষ যতনে নোৱাৰিলে কেও অসীম ৰহস্য কৰিব ভেদ
ক্ষীণ মানৱৰ ক্ষীণ বুদ্ধি-বল জীৱন সংশয় নহল ছেদ,
শত পণ্ডিতৰ জ্ঞানৰ পোহৰ অন্তত পোহৰে পেলালে জয়
—প্ৰতি মুহূৰ্ত্ততে সৃষ্টিৰ বিকাশ প্ৰতি মুহূৰ্ত্ততে ঘটিছে লয়'।

জুৰি দুয়ো কৰ সৰগ ধিয়াই সুধিলো কাতৰে জীৱন স্বামি !
কোন পোহৰত যাওঁ আগবাঢ়ি তিমিৰ পথৰ যাত্ৰী আমি ?
গহীন সুৰেৰে গৰ্জ্জিলে স্বৰগে—নাই নাই কতো আলোক-পথ
অন্ধ নিয়তিৰ অন্ধ বিশ্বাসত চলে মানৱৰ জীৱন-ৰথ !

"যদু"

সঙ্গীত

(পৌৰাণিক কথা)

বৃহদ্ধৰ্ম্ম পুৰাণত সঙ্গীতৰ বিষয়ে এটি সুন্দৰ আখ্যান আছে। আখ্যানটিৰ কথা যদিও ৰূপকেৰে আবৃত, তাৰ কথাখিনিৰ তত্ত্ব সঙ্গীতজ্ঞ মাত্ৰৰেই যে হৃদয়গ্ৰাহী হব তাত সন্দেহ নাই।

এদিন নাৰদে বিষ্ণুক কলে, "হে বিষ্ণু, আপুনি সাক্ষাৎ ব্ৰহ্মা, আৰু সঙ্গীতো সাক্ষাৎ ব্ৰহ্মস্বৰূপ, এতেকে তোমালোক দুয়োটিৰে সম্মিলন এবাৰ দেখিবলৈ ইচ্ছা কৰোঁ।" তেতিয়া বিষ্ণুৱে উত্তৰ দিলে, "নাৰদ অৱশ্যে সঙ্গীত কৰাৰ যি বিধি আছে, সেই বিধি বা নিয়মে যদি সঙ্গীত কৰা হয়, তেনেহলে ত্ৰিভুবন মোহিত হয়। এতেকে তুমি সেই বিধিবোৰ ৰক্ষা কৰি সঙ্গীত কৰা। আৰু এটা কথা, সঙ্গীত কৰিব লাগিলে স্বৰৱক্তা অৰ্থাৎ স্বৰ-জ্ঞান আৰু বিধিজ্ঞান দুয়োটিকে লাগে। কাৰণ, ৰাগ-ৰাগিণীত সুন্দৰ বোধ আৰু গায়কৰ সুস্বৰ থাকিলেহে সঙ্গীতৰ উৎকৰ্ষ সাধিত হয়। সঙ্গীতৰ ভিতৰত যিবিলাক পদ ব্যৱহৃত হয়, সেইবোৰ কেৱল পদাৰ্থবাচক, কোনোটিও পদাৰ্থৰ জ্ঞাপক নহয়। কিন্তু সেইবোৰ পদাবলি স্বৰৰ লগত যোগ হলে সাক্ষাৎ ৰসে দেখা দিয়েহি। প্ৰথমতে শৰীৰৰ মূলাধাৰ চক্ৰত যি অগ্নি আছে তাৰপৰাই নাদ বা শব্দ স্পন্দন উৎপন্ন হয়। সেই নাদ ক্ৰমে নাভিদেশ প্ৰভৃতি পঞ্চস্থান অতিক্ৰম কৰি মুখত আহি স্ফূৰ্ত্তি পায়হি। সি প্ৰথমে মূলাধাৰত উৎপন্ন হৈ নাভিত আহি অতি সূক্ষ্ম হৈ বাজে; তাৰপৰা হৃদয়ত সূক্ষ্মভাৱে, কণ্ঠত অব্যক্তভাৱে, মুখত ব্যক্তৰূপে প্ৰকাশ পাই মুখত সম্পূৰ্ণ স্ফূৰ্ত্তি ধাৰণ কৰে। নাইৰে পৰা মুখলৈকে দয়াবতী প্ৰভৃতি দ্বাবিংশতি অৰ্থাৎ বাইশ টা শ্ৰুতিমণ্ডল আছে। তাৰ ভিতৰত চাৰিটা শ্ৰুতিসমন্বিত ষড়জ; দ্বিতীয়, দুই সংখ্যাক শ্ৰুতিত ঋষভ; তৃতীয়, তিনি সংখ্যাক শ্ৰুতিত গান্ধাৰ; চতুৰ্থ, দুই সংখ্যাক শ্ৰুতিত মধ্যম; পঞ্চম, তিনি সংখ্যাক শ্ৰুতিত পঞ্চম; ৬ষ্ঠ, দুই সংখ্যাক শ্ৰুতিত ধৈৱত; আৰু ৭ম, ছয় সংখ্যাক শ্ৰুতিত নিষাদ। এইৰূপে দ্বাবিংশতি শ্ৰুতি-মণ্ডলৰ পৰা সপ্তস্বৰৰ উৎপত্তি হয়। এই সাতবিধ স্বৰৰ ঘোৰ, মন্দ্ৰ আৰু উচ্চ স্বৰবন্ধবিশেষে তিনি বিধ গতি আৰু সেই সপ্তস্বৰতে উৎপন্ন হোৱা ৫ কোটি, ৫ লক্ষ, এহেজাৰ সংখ্যাক ৰাগ-ৰাগিণীবিলাক শঙ্কৰৰ কণ্ঠদেশত মাত্ৰ আছে, আনত সম্পূৰ্ণৰূপে নাই। ইয়াৰে ভিতৰত কামদ আদি ছয় ৰাগ প্ৰধান আৰু কিঙ্কৰী থকা ছয়ত্ৰিশটা ৰাগিণী সিহঁতৰ পত্নী। এই পত্নীবিলাকৰ সকলোবোৰেই অলঙ্কাৰেৰে জাতি-স্মাৰ, ৰূপৱতী আৰু পৰম আনন্দময় মূৰ্ত্তি। ৰাগবিলাকৰ সম্যক্ প্ৰতিপত্তিৰ নিমিত্তে আগেয়ে উল্লেখকৰা সপ্তস্বৰ কেতিয়াবা আৰোহী, কেতিয়াবা অৱৰোহী আৰু কেতিয়াবা সঞ্চাৰী হৈ থাকে। স্বৰৰ আৰোহ, অৱৰোহ আৰু সঞ্চৰণ অনুসাৰে ৰাগবিলাক তিনিবিধ হয়। কি যন্ত্ৰ, কি কণ্ঠ, দুয়োতেই সিহঁতে সমানভাৱে আবিৰ্ভূত হয়।

ছটা ৰাগৰ নাম; যেনে,— কামদ, বসন্ত, মল্লাৰ, বিভাষ, গান্ধাৰ আৰু দীপক।

মায়ুৰী, তোটিকা, গৌড়ী, বাৰাড়ী, বিগেলিকা, আৰু ধাত্ৰী নামে ছয় ৰাগিণী কামদ ৰাগৰ পত্নী। বাগেশ্বৰী, সাৰদী, শ্যামা, বৃন্দাৱলী, জয়ন্তী, আৰু বৈজয়ন্তী নামে আৰু ছয় ৰাগিণী, কামদ ৰাগৰ পত্নীবিলাকৰ দাসী।

পৰজ কামদ ৰাগৰ দাস।

কেদাৰী, কল্যাণী, সিন্ধুৰা, অম্বাকড়া, সুধাৰা নামে ছয় ৰাগিণী বসন্তৰাগৰ পত্নী। শ্যামকেলী, দেৱকেলী, মালিনী, কামকেলী, সভাৱতী আৰু সম্বৰী নামে ছয়টি দাসী।

বসন্তৰ এক প্ৰসিদ্ধ দাস আছে তাৰ নাম মধু।

নটী, সুৰহট্টা, পাহিড়া, চাৰুৰূপিণী, লীলা, জয়জয়ন্তী, নামে ছয়ৰাগিণী মল্লাৰ ৰাগৰ পত্নী। এইপত্নীবিলাকৰ প্ৰতি দাসীৰ নাম, চক্ৰাৱকী, চন্দ্ৰমুখী, ৰসিকা, বিনাসিকা, যামিনী আৰু শ্যামঘোটিক

বিভাষ ৰাগৰ পত্নীবিলাকৰ নাম,—ৰামকেলি, ললিতা, কোৰড়া, কৌমুদী, ভৈৰবী, আৰু সৰ্বৰী। তৰঙ্গিনী, নাগিণী, কিশোৰী, হেমভূষণা, কল্লোলিনী, আৰু ভীমনেত্ৰা বিভাষ ৰাগৰ পত্নীবিলাকৰ দাসী।

শ্যামঘোটক সেই ৰাগৰ কিঙ্কৰ। গান্ধাৰ ৰাগৰ শ্ৰী, ৰূপৱতী, গৌৰী, ধানসী, মঙ্গলা, গন্ধৰ্বী, নামে ছয় পত্নী। পঠমঞ্জৰী, মঞ্জীৰা, পদ্মাৱতী, বেগাৱতী, ভূপালী, গঙ্কিণী, দাসী।

গৌৰৰাজ নামে গান্ধাৰ ৰাগৰ এক প্ৰসিদ্ধ দাস আছে।

দীপক ৰাগৰ পত্নীবিলাকৰ নাম,—উত্তৰী, পূৰ্বিকা, গুঞ্জৰী, কালগুঞ্জৰী, গোগুৰ্বী, আৰু মালা। দীপহস্তা, দীপবৰ্ণা, দীপকৰ্ণা, প্ৰদীপিকা, দীপাক্ষী, আৰু দীপবক্ত্ৰা উক্ত পত্নীবিলাকৰ দাসী।

দীপক ৰাগৰ কিঙ্কৰৰ নাম প্ৰদীপনাভ।"

সঙ্গীতৰ লক্ষণ, কাৰণ, আৰু ৰাগ-ৰাগিণীৰ, এইবিলাক নাম কৈ বিষ্ণুৱে নাৰদক সঙ্গীত আৰম্ভ কৰিবলৈ আদেশ কৰিলে। নাৰদেও 'তথাস্তু' বুলি সঙ্গীত আৰম্ভ কৰিলে। বিষ্ণুৱে যিবিলাক ৰাগ-ৰাগিণীৰ বিষয় উল্লেখ কৰিছিল, নাৰদে বৰ যত্ন কৰি সেইবোৰক সাক্ষাৎ আনিবৰ ইচ্ছা কৰিলে, কিন্তু একোতে সমৰ্থ হৈ নুঠিল। নাৰদে গোৱা ৰাগ-ৰাগিণীবোৰৰ ভিতৰত কোনো স্থানভ্ৰষ্ট, কোনো খোৰা, কোনো বাটতে কণীয়া হোৱা, কোনো বিবৰ্ণ, কোনো বিহ্বল, কোনোবা বগনোহোৱা, কোনোবা অলঙ্কাৰহীন, কোনোবা পত্নীহীন আৰু কোনোবা অস্থিৰ হোৱা দেখা গৈছিল। তেতিয়া সৰস্বতী (যি বাক্যৰ অধিষ্ঠাত্ৰীদেৱী) দেৱীয়ে নাৰদৰ হাতত ৰাগ-ৰাগিণীবিলাকৰ এনে দুৰবস্থা হোৱা দেখি মুখত কাপোৰ দি হাঁহিছিল। নাৰদে এই কথাত অল্প বিষম পাই সঙ্গীত এৰিবৰ উপক্ৰম কৰিলত বিষ্ণুৱে নাৰদক কলে:—'নাৰদ, তুমি বহুত গীত গাইছা, এতিয়া জিৰোৱা। তুমি নতুন শিক্ষা কৰিছা, কিছুদিনৰ পাছে তুমি এজন ভাল সঙ্গীতজ্ঞ হবা। তোমাক এটা কথাকৈ সাৱধানকৈ দিওঁ। কোনো জনে 'গান গোৱা' বুলি কোৱা মাত্ৰকতে, সঙ্গীত কৰিবলৈ উদ্যত হোৱাটো সু বুদ্ধিৰ কাম নহয়। আৰু যি মানুহে সঙ্গীত জনা-নজনা পৰীক্ষা কৰিবৰ নিমিত্তে সঙ্গীত কৰিবলৈ অৰ্থাৎ গান গাবলৈ কয়, তাৰ ওচৰতো সঙ্গীত কৰা বিধেয় নহয়। মই তোমাক পৰীক্ষা কৰিবৰ নিমিত্তে গান গাবলৈ আদেশ দিছিলো, তুমি আদেশ কৰা মাত্ৰে গান-জুৰি লাজত পৰিলা। এতিয়া তুমি উঠা, উঠি মোৰ এই বৈকুণ্ঠধামৰ সকলো ঠাই চাই লোৱা; ইয়াত সকলোবোৰ ৰাগ-ৰাগিণী বিদ্যমান আছে দেখা পাবা।' বিষ্ণুৰ এই কথা শুনি নাৰদে বৈকুণ্ঠধাম চাবলৈ ধৰিলে। তাত তেওঁ দেখিলে যে সকলো প্ৰাণীয়ে চতুৰ্ভুজ, ডেকা-তেজধৰা; সকলোৰে মুখমণ্ডল মনোহৰ; তেওঁলোকৰ শৰীৰৰ কান্তিৰে চাৰিওদিশ পোহৰ হৈছে। নাৰদে এঠাইত গৈ কিছুমান অঙ্গহীন প্ৰাণী দেখি আহিল। তেতিয়া নাৰদে বিষ্ণুক সুধিলে, "প্ৰভু, এই সুখালয় পুৰীত নৰকৰ, প্ৰাণীৰদৰে কিছুমান বিকৃতাকাৰ প্ৰাণী দেখিছো কিয়?" তেতিয়া বিষ্ণুৱে কলে,—"সেইবিলাক ৰাগৰাগিণী; তুমিয়ে সিহঁতক বিকৃতাঙ্গ কৰিছা। এই কাৰণেই সৰস্বতীয়ে কাপোৰৰ আঁচলত মুখ লুকুৱাই হাঁহিছিল। যদি কোনোবা সঙ্গীতজ্ঞ আছে, তেওঁ শঙ্কৰ; তেওঁ এই পুৰীলৈ আহিলেহে ইহঁতে আকৌ পূৰ্ণৰূপ ধৰিব।" তেতিয়া দেৱৰ্ষি নাৰদে লাজ পাই ৰাও-মাত নোহোৱাকৈ অলমৰকৈ ৰহিল। সেই সময়ত বিষ্ণু লক্ষ্মী-সৰস্বতীৰ মাজত বহাত মধুৰ সৌন্দৰ্য্য হৈছিল। পাছত বৈকুণ্ঠপুৰৰ পৰমাত্মা তত্ত্বজ্ঞ আন আন ঋষিবিলাকো আহি সেই বিষ্ণুসভাত বহিলহি। এনেতে বিষ্ণুৱে শঙ্কৰ, গঙ্গা আৰু ব্ৰহ্মাক স্মৰণ কৰিলে। স্মৰণ কৰা মাত্ৰকে তেওঁলোক আহি উপস্থিত হলত ইন্দ্ৰাদিদেৱতাবিলাকো শঙ্কৰৰ সঙ্গীত শুনিবৰ ইচ্ছাৰে তাত আহি উপস্থিত হলহি। শঙ্কৰ বহাত বিষ্ণুৱে অৰ্ঘ্যাদি দান কৰি পৰম প্ৰীতিসহিতে শঙ্কৰক সুধিলে,—"হে শম্ভো, জগতত কোন কাৰ্য্য পৰম সুখকৰ, আৰু শোক দুখ বিনাশক?" তেতিয়া শঙ্কৰে কলে,—"প্ৰভু, তোমাৰ সেৱাই পৰম সুখকৰ আৰু শোক-দুখনাশক। আৰু যে তোমাৰ অঙ্গ-প্ৰত্যঙ্গৰ পৰা ৰাগ ৰাগিণীবিলাক উৎপন্ন হৈছে, সেইবোৰ ৰাগ-ৰাগিণীযুক্ত তোমাৰ গুণ কীৰ্ত্তনময় সঙ্গীতো আন এটি পৰম সুখকৰ আৰু শোক-দুখহাৰী কৰ্ম্ম। যি জনে সোণ

কি জানে, সি যেনেকৈ সোণৰ মাটি এডোখৰ আছে বুলি চাবলৈ নেযায়, সেইদৰে অভিজ্ঞজনেও নানা অলঙ্কাৰেৰে শোভা হৈ থকা বিচিত্ৰ বাক্যসমূহকো তোমাৰ গুণকীৰ্ত্তি হীন দেখিলে বৃথা বুলি সমাদৰ নকৰে। দৰাচলতে, তোমাৰ (ঈশ্বৰৰ) নাম-গানত বাজে আন কোনো প্ৰকাৰেই পৱিত্ৰতা লাভ কৰা নাযায়। যিবিলাকে প্ৰতিদিনে তোমাৰ নাম-গান কৰে, তেওঁ আৰু সংসাৰলৈ আহিব নেলাগে, তোমাৰ নাম উচ্চাৰণ কৰিলে কলিয়ে আক্ৰমণ কৰিব নোৱাৰে।" শঙ্কৰৰ কথা শুনি বিষ্ণুৱে কলে, "হে পুণ্য কীৰ্ত্তন শঙ্কৰ, তুমি মোৰ নাম-মাহাত্ম্য কীৰ্ত্তন কৰিলা, এতিয়া সেই (নাম মাহাত্ম্যযুক্ত) সঙ্গীতেৰে মোৰ কৰ্ণকুহৰ পৰিতৃপ্ত কৰা; চোৱাচোন, তোমাৰ সঙ্গীত শুনিবৰ নিমিত্তে ইন্দ্ৰাদি দেৱতা সকলো বৰ উৎসুক হৈ আছে। সঙ্গীতৰূপ সুধাময় মহাবিদ্যাত তোমাত বাজে আন কোনো পাকৈত নাই।" বিষ্ণুৰ এনে আশ্বাস পাই শঙ্কৰে সঙ্গীত আৰম্ভ কৰিব ধৰাত, নাৰদেও তেওঁৰ লগতে গান কৰিব ধৰিলে। তেতিয়া লক্ষ্মী, সৰস্বতী, ব্ৰহ্মা, বিষ্ণু আদি দেৱতাবিলাক আৰু ঋষিবিলাক, সকলোৱে একে-ৰাহে শঙ্কৰলৈ চাই ৰল। ভগৱান্ শঙ্কৰে প্ৰথমে নাদ উত্থাপন কৰি, গান্ধাৰ ৰাগ আলাপ কৰিব ধৰাত সকলোৱে সাক্ষাৎ (মূৰ্ত্তিমান) গান্ধাৰ ৰাগক দেখা পালে। সেই ৰাগৰ শৰীৰ মনোহৰ, সুবৰ্ণৰ অলঙ্কাৰেৰে অলঙ্কৃত, ককালত পীতবস্ত্ৰ, আৰু হাত দুখনত দুটি পদুম ফুল শোভা পাইছে। শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবিলাক বৰ ঠাণ্ডৰা, আৰু শৰীৰৰ জেউতি নতুন মেঘৰদৰে শ্যাম-বৰণীয়া। সেই মহা জ্যোতিশালী প্ৰধান ৰাগ গান্ধাৰ সুবৰ্ণ আসনত বহাত ভগৱান শঙ্কৰে হৰিগুণ আৰম্ভ কৰিলে। তেতিয়া কোনো এক দূতী (সমাচাৰ দিয়তী সেৱাদাসী) আহি এই ধ্ৰুৱ (ধৃয়া) জুৰি দিলে:—

কেশৱ কমলমুখী মুখকমলং
কমলনয়ন কলয়াতুলমমলম্।
কুঞ্জগেহে বিজনেঽতিবিমলম্। ধ্ৰুঃ *

তেতিয়া গানপণ্ডিত ভগৱান শঙ্কৰে মধুৰ কণ্ঠে পাদপূৰণ কৰি গাবলৈ ধৰিলে:—

সুৰুচিৰ-হেমলতানবলম্বা তৰুণতৰুং ভগৱন্তম্।
জগদবলম্বন মৱলম্বিতু মনু কলয়তি সা তু ভৱন্তম্। †

শিৱই এইৰূপে সঙ্গীত কৰিবলৈ ধৰাত বৈকুণ্ঠেশ্বৰ বিষ্ণুৱে সেই দূতীক একধ্যানে চাই ৰল। সভাৰ আন সকলোবোৰেই শঙ্কৰলৈ চাই ৰ-লাগিল। শঙ্কৰে পুনৰ সঙ্গীত কৰিবলৈ ধৰাত 'স্বৰবন্ধত' ওপজা গান্ধাৰ পত্নী শ্ৰীৰাগিণী তাত প্ৰকাশ পালেহি। শ্ৰীৰাগিণীৰ শৰীৰ সুবৰ্ণৰ নিচিনা বিমল, আৰু উজ্জ্বল আৰু বিচিত্ৰ বস্ত্ৰ অলঙ্কাৰেৰে জকমকীয়া। তেওঁৰো দুয়োহাতে পদুম দুটি শোভা পাইছে। পূৰ্ব্বে যি দূতীয়ে ভগৱান্ বিষ্ণুক সম্বোধন কৰি কৈছিল, তেতিয়া তেওঁ আকৌ প্ৰিয়ৰূপ ধাৰণ কৰি বিষ্ণুক বিমোহিত হোৱা দেখি সভাৰ একাষত থাকি মিচিক-মিচিককৈ হাঁহিবলৈ ধৰিলে। বিষ্ণুৱেও সাক্ষাৎ প্ৰিয়াৰ ৰূপকে দেখিবলৈ ধৰিলে। তেতিয়া সেই প্ৰিয়াৰূপিনী দূতীয়ে গালে:—

ৰশিকেশ কেশৱহে।
ৰস সৰসিমিৰ মামুপযোজয় ৰসময় ৰসমিৰ হে। ধ্ৰু ‡

এই ধৃয়া ধৰাৰ পাছত শঙ্কৰে এনে চমৎকাৰ সঙ্গীত আৰম্ভ কৰিলে যে ভগৱান বিষ্ণুৱে তেওঁক আলিঙ্গন কৰিবলৈ গৈ একেবাৰে দ্ৰৱীভূত হৈ পৰিল। ভগৱানৰ তেজোময় শৰীৰ এইৰূপে দ্ৰৱীভূত হৈ সমুদায় বৈকুণ্ঠধাম বুৰাই পেলালে। ইত্যাদি।

আৰ্য্য মনীষীবিলাকে যে সঙ্গীতত কিমান নিয়ম ৰাখি তাৰ চৰ্চ্চা কৰিছিল, এই আখ্যানটিয়ে তাৰ সুন্দৰ পৰিচয় দিয়ে। তেওঁলোকে সপ্তস্বৰ বা সপ্তগ্ৰাম সুন্দৰৰূপে জানিছিল। সেই মৌলিক স্বৰৰ

ষড়জৰ	পৰা	সা	মধ্যমৰ	পৰা	মা
ঋষভৰ	,,	ঋ	পঞ্চমৰ	,,	পা
গান্ধাৰৰ	,,	গা	ধৈৱতৰ	,,	ধা
			নিষদৰ	,,	নি

* হে কেশৱ! বিজন অৰ্থাৎ নিৰ্জ্জন কুঞ্জবনত থকা কমলমুখীৰ অতি বিমল মুখকমলৰ প্ৰতি কমল-নয়নেৰে কটাক্ষপাত কৰোক।

† অৱলম্বনহীনা মনোহৰ হেমলতাময়ীদেৱী, জগতৰ অৱলম্বন স্বৰূপ তৰুণ-তৰু-মূৰ্ত্তি ভগৱান্ কৃষ্ণক অৱলম্বন কৰিবলৈ অভিলাষিণী হৈছে।

‡ হে ৰসিকবৰ, হে কেশৱ, হে ৰসময়, আপোনাৰ জয় হওক; আপুনি ৰসনবোৰৰ তুল্য মোক লাভ কৰি সৰ্ব্বদা ৰসমণ্ডলৰ ভিতৰত থাকোক।

ওলাই আধুনিক যন্ত্ৰাদিৰ প্ৰধান বোল বা ধ্বনি হৈ, জগতত হিন্দুগৌৰৱৰ প্ৰতিভা বিস্তাৰ কৰিছে। এই সাত-সুৰ একেত্ৰ হলেই সপ্তক সংজ্ঞা পায়। এই সপ্তকৰ সংখ্যা পাঁচটিলৈকে দেখা যায়, কিন্তু প্ৰধানতঃ তিনি সপ্তকেইহে বেছি পৰিমাণে হিন্দু সঙ্গীতত চলে। এই তিনি সপ্তকৰ বিভিন্ন নাম আছে, যেনেঃ—খোড়া বা গম্ভীৰ সপ্তক—যাক আজিকালি উদাৰা বোলে; ২য় মন্দ্ৰ বা মধ্য সপ্তক, যাক মুদাৰা বোলে আৰু ৩য় উচ্চ সপ্তক বা তাৰা। সা, ঋ, গা, মা, পা, ধা, নি এই কেইটা স্বাভাৱিক সুৰ। এই স্বাভাৱিক সুৰৰ প্ৰতি দুই স্বৰৰ মাজত একোটি বিকৃত সুৰ থাকে। এনেকৈ স্বৰবিকৃতিৰ পৰা কত সূক্ষ্ম বিকৃত সুৰ উলিয়াব পাৰি তাৰ বিষয় বিশেষকৈ সঙ্গীতজ্ঞসকলেহে জানে। এই স্বৰকেইটা[illegible] অবলম্বন কৰি নিপুণ গায়ক বা বাদকে ৰাগ-ৰাগিণীৰ সংখ্যা যে কিমানলৈকে বঢ়াব পাৰে, তাৰ এটি সুন্দৰ আভাস পোৱা যায়। আখ্যানটিত যিমান ৰাগ-ৰাগিণীৰ সংখ্যা দিছে, সেইবোৰৰ শতাংশ কিয়, হাজাৰ-বিজাৰ অংশৰো এক অংশ কি জানি মানুহে নাজানে।

ৰাগ-ৰাগিণীৰ মূৰ্ত্তিক অৱলম্বন কৰি আৰোহী, অৱৰোহী অৰ্থাৎ উচ্চ-নিম্ন গতি ধৰি গীতগোৱা প্ৰথা আগৰ দিনৰে, এতিয়াৰ নহয়।

ৰাগ-ৰাগিণীৰ যি মূৰ্ত্তিৰ কথা কৈছে, সেইবোৰ কল্পিত মূৰ্ত্তি বা ধ্যান। নিপুণ গায়ক বা বাদকৰ কাষত সেই ৰাগ-ৰাগিণীবিলাক মূৰ্ত্তিমন্ত বা মূৰ্ত্তিমতী হৈ উপস্থিত হোৱা মানে আন একো নহয়, — তেওঁলোকে সেইবোৰ ৰাগ-ৰাগিণীত সঙ্গীত গাই বা বজাই গীতক জীৱন্ত অৰ্থাৎ পূৰ্ণাঙ্গকৈ তুলিব পাৰে। সেই পূৰ্ণাঙ্গকৈ গোৱা গীত-ৰাগে সেই সেই মানুহৰে মন আকৰ্ষণ কৰিব পাৰে। এনেকি, তাল-লয় সংযুক্ত গীতত সাপ-বেঙ্ প্ৰভৃতি নিৰীহ প্ৰাণী পৰ্য্যন্তও মুগ্ধ [illegible]। সুতৰাং সেই পূৰ্ণাঙ্গ কৰি গোৱা গীত এটি স্বৰ্গীয় অদৃশ্য অমিয়াধাৰা বা আনন্দস্ৰোত। এনে গীতত মন নোকোমলা, নমজা, দ্ৰবীভূত নোহোৱা কোন আছে? আখ্যানত কোৱা 'ৰস' এইটিয়েই যিটিত তোমাৰ মন-প্ৰাণ বুৰি যায়, আপোন পাহৰা হোৱা, গীতৰ তৰঙ্গে তৰঙ্গে উটি যোৱা—অৱশেষত যেন তাতে লীনযোৱা। এনে অৱস্থা পোৱাকেই দ্ৰৱময়ী অৱস্থা বুলিব পাৰি।

শ্ৰীসোণাৰাম চৌধুৰী

প্ৰেমিক সন্ন্যাসী

(৪)

প্ৰথম সাক্ষাৎ

মাৰ্গেৰেট্ ভান্ আইকৰ তত্বাৱধান আৰু আদৰত থাকি জেৰাৰ্ড অলপ দিনৰ ভিতৰতে এজন জনা-শুনা চিত্ৰকৰ হৈ উঠিল। নিতৌ নতুন নতুন ধুনীয়া ধুনীয়া ছবি আঁকিবলৈ ধৰিলে। মাৰ্গেৰেট জেৰাৰ্ডৰ তীক্ষ্ণ বুদ্ধি আৰু কাৰ্য্যকুশলতা দেখি আনন্দিত হল।

কিছুদিন যোৱাৰ পাছত ৰটাৰ্ডম ৰাজাৰ ডিউক ফিলিপে সকলো দেশ-বিদেশলৈ দূত পঠাই ঘোষণা কৰিলে "যি চিত্ৰকৰে খুব ভাল চিত্ৰ আঁকি অহা প্ৰদৰ্শনীত দেখুৱাব পাৰিব তেওঁক এটা বহুমূলীয়া বঁটা দিয়া যাব।" এই কথা দেশজুৰি বিয়পি পৰিল। কত শত চিত্ৰকৰে এই বাতৰি পাই ধুনীয়া ধুনীয়া ছবি আঁকিবৰ চেষ্টা কৰিলে কিন্তু অতি অলপ সংখ্যক চিত্ৰকৰেইহে প্ৰদৰ্শনীলৈ আগ বাঢ়িল।

আমাৰ জেৰাৰ্ডেও এই কথাৰ বাতৰি পাই পুলকিত হল আৰু ততালিকে মাতৃতুল্য মাৰ্গেৰেটৰ ওচৰত সকলো কথা আদ্যোপান্ত জনালেগৈ। মাৰ্গেৰেটে জেৰাৰ্ডৰ

নতুন ডেকা-উৎসাহ আৰু উদ্যম দেখি তেওঁক শত শত ধন্যবাদ দিলে আৰু এই চিত্ৰ-প্ৰদৰ্শনীত যাতে বঁটা লাভ কৰিব পাৰে তাৰ নিমিত্তে চিত্ৰ আঁকিবলৈ জেৰাৰ্ডক উৎসাহ দিলে।

যথা সময়ত জেৰাৰ্ডে কেখনমান ধুনীয়া ছবি আঁকি চিত্ৰ-প্ৰদৰ্শনীলৈ যাবৰ নিমিত্তে প্ৰস্তুত হল। যাবৰ আগ-দিনাখন ৰাতি মাৰ্গেৰেটে ৰটাৰ্ডমৰ ৰাজকুঁৱৰী মিছ মেৰিলৈ জেৰাৰ্ডৰ বিষয় লিখি এখন চিঠি দিলে। পিছদিনা ৰাতি-পুৱা তেওঁ মাৰ্গেৰেটৰ চিঠি আৰু যথোচিত পাথেয় সম্বল লগত লৈ আনন্দ মনেৰে মাৰ্গেৰেটৰ ওচৰত বিদায় আশীৰ্ব্বাদ লৈ ৰটাৰ্ডম বুলি ৰাওনা হল।

* * *

বাটত যাওঁতে টাৰ্গো[illegible]মাইলমান আঁতৰত জেৰাৰ্ডে দেখিলে যে এজন বুঢ়া মানুহ আৰু তেওঁৰ ওচৰতে এজনী ষোড়শী—গাভৰু কিবাকিবি ভাবি আলিৰ দাঁতিতে বহি আছে। বুঢ়াজনৰ গাত এটা দীঘল হলো ছোলা (gown) মূৰত এটা ভেল্ভেট্ কাপোৰৰ টুপি, গলত এডোখৰ লোমৰ কাপোৰ, ভৰিত বুটজোটা; বাস্তৱিকে এইবোৰৰ পৰা বুজিব পাৰি যে তেওঁ কোনো এজন সম্ভ্ৰান্ত পুৰুষ। কিন্তু সাজ-পাৰবোৰ তেনেই মলিয়ন আৰু জীৰ্ণশীৰ্ণ। কান্দলতিৰ তলত ওলমি থকা ছালৰ "মনি বেগটো" (পইচা থোৱা মোনা) তেনেই খালি, চেপেটা হৈ আছে। এইবোৰৰ পৰা বুজিব পাৰি যে যদিও তেওঁ সম্ভ্ৰান্ত পুৰুষ তেওঁ কিন্তু নিশ্চয় দীন-দৰিদ্ৰ। আকৌ সেই ছোৱালী-জনীৰ গাত ৰঙা কাপোৰৰ এটা কেৱল ছেমিজ, তাৰ ওপৰত চাৰিওফালে সোণৰ কাম কৰা জেকেট এটা মাথোন। মূৰৰ ওপৰত বহুমূলীয়া পাট আদি কোনো কাপোৰৰ আবৰণ নাই; ৰূপৰ গুণাৰে তৈয়াৰ কৰা এখন সুন্দৰ জালে (a network of silver) জিলিকি আছে।

বুঢ়া আৰু জীয়েক দুয়ো দুখমনেৰে কিবা-কিবি ভাবি বহি আছে। ঘণ্টাৰ পাছত ঘণ্টা পাৰ হৈ গল; কত শত নৰ-নাৰী সেই বাটেৰে অহা-যোৱা কৰিলে, তথাপি কোনো মানুহৰে সেই দুখীয়া মানুহ হালৰ ওপৰত চকু নপৰিল। বাটেদি যাওঁতে মাষ্টাৰ জেৰাৰ্ডৰ চকু সেই চকু-লো টুকি থকা গাভৰুজনীৰ আৰু কাষতে বহি থকা বুঢ়াজনৰ ওপৰত নপৰাকৈ নাথাকিল। তেওঁ তেওঁলোকৰ পৰা কেইখোজমান আগবাঢ়ি গৈয়ে কিবা ভাবি যেন আকৌ পাছহুহকি আহিল আৰু বুঢ়াজনৰ ফালে চাই সুধিলে,—"বুঢ়াদেউ, আপোনালোক ইয়াত কিয় এনেকৈ বহি আছে?" বুঢ়াজনে আধাভগা মাতেৰে উত্তৰ দিলে, "বোপাই, লখোনে-ভোকে বহুত বাট খোজ কাঢ়ি আহিছো; বৰ ভাগৰ লাগিছে, সেইদেখি ইয়াতে খন্তেক জিৰাইছো।"

এজন অচিনাকী ডেকাৰ আগত বাপেকৰ এই অযাচিত উত্তৰ শুনি ছোৱালীজনীয়ে বোধ হয় লাজ পালে। তেওঁ একলীয়াকৈ ঠিয় দি লা[illegible]ৰে তলমূৰকৈ থাকিলগৈ। কিন্তু নিজৰ দীনাৱস্থাৰ কথা প্ৰকাশ পোৱাত মনত ভাল নালাগিল। গতিকে সকলো লাজকে কাতি কৰি থৈ লাহেকৈ মাত লগালে, "নহয় ডাঙৰীয়া, বহুত দূৰ বাট খোজকাঢ়ি অহা বাবে অলপ জিৰাইছোঁহি।" জীয়েকৰ কথা শুনি বাপেকে টপৰাই মাত লগালে, "নহয় বোপাই নহয়; দূৰৰ বাবে নহয় অনাহাৰেই ইয়াৰ মাই কাৰণ।" জীয়েকে বাপেকৰ গলত সাৱটমাৰি ধৰিলে আৰু কাণে কাণে কলে, "পিতা, সেইজন অচিনাকী মানুহ সেইবোৰ কথা কিয় কোৱা? বেয়া নেলাগেনে?"

কিন্তু জেৰাৰ্ডে কাৰো কথালৈ বাট নাচালে। তৎক্ষণাৎ আলিৰ দাঁতিৰ পৰা কেডালমান থৰি বুটলি আনিলে আৰু তেওঁলোকৰ ওচৰতে একুৰা জুই ধৰিলে। তাৰ পিছত কঁকালৰ পৰা খোৱা-লোৱা বস্তুৰ বেগটো (থৈলা) নমাই এটা (iron flask) লোৰ ফোপোলা বটল বাহিৰ কৰি তাত কিছুমান পানী ভৰালে। জুইৰ তিনিওফালে তিনটা খুটি মাৰি সেই চিৰলগৰীয়া বটলটো জুইৰ ওপৰত তুলি দি বতলটোত কিবাকিবি পেলাই দি নিজে জুইৰ ওপৰত পেট পেলাই পৰি ফুৱাবলৈ ধৰিলে। অলপ বেলি জুই ফুৱাই ওপৰলৈ চাওঁতেই গাভৰুজনীৰ ওপৰত চকু পৰিল। গাভৰুজনীয়ে বোধ হয়

চোৰাংভাৱে জেৰাৰ্ডৰ গতি-বিধি নিৰীক্ষণ কৰি আছিল। জেৰাৰ্ডে ওপৰলৈ চাওঁতেই তেওঁৰ চকু গাভৰুজনীৰ চকুত পৰিল – গাভৰুজনী ধৰা পৰিল। যৌৱনভৰা হাঁহিৰ বিৰিঙনিটো টিপামাৰি ধৰি মুখখন এফলীয়া কৰিলে। জেৰাৰ্ড যেনেই আছিল তেনেই থাকিল, তেওঁৰ চকুজুৰি ছোৱালীজনীৰ পৰা আঁতৰাব নোৱাৰিলে। এক মিনিটমানৰ পাছত ছোৱালীজনীয়ে জেৰাৰ্ডৰফালে এবাৰ কেৰাহিকৈ চালে—আকৌ ধৰা পৰিল। জেৰাৰ্ডৰ হিয়াৰ মাজত বিজুলী খেলিবলৈ ধৰিলে। গাভৰুজনীৰ চিৰলগৰীয়া স্ত্ৰী-সহচৰী লজ্জাই আগুৰি ধৰিলে – তেওঁ আৰু ডেকাৰ পিনে চাব নোৱাৰিলে, লাজতে জঁয় পৰি পদুম পাহিটি যেন হৈ পৰি গল। জেৰাৰ্ডে তথাপি সেইফালে চাই হাঁহি এটি মাৰি কলে—"এই পিনে [illegible] নেই, মই আছো।" এই বুলি মাষ্টাৰ জেৰাৰ্ড পথাৰৰ ফালে গৰ দিলে।

(৫)

বিধি-পথালি

টাৰ্গো এখন সৰু নগৰ। তাৰ চাৰিও কাষে ভাল-খিনি মাটি-বাৰী আছে। তাৰ বাৰ্গোমাষ্টাৰ (জমিদাৰ) থাইছ্ব্ৰেট্ চোৱাইতেন্ নামেৰে এজন মহা কৃপণ মানুহ। তেওঁ যেনে কৃপণ তেনেকুৱা জুৱাচোৰ। ইয়াতেই কথা-খিনি অলপ বিবৰি কোৱা যাওক।

টাৰ্গোৰ ওচৰতে চেভেন বাৰ্গেন নামেৰে এখন সৰু গাওঁ আছে। এই সৰু গাওঁখনত কেবাঘৰো ধনী মানী সম্ভ্ৰান্ত মানুহ বাস কৰিছিল। আমি যে বাটতে লগ পাইছো সেই বুঢ়াজনৰ নাম পিটাৰব্ৰেগু। এওঁৰ পিতা-মহসকলে চেভেন বাৰ্গেনত বৰ সুখ্যাতিৰে বাস কৰিছিল। তেওঁলোক জীয়াই থকা কালত থাইছ্ব্ৰেটৰ বেছি আধি-পত্য নাছিল। তেওঁ নামতহে বাৰ্গোমাষ্টাৰ, কিন্তু কোনোৱে তেওঁৰ কথামতে নচলিছিল। সেই বুঢ়াজন আৰু তেওঁৰ বাপেকক নোসোধাকৈ কোনো মানুহে জমিদাৰক, অইন কথাকে নকওঁ,—এনেকি, খাজানা-পাতিকে নিদিছিল। কি সামাজিক, কি ৰাজনৈতিক, সকলো বিষয়তে গাঁৱলীয়া বোৰে পিটাৰব্ৰেগু আৰু তেওঁৰ বাপেকৰ কথামতেহে চলিছিল। "কিন্তু মানুহে পাতে ঈশ্বৰে ভাঙে।" দুখৰ দিন আহিলে জাকে জাকে বিপদ আহে। পিটাৰব্ৰেগুৰ বাপেকৰ মৃত্যুৰ লগে লগে, তেওঁৰ আৰ্থিক অৱস্থা লাহে লাহে কমি আহিবলৈ ধৰিলে। তাতে আকৌ ধনেই ধৰ্ম্ম কৰ্ম্মৰ মূল—গতিকে গাঁৱলীয়া ডোকা-চহা মানুহবোৰো ধন আঁতৰি যোৱাৰ লগে লগে ব্ৰেগু ছাহাবৰ পৰা আঁতৰি পৰিল। তাৰ লগে লগে পূৰ্ব্ব মান-সন্মান অন্তৰ্দ্ধান হল। ধনৰ লগতে মান গল, সুখ্যাতি গল, সম্পত্তি গল—বাকী সেই জীয়েকজনী আৰু ভগা পঁজা এডোখৰ। এই চেগতে পিশাচ-প্ৰকৃতি থাইছ্ব্ৰেটৰ মন নাচি উঠিল। সেই কেইদিন তেৱেঁই সৰ্ব্বেসৰ্ব্বা; তেৱেঁই হৰ্ত্তা-কৰ্ত্তা-বিধাতা হৈ পৰিল। নানাৰকম কল-কৌশল কৰি প্ৰথমে গাঁৱলীয়া [illegible] মানুহবোৰক হাত কৰি ললে। তাৰ পিছতে পিটা[illegible] পেলালে। শেষত বলকৈ তেওঁৰ মাটি-বাৰীখিনি নিজৰ নামত পাট্টা কৰিলে পিটাৰক বাটৰ ভিকহু কৰিলে।

আজি সেই মহাকৃপণ, জুৱাচোৰ থাইছ্ব্ৰেট্, ৰাজাৰ চিত্ৰ-প্ৰদৰ্শনীলৈ বিনা নিমন্ত্ৰণে নানা ৰবণৰ ধুনীয়া বহুমূলীয়া সাজ-পাৰ পিন্ধি গাধ এটাৰ পিঠিত উঠি ৰটাৰ্ডমলৈ যাত্ৰা কৰিছে। বুঢ়া বয়স; ভৰি-হাতত তেজ-পানী এটোপা নাই; চকুজোৰ কোটৰত বহিছে, গাল দুখন সোটোৰা-সোটোৰ হৈছে। গাধৰ ওপৰত কি অপূৰ্ব্ব ভয়ঙ্কৰ মূৰ্ত্তি!

বাপেক-জীয়েকক বাটৰ দাঁতিতে জুইৰ ওচৰত বহি খোৱা-লোৱাৰ কাৰবাৰ কৰা দেখি তেওঁ গাধটোৰ পৰা নামিল আৰু পিটাৰক লক্ষ্য কৰি গদ্‌গদকৈ কব ধৰিলে, "কি পিটাৰ! ইমান নীচ, ইমান্ দীন-দৰিদ্ৰ হলিনে? এই বাটৰ দাঁতিতে বোহিমিয়া ৰাজ্যৰ ভিক্ষুকৰ নিচিনা খোৱা-লোৱাৰ যোগাৰ কৰিছ? ছিঃ, ছি'," এই বুলি কৈ তেওঁ বাওঁহাতখন জেপত সুমালে আৰু হাতখন ভিতৰতে ইফাল-সিফাল কৰিব ধৰিলে—ভয়, কিজানি পাউণ্ড (সোণৰ মুদ্ৰা=১৫৲) বা ছিলিং (ৰূপৰ মুদ্ৰা=৮০) এটা হাতত লাগি ওলাই আহে। কিন্তু ভাগ্যক্ৰমে একো ওলাই নাহিল।

এনেতে পথাৰৰ ফালৰ পৰা জেৰাৰ্ড হেফাই-ফোঁফাই

লৰি আহিল আৰু কাৰোফালে ভ্ৰূক্ষেপ নকৰি পেট পেলাই পৰি উশাহ নোপোৱাকৈ জুই ফুৰাবলৈ ধৰিলে। তাকে দেখি থাইছ্ব্ৰেটৰ চকু ৰঙা হল, হৃদয়ৰ অন্তস্থল কঁপি উঠিল আৰু ভিতৰৰ পৰা যেন কোনোবাই তেওঁক কৈ দিলে, "জুৱাচোৰ, এইবাৰ ধৰা পৰিছ।" থাইছ্ব্ৰেট তাত আৰু খন্তেকো নাথাকিল; জেৰাৰ্ডৰ ফালে এবাৰ মাথো কেৰাহিকৈ চাই লাহে লাহে ৰটাৰ্ডমৰ ফালে খোজ ললে।

জেৰাৰ্ডে কিছু সময় জুই ফুৰাই পাত্ৰটো জুইৰ পৰা নমাই আনি বুঢ়াজনৰ ফালে চাই কলে, "বুঢ়াদেউ, চাহ তৈয়াৰ হৈছে", এতিয়া—পিটাৰে জেৰাৰ্ডক কথা শেষ কৰি-বলৈ নিদি টপৰাই মাত লগালে – "কিন্তু ইমান তপতে তপতে কেনেকৈ খোৱা যায় বোপাই?" তাকে শুনি জীয়েকে মিচিকিয়া হাঁহি এটি মাৰি উত্তৰ দিলে—"[illegible] নলৰ ঠাৰি আনিছে নহয়নে?" তেতিয়াই জেৰাৰ্ডৰ সপোন ভাগিল, তেওঁ গাভৰুজনীৰ ফালে ৰ-লাগি চাবলৈ ধৰিলে; গাভৰুজনীয়েও জেৰাৰ্ডৰ চকুৰ পিনে চালে—চাৰিও চকুৰ মিলন হল। দুয়ো হাঁহি দুটি মাৰি ইমুখ-সিমুখ কৰিলে।

জেৰাৰ্ডে পিটাৰৰ কষ্ট হব বুলি নিজেই তেওঁৰ টুপিটো দাঙি ধৰিলে আৰু তাতে পাত্ৰটো থৈ নলৰ ঠাৰি এডোখৰ পিটাৰৰ মুখত লগাই দি কলে, "আপুনি এতিয়া পি থাওক।" পিটাৰে কেইঢোপামান চাহ আৰু দুডোখৰমান ৰুটি খায়েই হাঁহিবলৈ ধৰিলে আৰু জেৰাৰ্ডক শত শত ধন্যবাদ দি কলে, "বোপাই তুমিয়েই মোৰ প্ৰাণ ৰঁচালা; তোমাৰ ওচৰত মই চিৰঋণী, চিৰকৃতজ্ঞ থাকিলো। তোমাৰ জীৱনেই ধন্য; যিজনে তোমাক পানেয় সম্বল আনিবলৈ দিছে তেৱোঁ ধন্য; যি দেশৰ যি জাতিয়ে এনেকুৱা জীৱনদায়ক, শান্তিদায়ক, ক্ষুধানিবাৰক বস্তু প্ৰস্তুত কৰিছে সেই দেশো ধন্য! মই আজি তোমাৰ এই চাহ-পানী খাই ডেকাৰ নিচিনা তেজী আৰু বলী যেন অনুভৱ কৰিছো। মই এনেকুৱা চাহ জীৱনতো খোৱা নাই—মই আজি ইয়াক খাই স্বৰ্গ সুখ অনুভৱ কৰিছো। বোপাই, ধন্য, ধন্য!" এইদৰে পিটাৰে জেৰাৰ্ডক শতবাৰ ধন্যবাদ দি থাকোঁতেই ডক্লাই আহি তেওঁক হেঁচি ধৰিলে আৰু সেইপিনেই তেওঁৰ টোপনি আহিল। বাপেকৰ টোপনি অহা দেখি জীয়েকে মাতিলে, "পিতা, কি হল? আকৌ নাথাৰ কিয়?"

পিটাৰ—ভয় নকৰিবা আইটি! মোৰ একো হোৱা নাই। পিটাৰ সেইপিনে আকৌ টোপনি গল।

পাঠক-পাঠিকাসকল! ইয়াতেই গাভৰুজনীৰ নাম কোৱা যাওক—তেওঁৰ নাম মাৰ্গেৰেট্ ব্ৰাণ্ড্। ভুল নকৰে যেন, জেৰাডৰ মাতৃতুল্যা মাৰ্গেৰেট্ ভান্ আইক আৰু মাৰ্গেৰেট্ ব্ৰাণ্ড একেবাৰেই বেলেগ দুগৰাকী মহিলা। এতিয়াৰ পৰা মাৰ্গেৰেট ব্ৰাণ্ডক মাৰ্গেৰেট বুলিয়েই কোৱা হব। মাৰ্গেৰেট পিটাৰৰ একমাত্ৰ চেনেহৰ জীয়েক। জেৰাৰ্ডে যেতিয়া বুজিলে যে পিটাৰৰ টোপনি আহিছে, তেতিয়া মাৰ্গেৰেটৰফালে চাই লাহেকৈ হাঁহি এটি মাৰি সুধিলে, "মিচ্ তোমালোক কলৈ যাবা?" মাৰ্গেৰেটে ইমুখ-সিমুখকৈ ইফালে সিফালে চাব ধৰিলে—কিজানি কোনোবা মানুহ ওচৰতে আছে, জানোচা তেওঁলোকৰ কথা-বতৰা কোনো-বাই শুনে। ভয় ভয়কৈ উত্তৰ দিলে, "আমি ৰটাৰ্ডমলৈ যাম।" জেৰাৰ্ডৰ আৰু প্ৰশ্ন সোধা নহল; সোধেই বা কেনেকৈ? তেওঁৰ যে হৃদয় আনন্দেৰে উপচি পৰিল। যাৰ লগত কথা এষাৰ পাতিবলৈ ইমান ব্যাকুল, যাৰ চকুৰ ফালে এবাৰ চাই মন-প্ৰাণ শান্ত কৰিবৰ নিমিত্তে ইমান আতুৰ, তেনেকুৱা লগৰীয়া একনী আজি জেৰাৰ্ডৰ পথৰ পথিক। জেৰাৰ্ডে মাৰ্গেৰেটৰ ফালে ৰ-লাগি অবাক্ হৈ চাই থাকিল।

মাৰ্গেৰেটে লাজতে তলমূৰ কৰিলে আৰু একো কথা বিচাৰি নাপাই সুধিলে, "মাষ্টাৰ, দুডাল নলৰ ঠাৰি কিয় আনিছে?"

জেৰাৰ্ড—"কিয়? এডাল বুঢ়াদেউৰ বাবে আৰু এডাল তোমাৰ আৰু—"মাৰ্গেৰেটে মিচিকিয়া হাঁহি এটি মাৰি জেৰাৰ্ডক আৰু কব নিদি বাধা দি কলে, "কি? কি?" জেৰাৰ্ডেও কথাৰ গম পাই, তৎক্ষণাৎ সুৰ সলাই কলে "আনটো তোমাৰ নিমিত্তে আনিছো। যদি অনুগ্ৰহ কৰি সেইডাল এতিয়া মোকো দিয়া তেনেহলে—

মাৰ্গেৰেট্—মাষ্টাৰ জেৰাৰ্ড, ভাল নাপালো। এই নলডাল আপোনাৰ হে, মোৰ কেনেকৈ হব? আপুনি

ইমান কষ্ট কৰি এইমাত্ৰ সৌ পথাৰৰ পৰা কাটি আনিছে নহয় ?

জেৰাড´—অন্নগ্ৰে, মই কাটি আনিছো সেই বাবেই ই মোৰ। কিন্তু এতিয়া তুমি তাক মুখত দি চুৰা কৰিলা নহয়নে ? সেই নিমিত্তেই ই তোমাৰহে।

কথা শুনি মাৰ্গেৰেটৰ মুখ ৰঙা পৰিল। ভৰা পুখুৰীৰ মাজত চন্দ্ৰোদয়ৰ সময়ত ফুলি থকা পদুম-পাহি যেন হৈ উঠিল। জেৰাৰ্ডৰ ফালে চাই কব ধৰিলে, "মাষ্টাৰ জেৰাড´, ইয়াত আপোনাৰ সম্পূৰ্ণ স্বত্ব আছে। আপোনাৰ বস্তু আপুনি নিয়ক। যি বস্তু বিনাবাক্যব্যয়ে কাঢ়ি নিব পাৰে তাৰ নিমিত্তে ইমান কাবৌ-কাকুতি কিয় আকৌ ?"

জেৰাৰ্ডৰ মুখ কথা পাৰিল। তাকে দেখি মাৰ্গেৰেটে হাঁহি এটি মাৰি আকৌ কলে, "ক্ষমা কৰিব, মাষ্টাৰ জেৰাড´ ! বাক, এইটো মোৰ। তেনেহলে আপোনাক এতিয়া ধাৰলৈ দিলো।"

জেৰাৰ্ডৰ মুখত হাঁহিৰ সঞ্চাৰ হল। মুখ উজ্জ্বল হল তেওঁ কলে "তেনেহলে, এইটো কাৰো নহয় দুয়োৰো হল নহয়নে ?" এইবুলি জেৰাডে´ নিজৰ ভাগৰ চাহখিনি খাই মাৰ্গেৰেটক আকৌ কলে, "এই নল ঠাৰিডাল যেতিয়া দুয়োৰেই হল, তেনেহলে এতিয়া ইয়াক ভগাই লোৱা যাওক।"

মাৰ্গেৰেট—আপোনাৰ লগত কটাৰী আছেনে ?

জেৰাড´—কটাৰী কিয় লাগিছে ? দুয়ো দাঁতেৰে কামুৰি দুখণ্ড কৰি লওঁ আহা। এই ধৰা তুমি এইটো মূৰ—মই সিটো মূৰত কামোৰ মাৰি ধৰো।

মাৰ্গেৰেটেয়ো বিনাবাক্যে সিটো মূৰত কামোৰ মাৰি ধৰিলে।

(৬)

চিত্ৰ-প্ৰদৰ্শনী

পিটাৰ, জেৰাড´ আৰু মাৰ্গেৰেট তিনিও ৰটাৰ্ডম নগৰত উপস্থিত হলগৈ। কিছুদূৰ গৈয়ে পিটাৰ আৰু মাৰ্গেৰেটে জেৰাৰ্ডৰ ওচৰত বিদায় লৈ অন্য বাট ললে, জেৰাৰ্ডেও অকলে অকলে চিত্ৰ-প্ৰদৰ্শনীলৈ খোজ ললে। বিদায় কালত জেৰাডে´ মাৰ্গেৰেটৰ ফালে কেৰাহিকৈ নোচোৱাকৈ থাকিব নোৱাৰিলে। তেৱোঁ বিনাবাক্যে মিচিকিয়া হাঁহি এটাৰে তাৰ প্ৰতিদান দি নিজ নিজ পথত আগ বাঢ়িল।

ৰটাৰ্ডম নগৰ জেৰাৰ্ডৰ অচিনাকী ঠাই; কাজেই অলপ দূৰ গৈয়ে তেওঁ কোন বাটেৰে কলৈ যাব একো ঠিক কৰিব নোৱাৰি বাট হেৰুৱালে। তেওঁ যিপিনেই বাট দেখে সেইপিনেই যাব ধৰিলে; যতে দুই চাৰিজন মানুহ গোট খোৱা যেন পালে তালৈ লৰ দিলে। বাটতে যাকে লগ পায় তাকেই সোধে, "হেৰা ৰাজাৰ প্ৰদৰ্শনী ক'ত হৈছে ?" কোনোৱে বা উত্তৰ দিলে, কোনোৱে বা ঠাট্টা কৰি 'যা, যা' বুলি কলে আৰু কোনোৱে বা কেৰাহিকৈয়ে নেচালে। জেৰাড´ বিমোৰত পৰিল। তেওঁৰ মন উত্তল-থুত্তল লাগিল। "মাৰ্গেৰেটকো হেৰুৱালো—ইপিনে প্ৰদৰ্শনীও দেখা নাপালো। কোন বাটেৰে প্ৰদৰ্শনী ঠাইলৈ যাব লাগে পিটাৰক কিয় সুসুধিলো ? ছি, ছি, কি মূৰ্খামিহে বা কৰিলো ?" এইদৰে তেওঁ নানা ৰকম অনুতাপ কৰিব ধৰিলে। এবাৰ ভাবিলে, "মাৰ্গেৰেটক বিচাৰি যাও কিন্তু তেওঁলোকেই বা ক'ত আছে কেনেকৈ জানো ?" জেৰাড´ উভয় সঙ্কটত পৰিল।

এনেকৈ দুঘণ্টামান ঘূৰি ফুৰি তেওঁ একো তত ধৰিব নোৱাৰি অৱশেহত নগৰৰ বাহিৰৰ এখন মুকলি পথাৰৰ ফালে খোজ ললে। কিছুদূৰ গৈ দেখে যে সেই ফালে দুই চাৰিজন মানুহ যাব ধৰিছে। তেৱেঁ। সিহঁতৰ পিছ ধৰি সুধিলেগৈ—"হেৰা, ৰাজাৰ প্ৰদৰ্শনী ক'ত হৈছে ?" তাৰে এজন মানুহে উত্তৰ দিলে, "সৌ যে দূৰৈত মানুহবোৰ থুপ খাই আছে তাতেই।"

জেৰাডে´ উন্নাহ পালে। বাটৰ মানুহক পিছ পেলাই তেওঁ তালৈ লৰ দিলে। ওচৰলৈ গৈ দেখে যে তাত মানুহৰ বৰ ভিৰ হৈছে এনেকি বিৰ দিও ভিতৰলৈ সোমাব নোৱাৰি। ভিতৰত চিত্ৰ-প্ৰদৰ্শনী সভা বহিছে। জেৰাৰ্ডৰ মন নাচি উঠিল। ভিতৰলৈ যাবৰ নিমিত্তে তেওঁ ছট্‌ফট্‌ কৰিব ধৰিলে। কোনোমতে কিলাকুটিৰে মানুহৰ ভিৰ ঠেলি-হেচি সভামণ্ডপৰ দুৱাৰ মুখত উপস্থিত হল গৈ। তাতো মানুহৰ মহাভিৰ। দুৱাৰৰ দুয়োকাষে

চাৰি পাঁচজন দুৱৰী থিয় হৈ আছে; বিনা টিকিটে কোনো মানুহকে ভিতৰলৈ যাব নিদিয়ে। তাত পয়চা দি কিনা টিকিট নাছিল। প্ৰতিযোগী চিত্ৰকৰবোৰক, ডাঙৰ ডাঙৰ ভদ্ৰলোকসকলক আৰু ৰাজাৰ লগা ভগা বন্ধু-বান্ধৱবোৰক আগেয়ে একোখন টিকিট দিয়া হৈছিল। যাৰ লগত তেনেকুৱা টিকিট একোখন আছিল তেওঁলোক মাত্ৰ ভিতৰলৈ যাব পাৰিছিল।

জেৰাডে´ দুখোজমান আগবাঢ়ি গৈয়ে দেখে যে সেই পৰিচিত বৃদ্ধ পিটাৰব্ৰেণ্ড আৰু জীয়েক মাৰ্গেৰেট দুয়ো ভিতৰলৈ যাবৰ অনুমতিৰ নিমিত্তে দুৱৰী কেজনক কাবৌ-কাকুতি কৰিব ধৰিছে তথাপি পাপিষ্ঠহঁতে তেওঁলোকক অনুমতি দিয়া নাই। কাৰণ তেওঁলোকৰ হাতত কোনো টিকিট নাছিল আৰু টিকিটৰেই বা আৱশ্যক কি ? জন্ উইলিয়াম্ পিটাৰৰ ভাগিনেক আৰু মাৰ্গেৰেটৰ ককায়েক হয়। তেওঁলোকে বিনা নিমন্ত্ৰণে নিজৰ প্ৰদৰ্শনী ভাবি বিনা টিকিটে প্ৰদৰ্শনী চাব আহিছিল ইয়াত যে সেইখন বেপাৰ বহিছে কেনেকৈ জানে ? যি কি নহওক জেৰাডে´ মাৰ্গেৰেটক দেখা পাই থাকিব নোৱাৰিলে। এখোজ দুখোজকৈ ওচৰলৈ গৈ লাহেকৈ মাৰ্গেৰেটৰ মূৰতে হাতখন দিলেগৈ। মাৰ্গেৰেট উচপ খাই উঠিল—চকু পিৰ হল—চাৰিও চকুৰ মিলন হল, অন্তৰে অন্তৰে কথা হল—দুষকে লোক আকোৱালি ধৰিলে।

তাকে দেখি এজন ধেমেলীয়া দুৱৰীয়ে কৈ উঠিল, "বেছ্—এতিয়া কেনে ? এতিয়াহে মনোমত লগ মিলিছে ?" চাৰিওফালে হো হো কৰে হাঁহিৰ ৰোল উঠিল। মাৰ্গেৰেটে থত্ মত্ খাই জেৰাৰ্ডৰ হাতখন তৎক্ষণাৎ গাৰ পৰা আঁতৰাই দিলে আৰু চাৰিওফালে চাই চকু পকাই কব ধৰিলে, "অসভ্য জানোৱাৰহঁত ! মোৰ কোনো তেনে বন্ধু নাই। মই তহঁতৰ এই অসভ্য দেশত বন্ধুহীন হৈ পৰিছোহি। এওঁ এজন বৃদ্ধক মান-সন্মান কৰোতা, নিৰাশ্ৰয়ক আশ্ৰয় দিওঁতা, বিপদত উদ্ধাৰ কৰোতা, মোৰ বন্ধু। এওঁ তহঁতৰ নিচিনা বৃদ্ধৰ মান নাজানা, দীন-দৰিদ্ৰক ফিৰি নোচোৱা, দুখীয়াক দেখি ঘিণ কৰা, অসভ্য বৰ্ব্বৰ নহয়।" মাৰ্গেৰেটে আৰু কিবা কব খুজিছিল—কিন্তু জেৰাৰ্ডে গতি বিষম দেখি আগবাঢ়ি গল আৰু দুৱৰীজনক টিকিট এখন দি কলে, "দুৱৰী, মই এজন প্ৰতিযোগী চিত্ৰকৰ।"

দুৱৰী—তোমাৰ নাম কি ?

জেৰাৰ্ড—জেৰাৰ্ড, মিষ্টাৰ ইলিয়ামৰ পুতেক।

দুৱৰীজনে টিকিটখন ইফাল-সিফাল চাই হাতত লৈ কলে, "তুমি ভিতৰলৈ যাব পাৰা।"

জেৰাৰ্ড—মোৰ এই বন্ধু দুজনে সৈতে ?

দুৱৰী—নহয়, সিহঁত তোমাৰ বন্ধু নহয়। সিহঁত তোমাতকৈ বহু আগেয়ে আহিছে।

জেৰাৰ্ড—আহিলেই বা ক্ষতি কি ? তেওঁলোক মোৰ পৰম বন্ধু; তেওঁলোক লগত নহলে মই কেনেকৈ যাম ?

দুৱৰী—তেনেহলে বাহিৰত থিয় হৈ থাকা।

জেৰাৰ্ড—কি ? বাহিৰত থাকিব লাগে ? সেইটো কেতিয়াও হব নোৱাৰে।

দুৱৰী—নিদিলে কি কৰিবা ? চাওঁচোন কেনেকৈ যোৱা।

জেৰাৰ্ড—"আমি যামেই।" এই বুলি জেৰাৰ্ডে চিঞৰিব ধৰিলে, "মহাৰাজ ফিলিপ, আপোনাৰ দুষ্ট দুৱৰীহঁতে প্ৰতিযোগী চিত্ৰকৰ এজনক ভিতৰলৈ যাব নিদিয়ে।"

দুৱৰীহঁতৰ তত হেৰাল। লৰালৰিকৈ সিহঁতে তাতোকৈ ডাঠকৈ চিঞৰি কলে, "হেও, দুৱাৰ এৰি দে দুষ্টহঁত। জেৰাৰ্ড সবান্ধৱে ভিতৰলৈ যাওক।"

জেৰাড´ বিনাকষ্টে মাৰ্গেৰেট আৰু পিটাৰক হাতত ধৰি ভিতৰ সোমালগৈ।

চিত্ৰ-প্ৰদৰ্শনী আৰম্ভ হৈছে। সভাৰ কেন্দ্ৰস্থলত এটি ওখ মণ্ডপ। তাৰ ওপৰত চিত্ৰ-বিচিত্ৰ কাপোৰেৰে ঢকা মেজ এখনৰ চাৰিওফালে চাৰিখন চকি পতা। তাৰে এখনত ৰাজা ফিলিপ, দ্বিতীয় খনত ৰাণী, তৃতীয়খনত জন্ উইলিয়াম আৰু চতুৰ্থ খনত মিছ মেৰি সগৰ্ব্বে বহি আছে। তাৰ পূৱফালে অস্ত্ৰ-শস্ত্ৰধাৰী চিপাহীবোৰ শাৰী শাৰীকৈ বহি আছে। পশ্চিমফালে ৰাজ্যৰ ডাঙৰ ডাঙৰ ভদ্ৰলোকসকল, উত্তৰে ভদ্ৰমহিলাসকল, আৰু দক্ষিণে প্ৰতিযোগী চিত্ৰকৰবোৰে নিজ নিজ চিত্ৰ আগত লৈ বহি আছে। চিত্ৰকৰ-

বোৰৰ ঠিক পাছফালে মাল-যুজ, দৌৰ-খেলা, পালোৱানি আদি হব ধৰিছে ; পশ্চিমৰ ফালে, হাতী-দৌৰ, ঘোৰা-দৌৰ আদি অন্তৰ খেলা হব ধৰিছে ; উত্তৰৰ ফালে নানা-ৰকম গান-বাজনা হব ধৰিছে ; পূবফালে, খোৱা-লোৱাৰ যোগাৰ ৰখা হৈছে, যাৰ খাবৰ ইচ্ছা হৈছে সেয়ে উঠি গৈছে আৰু খাইছেগৈ। সভাস্থলিৰ চাৰিওফালে লোৰ বেৰা ; কেৱল পূবফালে সভাস্থলত সোমাবৰ বাট। প্ৰায় চপুৰামান মাটী আগুৰি থকা এই সভাস্থলিত লৈ-নপৈ মানুহ হৈছে। বেৰৰ বাহিৰতো মানুহৰ আদি অন্তই নাই—লোৰ বেৰ গুণেহে - নহলে ৰাজা-প্ৰজাৰে এখন প্ৰকাণ্ড মানুহ-সাগৰ হলহেতেন।

জেৰাৰ্ডে দেখেগৈ যে প্ৰদৰ্শনী কেতিয়াবাই আৰম্ভ হৈছে। মাৰ্গেৰেট [illegible] পিটাৰক বহিবৰ ঠাই দেখুৱাই দি তেওঁ লৰালৰিকৈ চিত্ৰকৰৰ শাৰীত সোমালগৈ। লগৰীয়া চিত্ৰকৰসকলৰ পৰা জানিব পাৰিলে যে বেছি সময় নাই, কেৱল ২'৩ জনৰহে চিত্ৰ চাব বাকী আছে। এনেতে এজনৰ ডাক পৰিল। তেওঁ উঠি গৈ তেওঁৰ চিত্ৰ দেখুৱালে। তাৰ পিছতে আমাৰ জেৰাৰ্ডৰ পাল আহিল। জেৰাৰ্ডে কঁপি কঁপি চিত্ৰকেইখন হাতত লৈ মেজৰ ওচৰ পালেগৈ। ৰাজা-ৰাণী সকলোকে প্ৰণাম কৰি তেওঁ চিত্ৰকেইখন মেজৰ ওপৰত থলে। ৰাজাই জেৰাৰ্ডৰ চিত্ৰ দেখি আচৰিত হল আৰু ৰাণী, কুঁৱৰী আটাই কেজনকে চাঁহি চাঁহি দেখুৱালে। জেৰাৰ্ডে আকৌ প্ৰণাম এটি কৰি নিজৰ ঠাইত বহিলহি।

এঘণ্টামান পাছতে প্ৰদৰ্শনী শেষ হল। চাৰিজন চিত্ৰকৰে চাৰিটা বঁটা পালে। তাৰ ভিতৰত প্ৰথম হল মাষ্টাৰ জেৰাৰ্ড। এই কথা ঘোষণা কৰি দিয়াত চাৰিওফালৰ পৰা হাত-চাপৰিৰ ৰোল উঠিল জেৰাৰ্ডে আশাতীত বঁটা লাভ কৰি পুলকিত হল। সভা ভঙ্গ হোৱাত তেওঁ মনৰ আনন্দৰ ঢৌ অন্তৰ খুলি কবৰ নিমিত্তে মাৰ্গেৰেটৰ ওচৰলৈ লৰ দিলে। মাৰ্গেৰেটে হেৰোৱা ধন পোৱাদি পালে। জেৰাৰ্ডেও আনন্দতে আপোন-পাহৰা হৈ নিজৰ মন-প্ৰাণ খুলি দি সকলো কথা মাৰ্গেৰেটৰ আগত হাঁহি হাঁহি এটী এটীকৈ কব ধৰিলে।

সভা ভঙ্গ হোৱাৰ পিচত সকলো মানুহ দিহাদিহি গুচি গল; কিন্তু তেওঁলোক তিনিও তাতেই বহি থাকিল। বৃদ্ধ পিটাৰে ভাবিছে যে উইলিয়ামে তেওঁলোকক দেখা পোৱা নাই সেই দেখিহে তেখেতে তেওঁলোকক মাত নিদিলে। ভাবি-চিন্তি তেওঁ দুখ মনে বহি আছে। ইপিনে জেৰাৰ্ড আৰু মাৰ্গেৰেট ইজনে সিজনক প্ৰশংসা কৰাতেই ব্যস্ত।

মাৰ্গেৰেটে লাহেকৈ মূৰটো জেৰাৰ্ডৰ কোলাত থৈ দি গাতে হেলান দি পৰি নিজে নিজে কব ধৰিলে, "কি সুন্দৰ ৰ'দ, কি সুন্দৰ ঠাই, কি সুন্দৰ দৃশ্যবোৰ! যিপিনেই চকু দিও সেইপিনেই সুন্দৰ! গছবোৰে কি সুন্দৰ সেউজীয়া সাজ-পাৰ পিন্ধি হালি-জালি নাচিব ধৰিছে! ফুল বোৰে কি [illegible] সুন্দৰ ফুলবোৰ মুখত লৈ হাঁহিব ধৰিছে। গছৰ ডালত পৰি চৰাইবোৰে পঞ্চমসুৰেৰে কি সুমধুৰ সঙ্গীত গাইছে! সৌ তটিনী নিজৰাবোৰে কুলু কুলু সুৰে ঈশগান গাইছে! আহা কি মনোৰম দৃশ্য !!"

জেৰাৰ্ডে মাৰ্গেৰেটৰ গাত হাত বুলাই থাকোতে লাহেকৈ এটা চিকুট মাৰি দিলে আৰু কিবা কব খুজিলে। মাৰ্গেৰেটে বাধা দি কলে, "ৰবাচোন, থন্তেক ; সৌ নিজৰাটীয়ে কি সুমধুৰ গীত গাইছে শুনাচোন।" থন্তেক সময় নীৰৱ থাকি আকৌ মাত লগালে, "মাষ্টাৰ, আপুনি কি চিত্ৰলৈ প্ৰতিযোগিতা কৰিব আহিছিল ?" জেৰাৰ্ডে আনন্দেৰে তাৰ প্ৰত্যুত্তৰ দিলে।

মাৰ্গেৰেট—যি কি নহওক, আপুনি আকৌ এটী বহুমূলীয়া বঁটা পাব।

জেৰাৰ্ডে আচৰিত হৈ সুধিলে, "কি বটা ? তুমি মোৰ কিবা চিত্ৰ দেখিছা নেকি ?"

মাৰ্গেৰেট—মই ? নাই একো দেখা নাই। তথাপি আপুনি এটা বঁটা পাব।

জেৰাৰ্ড—ময়ো আশা কৰিছো, তুমিনো কিয় ভাবিছা ?

মাৰ্গেৰেট—কাৰণ আপুনি মোৰ বৃদ্ধ পিতাক খুব দয়া কৰিছে। আপুনি তেওঁক খুব ভাল পায় আৰু ভক্তি কৰে। তেৱোঁ আপোনাক অন্তৰেৰে ভাল পায়।

বাৰু, এই সুন্দৰ সুন্দৰ বস্তুবোৰৰ ভিতৰত আপুনি কোনটো আটাইতকৈ ভাল পায় ?

জেৰাৰ্ড—মই তোমাৰ—

মাৰ্গেৰেটে বাধা দি কলে, "ছিঃ ছিঃ, তেনে কথা মুখত আনিব নাপায়।" জেৰাৰ্ডেও সুৰ বদলাই সুধিলে, "অ, তুমি মোৰ প্ৰিয়বস্তু কি তাকে সুধিছা ?"

মাৰ্গেৰেট—এৰা, তাকেই সুধিছো।

জেৰাৰ্ড—চাও তেনেহলে তুমি তোমাৰ মূৰটো ভালকৈ থোৱাচোন। এই যে ৰূপৰ গুণাৰ জালৰ মাজত থকা তোমাৰ মূৰটো? ইয়াকে দেখি পৱিত্ৰ বাইবেলত থকা কথা ফাকি মনত পৰে—"An apple of gold in a network of silver" অৰ্থাৎ ৰূপৰ জালৰ [illegible] সোণৰ এপোল ফল। কি সুন্দৰ দৃশ্য! আহা! কি মনোৰম! যদি ইয়ালৈ অহাৰ আগেয়ে তোমাৰ এই সুন্দৰ ছবি খনি দেখিলোহেতেন তেনেহলে মই যে কি কৰি ইয়াক আঁকিলো হেতেন তাক মেৰী আইহে জানে! এই চোৱাঁ! সূৰ্য্যৰ কিৰণত চুলিতাৰ কেনেকৈ জিলিকিব ধৰিছে।

মাৰ্গেৰেট উঠি বহিল। জেৰাৰ্ডৰ পৰা মুখ ফিৰাই কলে, "মাষ্টাৰ জেৰাৰ্ড! মই আপোনাক এজন ভাল ডেকা বুলি—"

জেৰাৰ্ড—অৱশ্যে। মই অন্যবোৰ ডেকাতকৈ বেয়া নহয়। কিন্তু যাৰ চকু আছে, যাৰ হৃদয়-ভৰা প্ৰেম আছে সি কেনেকৈ এইবোৰ কথা নোকোৱাকৈ থাকে মাৰ্গেৰেট ?

মাৰ্গেৰেটে আধা ফুটা মাতেৰে কলে, "জেৰাৰ্ড—"

জেৰাৰ্ড—খং নকৰিবা মাৰ্গেৰেট।

মাৰ্গেৰেট—এতিয়া জানো এইটো—

জেৰাৰ্ডে মাৰ্গেৰেটক কথা শেষ কৰিব নিদি কলে, "এৰা, মই তোমাক ভাল পাওঁ।"

মাৰ্গেৰেট—"ছিঃ ছিঃ লাজ নালাগেনে ? এতিয়া সেই বোৰ কথা নকবা।" মাৰ্গেৰেট ৰঙা পৰি উঠিল। তাকে দেখি জেৰাৰ্ডে আকৌ কলে, "তোমাক মই ভাল নাপাই নোৱাৰো—কি কৰিম মাৰ্গেৰেট ? মই তোমাক ভাল পামেই।"

মাৰ্গেৰেট—শপত দিছো সেই কথা দুনাই নকব। মই এজন অচিনাকী ডেকাৰ পৰা এনে কথা শুনিম বুলি আশা কৰা নাছিলো। ছিঃ ছিঃ!

জেৰাৰ্ডৰ মনত অলপ আঘাত লাগিল। পিছত তেওঁ কলে, "ক্ষমা কৰিবা মাৰ্গেৰেট! তুমি যি কি নোকোৱা মই তোমাক ভাল নোপোৱাকৈ থাকিব নোৱাৰো।" মাৰ্গেৰেটে উত্তৰ দিলে,—"বাৰু, দেখা যাব। আপুনি অন্যান্য বিষয়ত হলে খুব ভাল; কিন্তু এই বিষয় যেন আৰু কথা নাপাতে।"

জেৰাৰ্ড আৰু মাৰ্গেৰেট দুয়ো হাতত ধৰাধৰিকৈ বহিল। ক্ৰমে পশ্চিম আকাশত সূৰ্য্যাস্ত হল। জেৰাৰ্ডৰ অন্তৰ-ৰাজ্যতো যেন কিবা এটি উঠি আহা অলপ ভাবে ডুব মাৰিবৰ যো-যা কৰিলে।

(আগলৈ)

শ্ৰীশান্তিৰাম দাস

"দুৰলীয়া পানীফুকনৰ স্বদেশাৰ্থে প্ৰাণবিসৰ্জ্জন" আৰু "মৰাণৰ ৰণচণ্ডী ৰাধা-ৰুক্মিণীৰ সম্বন্ধে আমাৰো একেষাৰ

মোৰ আদৰৰ ডেকা বন্ধু শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা দেৱে "বাঁহী"ৰ ১৪শ বছৰৰ ১১শ সংখ্যাত "দুৰলীয়া পানীফুকনৰ স্বদেশাৰ্থে প্ৰাণ বিসৰ্জ্জন" আৰু ১২শ সংখ্যাত "মৰাণৰ ৰণচণ্ডী ৰাধা-ৰুক্মিণী" বুলি দুটি বুৰঞ্জী-মূলক সাৰুৱা প্ৰবন্ধ লিখিছে। সেই বুলি তেখেত আমাৰ যে অতি শলাগৰ পাত্ৰ, তাক নকলেও হব। ভূঞা-দেৱৰ নিচিনা উদীয়মান ডেকা সাহিত্যিকৰ পৰা অসমদেশৰ জাতীয় বুৰঞ্জীয়ে যে অনেক আশা কৰে সেইটো

অসমীয়া ৰাইজৰ অবিদিত নহয়। প্ৰৱন্ধ দুটিত তেখেতে যি লিখিছে, তাতকৈ বঢ়াই কবলৈ বিশেষ মোৰ একো নাই যদিও, প্ৰথম প্ৰবন্ধত তেখেতে দয়া কৰি এই নিঃকিনৰ নাম উল্লেখ কৰাত মযো একেষাৰ কবলৈ আগ বাঢ়িলো।

লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত মোৱামৰীয়াৰ বিৰুদ্ধে ৰণ কৰিবলৈ দুজন ফুকনক (?) সেনাপতি পাতি পঠোৱা হৈছিল, এজন দুৱৰাৰ ঘৰৰ হৰনাথ ভিতৰুৱাল ফুকন, আনজন দিহিঙ্গীয়া ফৈদৰ বৰৈ দুৱলীয়া পানীফুকন। দিহিঙ্গীয়া ফৈদৰ বংশাৱলী আমি যিখিনি সংগ্ৰহ কৰিব পাৰিছো, তাৰ পৰা বুজা যায় যে লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত বৰফুকন হোৱা, দিহিঙ্গীয়া ঘৰৰ ডেবেৰা (যাক কাশি বা দিহিঙ্গীয়া [illegible] বুলিও জানে, আৰু যাক ভূঞাদেৱে "দিহিঙ্গীয়াৰ বুঢ়া বৰফুকন" বুলিছে) প্ৰথমতে পানীফুকনৰ বিষয় থাইছিল। তেওঁৰ দুই পুতেক, বৰ জনৰ নাম বৰৈ সৰুজনৰ নাম চিৰৈ। তিনি জনা ডাঙ্গৰীয়াৰ বৰ পুতেক কেগৰাকিক "লৰি গোহাঁই" আৰু বিষয় থাই থকা বৰুৱা ফুকনৰ বৰ পুতেকক "দুৱলীয়া বৰুৱা" বা "দুৱলীয়া ফুকন" বুলি গৌৰৱ কৰি মতাৰ পূৰ্ব্বে প্ৰথা আছিল। গতিকেই দিহিঙ্গীয়া পানী ফুকনৰ বৰ পুতেক বৰৈক "দুৱলীয়া পানীফুকন" বোলা হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ডেবেৰা পানীফুকনক বৰফুকন পতা হয়, আৰু তেওঁৰ পুতেক বৰৈকো, কতদিনৰ পাছত, ডেকা ফুকনৰ বাব দিয়া হৈছিল। এই ডেকা ফুকনৰ ভায়েক চিৰৈ, গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ দিনত "মেধী" নাম লৈ বৰফুকন হৈছিলগৈ।

হৰনাথ ফুকন ডেকাফুকন নহয়, আৰু তেওঁ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ জোৱায়েকো নহয়। হৰনাথ ভিতৰুৱাল ফুকন কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাতকৈ, বয়সে ডাঙ্গৰ আছিল যদিও, সম্বন্ধত, আহোম মতে কীৰ্ত্তিচন্দ্ৰহে তেওঁৰ ককায়েক। হৰনাথ ফুকনৰ মাক বকৃতীয়ালৰ ঘৰৰ জীয়াৰী—তেওঁ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ পেহীদেৱেক। সেইমতে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ দেউতাক (ৰূপচন্দ বৰবৰুৱা) হৰনাথ ফুকনৰ নিচাদেউতাক; আহোমৰ নিয়মে 'নিচাদেউতাকৰ পুতেক সৰু হলেও সদায় "ককাই"।

আৰু একেষাৰ মাত্ৰ। ভূঞাদেৱে মোহনমালা দেৱক ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ তৃতীয় পুত্ৰ বুলিছে। আমি জনাত কিন্তু তেখেতক প্ৰথম পুত্ৰ বুলিহে জানো। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ সাতজনা কুৱৰী আছিল, বৰকুঁৱৰী আৰু চমুৱাকুঁৱৰী এগৰাকীৰ সতিসন্তান নাই, বাকী পাঁচ জনাৰ ভিতৰৰ পৰ্ব্বতীয়া কুঁৱৰীৰ এটী ছোৱালী আৰু শিৱসিংহ, বৰমাহী কুঁৱৰীৰ প্ৰমত্তসিংহ, মঠাডাঙ্গীয়া ফুকনৰ জীয়েকৰ বোন্দা গোঁহাই (পাছলৈ ৰাজেশ্বৰসিংহ) আৰু সৰুকুঁৱৰীৰ কালশিলীয়া গোঁহাই (পাছলৈ লক্ষ্মীসিংহ) আৰু পানীফুকনৰ জীয়েকৰ মনগোঁহাই (বা মোহনমালাদেৱ)। বয়সত মোহন[illegible]ৰাকী কোঁৱৰতকৈ বৰ।

সাধাৰণতে আহোম ৰজাসকলৰ বৰজনা কোঁৱৰহে ৰাজ-পাটৰ উত্তৰাধিকাৰী হয়। সেই নিয়ম অনুযায়ী মনগোঁহাইদেওহে ৰজা হব লাগিছিল; কিন্তু সৰুকালতে তেওঁৰ আই ওলাই মুখত গুটিৰ চিন থকাত তেওঁ ৰজা হবলৈ অনুপযুক্ত হৈছিল মাথোন। তেওঁ দেখনিয়াত অতি সুশ্ৰী আৰু আচাৰ-ব্যৱহাৰতো দেৱতুল্য আছিল; সেই কাৰণে তেখেতক মানুহে আগ্ৰহ কৰি মোহনমালাদেৱ নাম দিছিল। মুখিয়াল মুখিয়াল বিষয়াবিলাকৰ প্ৰায় সকলো খিনিয়েই তেওঁক বৰ ভাল পাইছিল, আৰু সকলো প্ৰজাৰেই তেওঁ আলাসৰ লাড়ু ৰ নিচিনা আছিল। তেওঁক ৰজা নাপাতি শিৱসিংহক ৰজা পতাত বহুতৰ মনতেই বৰ অসন্তোষ হৈছিল। পাছত ৰাজেশ্বৰ সিংহৰ দিনত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই ৰজাত বিষমে বুজাই যেতিয়া বিনা-দোষত তেওঁক নগৰৰ বাজকৈ উলিয়াই খেদোৱালে, তেতিয়া মোহনমালাদেৱক ভাল পাওঁতা মানুহবিলাক খঙত ঘৃতাহুতি হল, আৰু ৰাজকীয় ক্ষমতাৰ বিপক্ষে ঠিয় দিবলৈকো মনে মনে তেওঁলোক কৃতসংকল্প হল। এয়েহে বিদ্ৰোহৰ (যাক "মোৱামৰীয়া বিদ্ৰোহ" বুলি জানে) প্ৰথম সূত্ৰপাত আৰু প্ৰধান কাৰণ। মোৱামৰীয়া মহন্তক অপমান কৰা প্ৰভৃতি আনবিলাক কাৰণ বিদ্ৰোহৰ ঘাই কাৰণ নহয়।

এতিয়া মৰাণৰ ৰণচণ্ডী ৰাধা-ৰুক্মিণীৰ বিষয়ে একেষাৰ কৈয়ে আমি সামৰণি মাৰিম। ৰাধা-ৰুক্মিণী এগৰাকী তিৰুতা নহয়। এইকথা বুৰঞ্জীত ভালকৈ লিখা আছে। সিবিলাক দুগৰাকী মৰাণৰ নাহৰ খোৱাৰ ঘৈণীয়েক। ৰাধাৰ আছল নাম আছিল ভাতুকী আৰু ৰুক্মিণীৰ আছিল ভাকুলী। ভূঞাদেৱে সুধিছে সিবিলাকক ৰাধা-ৰুক্মিণী নাম দিয়া হল কিয়? আমি তাৰ উত্তৰত ইয়াকে কওঁ যে নাহৰ খোৱাই স্বয়ম্ভূৰূপে "নৱ-হৰি" (অৰ্থাৎ নতুন হৰি, বা, বৰ্ত্তমান যুগৰ হৰি বা কৃষ্ণ) হৈ পৰিছিল যেতিয়া "নতুন হৰিৰ" পত্নী বা গৃহিণীসকল যে (নতুন) ৰাধা, আৰু (নতুন) ৰুক্মিণী নহব তাৰ কাৰণ কি? দ্বাপৰৰ শ্ৰীহৰিৰ প্ৰধান মহিষী ৰাধা আৰু ৰুক্মিণী আছিল, [illegible]জত্বৰ কালত উত্তৰ হোৱা নতুন হৰিৰ পত্নীও নিশ্চয় ৰাধা আৰু ৰুক্মিণী হোৱাটো যুক্তিসঙ্গত হৈছিল। আমাৰ মনেৰে ৰাধা-ৰুক্মিণীক ৰাঘৱৰ ঘৈণীয়েক বোলাটো বৰ অন্যায় হৈছে। ৰাধা ৰাঘৱৰ মাক, আৰু ৰুক্মিণী হৈছে মাহীয়েক (মাহীমাক)। ৰমাকান্ত আৰু ৰাঘৱ দুয়ো সহোদৰ, ৰমাকান্ত বৰ, ৰাঘৱ সৰু, দুয়ো নাহৰ খোৱাৰ ঔৰস জাত সন্তান। "বৰবৰুৱাই (কীৰ্ত্তিচন্দ্ৰই) থঙৰ ভমকত আগপাছ নুগুণি চাওডাঙ্গৰ হতুৱাই নাহৰ খোৱাৰ পিঠিতহে" চমটাৰ কোব মৰাই, কাণ দুখন কাটি খেদি পঠাইছিল, ৰাঘৱক নহয়।

ভূঞাদেৱে কোৱাৰ দৰে, আগৰ দিনৰ পুথি পাঁজি বোৰত প্ৰায়েই শব্দবোৰ লগালগিকৈ একে লেঠাৰিয়ে লিখে। সেইদৰে ৰাধা আৰু ৰুক্মিণীৰ নাম বেলেগ বেলেগ কৰি নিলিখাত (অৰ্থাৎ নাম দুটাৰ মাজত "আৰু" শব্দ প্ৰয়োগ নকৰাৰ নিমিত্তে) [illegible] মানুহবিলাকে ৰাধা ৰুক্মিণীক এগৰাকী তিৰুতা বুলি ভাবিবলৈ ধৰিলে।

শ্ৰীহিতেশ্বৰ বৰবৰুৱা

অন্ধ-গায়ক

কি গীত গাইছা কবি ?
ওপঙি ফুৰিছে দৃষ্টিত তোমাৰ
কোন নন্দনৰ ছবি ?
কোন অলকাৰ তীব্ৰ আলোকত
ৰূপৰ জালৰ কোন মাদকত
দৃষ্টি পৰিল ভাগি,
অৰূপ ৰূপৰ নতুন বাণত
সেইহে উঠিল দৃষ্টিৰ আগত
নতুন সৃষ্টি জাগি !

কোন নো সুন্দৰীৰ
স্পৰ্শত জাগিল পৰশ-মণি—
দৃষ্টি তোমাৰ স্থিৰ !
সান্ত ধৰাৰ সসীম ৰূপৰ
নউ দেখোতে নতুন পোহৰ
জপাই ধৰিলে চকু,
সেইহে ভাবত উগুল-থুগুল
ঢউৰে ঢউৰে কৰি বিয়াকুল
ভাঙ্গিব খুজিছে বুকু !

কি গীত গাইছা কবি !
তোমাৰ গীতত অযুতে অযুতে
কোন আকাশত অলসত ফুটে
দীপ্ত তাৰকা ৰবি !
উফৰি ফুৰিছে তাৰে অগ্নিকণা
কৰিছে ৰচনা শত দিব্যাঙ্গনা

উৰ্ব্বশী বিয়াকুল,
ধৰাত ফুলাৰ খুজিছানে তুমি
তাৰেই অগ্নিফুল ?

তোমাৰ উদাস গীত !
তুমি কোন সেৱা মৰ্ত্ত্যৰ নায়ক !
তুমি নে কোনোবা স্বৰ্গীয় গায়ক
নামিছাহি পৃথিবীত !

বুজা নাই ছন্দ তোমাৰ গানৰ
বুজা নাই তুমি গাইছা প্ৰাণৰ
কিবা কথা, ভোক-শোক ;
স্বৰ্গৰ বাতৰি মৰ্ত্ত্যৰ ভাষাৰে
—নেকি কই যোৱা মোক !

গাইছা নে তুমি কিদৰে মৰতে
সিজন্মৰ কথা পাহৰি মাজতে
ভোল গই আছে বই,
আহিছা নে তুমি শত প্ৰেমিকত
বিৰহীৰ ব্যথা হানি হৃদয়ত
অভিজ্ঞান দিবলই ?

দিব্য ৰহস্যৰ আলোৰে আবৰা
জন্ম মৰণৰ গোপন বতৰা
কৰিছিলা চুৰ তুমি,
ৰত্ন সিংহাসন দিব্য জ্যোতিৰ্ম্ময়
দেখি নে তোমাৰ দৃষ্টি হল ক্ষয়
—চাওঁতে আলেজে ভুমি ?

নতুবা গাইছা কিবা আগমনী—
নৱ অতিথিৰ নবীন জাননী
আহিছা নে তুমি লই,
কৰবাত নৱ বসন্ত জাগিছে
নৱ সত্য যুগ আহিব লাগিছে—
তাৰে কথা ভাৰ বই ?

নতুবা গাইছা—ধৰ্ম্ম উদাৰতা,
ভাই-ভাই-ভাব, বিশ্ব স্বাধীনতা
জগত আহিছে বেৰি,—
স্বৰ্গদূত তুমি দেৱ-আজ্ঞা লই
উদাস গীতেৰে আহি দিছা কই
আগলি বাতৰি ফেৰি ?

নতু কোন তুমি পবিত্ৰ আতমা
স্নেহ-কুমলীয়া বুকু,
মৰম-মুবুজা নিচলা সংসাৰ
দেখি মুদ গল চকু !

তোমাৰ গীতটি ইমান উতলা
উঠিছে নে তাত শত শকুন্তলা
বিৰহত দগ্ধ হই,
যক্ষৰ বিৰহ-ছন্দ হিয়া ভৰি
তোমাৰ গীতত উঠিছে গুমৰি
আকাশ কঁপাই থই ?

নতুবা দিছা নে শত বিধৱাৰ
'একেটি পুত্ৰ'ৰ বিৰহ বেজাৰ
তোমাৰ গীতত বান্ধি,
সেইহে তোমাৰ হৃদয় বেণুটি
ফুৰে চিৰকাল কান্দি !

নহলে নো তুমি কি গীত গাইছা,
কি অনুতাপৰ কথা—
মানুহ বওহে মানুহ মঙহ
খোৱা দেখি পোৱা ব্যথা ?

মানুহে মুবুজে মানুহৰ দুখ
দয়া-ধৰমত চহকী বিমুখ
—কুটুম নহয় ভাল,
মানুহে নিজৰ তেজ শুহি খায়
মঙহৰ গোন্ধ বওহে নেপায়

—মিতিৰে মিতিৰে কাল ;
তাকে দেখিয়ে নে হিয়া ফাটি-ছিটি
উঠিছে উথলি সককণ গীতি—
আবেগত কঁপে বুকু,
অনন্ত কধিৰ বাগৰি তোমাৰ
জাপ গল দুটি চকু !

হে গায়ক, হেৰা অন্ধ !
অৰূপৰ তীব্ৰ ৰূপ-অঞ্জনেৰে
পূৰ্ণ অনন্তৰ ৰন্ধ্ৰ ।
বিশ্বৰ হীনতা জোকাৰি পেলোৱা
নৱ প্ৰীতি-ফুল হিয়াত ফুলোৱা
বাজে কিবা ঐক্য তান,
ফুটো ফুটো আজি কিবা দিব্য দৃষ্টি
তোমাৰ গীতত জাগে নৱ সৃষ্টি—
নৱ পাতনিৰ গান ।

আজি যেনেদৰে পৃথিবী আকাশ
তোমাৰ গীতত সমানে উদাস,
সেইদৰে বিমোহিত
হব চিৰকাল মানৱ-আতমা
শুনি ই স্বৰ্গীয় গীত ।

শ্ৰীডিম্বেশ্বৰ নেওগ

জগন্নাথ ক্ষেত্ৰ

বা

পুৰী

(২)

পূৰ্ব্বৰপৰা আজিলৈকে জগন্নাথ ক্ষেত্ৰ বা পুৰীত এজন ৰজা আছে। তেওঁৰ অধীনত জগন্নাথৰ জমীদাৰি আৰু মন্দিৰবিলাক থাকে। আজিকালি গৱৰ্ণমেণ্টৰপৰা তেওঁ বছেৰেকত ১২০০৲ টকা পেঞ্চন পায়। ৰজা সন্ন্যাসভাৱে ধৰ্ম্মচৰ্চ্চাত থাকে। বৰ্ত্তমান ৰজাৰ নাম আৰু উপাধি —"বীৰ শ্ৰীগজপতি গৌৰেশ্বৰ নব কোটী কৰ্ণাট, উৎকল-বৰ্গেশ্বৰ বীৰধি বীৰবৰ প্ৰতাপ শ্ৰীমুকুন্দদেব মহাৰাজা।" বেহাৰ উৰিষ্যাত ১৮ জন দেশী ৰজাৰ ভিতৰত এওঁৰে সন্মান অধিক। আজি কুৰি বছৰমানৰপৰা জগন্নাথ মন্দিৰ আৰু দেৱোত্তৰ জমীদাৰি চলাবলৈ এজন মেনেজাৰ থকা নিয়ম হৈছে। মেনেজাৰজন গৱৰ্ণমেণ্ট আৰু ৰজা উভয়েৰে মনোনীত হব লাগে। প্ৰায়ে গৱৰ্ণমেণ্টৰ উচ্চ কৰ্ম্মচাৰীয়ে মেনেজাৰ হয়। প্ৰথমে হোৱা মেনেজাৰজন বোলে এজন ছাহাব আছিল, তেওঁ দক্ষতাৰে সৈতে এই কাম চলাইছিল। বৰ্ত্তমানৰ আগৰজন মেনেজাৰ পুলিছ চুপাৰিন্টেণ্ডেণ্ট ৰায় বাহাদুৰ সখিচান্দ। এওঁ এজন বেহাৰী মানুহ। বৰ্ত্তমানজন মেনেজাৰ ডেপুটীমাজিষ্ট্ৰেত, এজন বঙ্গালী। প্ৰত্যেকজন মেনেজাৰৰ ৫ বছৰ কাৰ্য্যকাল। ইয়াৰ উপৰি টেম্পোল্ চুপাৰিনটেণ্ডেণ্ট আৰু চুপাৰিনটেণ্ডেণ্ট্ অফিছ আছে। তেওঁৰ অধীনত পুলিছ আৰু মন্দিৰত কাম কৰা ভালেমান কৰ্ম্মচাৰী থাকে। পাণ্ডাৰ বাহিৰে সকলোবিলাক কৰ্ম্মচাৰীয়ে জগন্নাথ ভড়ালৰ পৰা দৰমহা পায়।

বহুকাল পূৰ্ব্বে বৰ্ত্তমান ৰজাৰ পূৰ্ব্বপুৰুষৰ কোনো এজন ৰজাই কটক জিলাৰ বৈতৰণী নাভিগয়াৰ পৰা ৩০০শ গাওঁ ব্ৰাহ্মণ জগন্নাথ ক্ষেত্ৰলৈ তুলি আনি, ৰজাৰ সকলো জমীদাৰি বামুণসকলক দান কৰে। দান কৰা মাটিৰ কৰ লবলৈ ৰজাই অস্বীকাৰ কৰাত, বামুণসকলে মাটিৰ

কৰ বিঘাত এক অনাকৈ জগন্নাথৰ নামত কৰ দিলে। এই নিমিত্তেই ৰজাৰ নিজা জমীদাৰি বুলিবলৈ বিশেষ একো নাই। আজিলৈকে বিঘাত এক অনা হিচাপে জগন্নাথৰ কৰ চলি আছে। এটা "২৭ হাজাৰি," এটা "৩২ হাজাৰি"—দুটা জমীদাৰিৰ আয় বছেৰেকত ৫৯ হাজাৰ টকা জগন্নাথ ভড়ালত জমাই হয়। এই ভড়ালৰ টকাৰে বৰ্ত্তমান কৰ্ম্মচাৰীসকলৰ দৰমহা আৰু জগন্নাথৰ অন্যান্য খৰচ চলে। পাণ্ডাসকলে এই ভড়ালৰ টকাৰে দৈনিক যি ৬০০৲ টকাৰ ৰাজভোগ হয়, এই ভোগৰ ॥০ অনা দৈনিক পূজাকৰা ৩৬ জন পাণ্ডাই ভাগ পায়। বাকী ॥০ অনাৰ ।• অনা ৰজাৰ, ।০ অনা বিক্রি হৈ জগন্নাথ ভড়ালত জমা হয়। পাণ্ডাই পোৱা ভোগৰ অংশ পাণ্ডাৰ নিজা কামতো লগাব পাৰে বা বিক্রিও কৰিব পাৰে। ৰাজভোগ দিনৰ ১২ বজাত হয়, "পাক শালাত" তৈয়াৰ কৰি জগন্নাথ মন্দিৰত দিয়ে। তেতিয়া জগন্নাথ মন্দিৰৰ দুৱাৰ ১৫ মিনিটমান বন্ধ থাকে। এই সময়তে নাট মন্দিৰত দেৱদাসীয়ে নাচে। এই নাচ কলাবিজ্ঞাৰ ভঙ্গিমা। আমাৰ সূত্ৰধাৰীৰ লগত অলপমান মিলিলেও সূত্ৰধাৰীৰ নাচত মাত্রা অধিক হয়, দেৱদাসীৰ নাচত মাধুৰ্য্য বিকাশ হয়। কিন্তু দেৱদাসীৰ সাজ-অলঙ্কাৰ চকুত লগা নহয়। ৰাতি ১ বজাত জগন্নাথ শুৱৰ সময়ত ধূপ-মন্দিৰত দেৱদাসীয়ে এঘণ্টামান সংকীৰ্ত্তন কৰে। এই কামৰ নিমিত্তে ১০।১৫ ঘৰ-মান দেৱদাসীৰ পূৰ্ব্বৰ পৰা দেৱোত্তৰ মাটি-বাৰী আছে। ভোগ দিয়াৰ ১৫ মিনিট মানৰ পাছতে প্রত্যেক ভোগতে আৰতি হয়। আৰতিৰ সময়ত যাত্রীৰ উৰুলি আৰু শঙ্খ ঘণ্টাৰ ধ্বনি, চামৰ-ধুৰুৱা, আবেগভৰা করুণ প্রার্থনা আদিয়ে মন্দিৰ মুখৰিত কৰি তোলে। আৰতিৰ পাছত ভোগ ভাগে ভাগে বিলোৱা হয়।

আবেলি ৩ মান বজাত ছত্রভোগ হয়। ছত্র-ভোগেই ডাঙৰ ভোগ, দৈনিক হাজাৰ দেৰহাজাৰৰ পৰা যাত্রীৰ সংখ্যা বেছি হলে দুই-তিনি হাজাৰ টকালৈকে এইভোগত খৰচ হয় বুলি কয়। ছত্রভোগ পাণ্ডাৰ; এই ভোগৰ ৮০ অনা পাণ্ডাৰ, বাকী ।০ অনা ৰজা আৰু মঠবিলাকক দিয়ে। পাণ্ডাৰ অংশ পাণ্ডাই নিজে খায়, যাত্রীক খুৱায় আৰু অতিৰিক্ত হলে বিক্রি কৰি পইচা লয়। যাত্রীয়ে জগন্নাথলৈ গৈ যি আটিকা বান্ধে, আটি-কাৰ পৰা দৈনিক যি ভোগ হয় তাকে ছত্রভোগ বোলে। আটিকা মানে উড়িয়া ভাষাত মাটিৰ চৰু। যাত্রীয়ে জগন্নাথক দৈনিক এচৰু ভোগ দিবলৈ বন্দবস্ত কৰাকে আটিকা বন্ধা বোলে। আটিকা ৭ বিধৰ—

১ম। ৫৬০০৲ টকাৰ—ইয়াৰে ৫৬ বিধৰ বস্তুৰে ভোগ দিয়া হয়।
২য়। ১৫৫০৲ টকাৰ—মোহনভোগ দিয়া হয়।
৩য়। ৭৫০৲ টকাৰ—মালপোৱা দিয়া বন্দবস্ত।
৪ৰ্থ। ৫৫০৲ টকাৰ—পুৰী আৰু ক্ষীৰ।
৫ম। ৪৩৪৲ টকাৰ—মছলা দিয়া খিচিৰি।
৬ষ্ঠ। [illegible] টকাৰ—মছলা নিদিয়া ছাদা খিচিৰি।
৭ম। ১৩২৲ টকাৰ—ইয়াৰে ভাত ডালি তৰকাৰী দিয়া হয়।

ওপৰত দিয়া মূল্য প্রত্যেক বিধৰ দৈনিক ⁄১ এক সেৰ ভোগৰ হিচাপ। কোনোৱে এপোৱা আধাপোৱাৰো আটিকা বান্ধিব পাৰে। জগন্নাথলৈ গলেই যে সকলোৱে আটিকা বান্ধিব লাগে তাৰ কোনো মানে নাই। নিজৰ শক্তি আৰু ইচ্ছা অনুসৰি আটিকা বন্ধা-নবন্ধাৰ কথা। কিন্তু আটিকা নবন্ধাকৈ সাধাৰণ যাত্রী পাণ্ডাৰ হাতৰ পৰা নিচেই কম ভাগেহে সাৰিব পাৰে। হাতত পইচা নাথাকিলেও ধাৰ বুলি আটিকা বন্ধায়, এই ধাৰ পাছে পৰিশোধ কৰিবলৈ অঙ্গীকাৰ কৰিব লাগে। নিজৰ নিজৰ পাণ্ডাৰ মাৰ্ফত জগন্নাথৰ নামত আটিকা বন্ধোৱা হয়। আসামৰ পাণ্ডা লাংমংবীয়া শ্রীভীমসেন মহাপাত্র। ভীম-সেনৰ ভায়েক শ্রীকৃষ্ণ মহাপাত্র, শ্রীবটকৃষ্ণ মহাপাত্র আৰু শ্রীবাসুদেৱ মহাপাত্র। এওঁলোকৰ ঠিকনা হৰচন্দি চাহি, পশ্চিমদুৱাৰ, কছাৰীবাৰী, পুৰী। এওঁলোক আসাম, মণি-পুৰ; আৰু নেপালৰ একচিতীয়া পাণ্ডা। যাত্রীয়ে আটিকা বন্ধা ঠাই মন্দিৰৰ উত্তৰে, বাহিৰ টৌলত এটা দুমহলীয়া ঘৰ আছে; এই ঘৰকে "কেলি বৈকুণ্ঠ" কয়। এই ঘৰেই পাণ্ডাসকলৰ পঞ্চায়ত ঘৰ। এই ঘৰতে নিজৰ পাণ্ডাৰ মাৰ্ফত পঞ্চায়তৰ পাণ্ডাৰ আগত আটিকা বান্ধিব লাগে।

আটিকা বান্ধি টকা পৰিশোধ কৰিলে পঞ্চায়তৰ পৰা ছপা কৰোৱা ৰছিদ দিয়ে। কোনোৱে আটিকা বন্ধাবলৈ ইচ্ছা কৰিলে এই নিয়মে বন্ধোৱাই উচিত। কিন্তু বহুত সময়ত দেখা যায়—পাণ্ডাৰ নিজৰ নিজৰ ঘৰতে ১০।১৫ টকাৰ আটিকা বন্ধাই যাত্রীক বিদায় দিয়ে, এইদৰে আটিকা বন্ধা টকাৰ কিমানদূৰ সজ ব্যৱহাৰ হয় কব নোৱাৰি। অসমীয়া যাত্রীয়ে যেন এই কথাটো সদায় মনত ৰাখে। যি বেছি টকাৰ আটিকা দিব খোজে তেওঁ নিজ হাতে জগন্নাথৰ নামত মাটি কিনি দি অহাই ভাল। আসামৰ স্বৰ্গীয় ভোলা বৰুৱাই তাকে কৰিছিল, তেওঁ মৃত্যুৰ পূৰ্ব্বে ১৭০০৲ টকাৰ মাটি জগন্নাথৰ নামত আটিকাৰ বাবে কিনি দি গৈছে। আৰু [illegible]ীয় মহী-নাৰায়ণ বৰাই ৫০০৲ টকাৰ এখান ফল-মূলৰ বাগিচা কিনি দি গৈছে। এইদৰে আজিকালি ধনী মানুহে আটিকা দিবলৈ হলে নিজ হাতে মাটি-বাৰী কিনি দি আহে। আজিলৈকে অসমীয়া মানুহৰ আটিকা এবলাখমান টকাৰ হৈছে বুলি শুনা যায়। যাত্রীয়ে যি আটিকা বান্ধে পাণ্ডাৰ মাৰ্ফত জগন্নাথৰ নামত পাণ্ডাৰ পঞ্চায়তত সেই টকা জমা হয়। এজন এজন পাণ্ডাৰ মাৰ্ফত যেতিয়া আটিকাৰ টকা সৰহ হয়, তেতিয়া পাণ্ডাৰ মাৰ্ফত জগন্নাথৰ নামত সেই টকাৰে মাটি কিনা হয়। এই মাটিৰ পৰা বছেৰেকত যি আয় হয় সি পাণ্ডাৰ পঞ্চায়তৰ ভড়ালত আহি জমা হয়। এই ভড়ালৰ পৰাই দৈনিক ছত্রভোগ হয়। আটিকাৰ সম্পত্তি এতিয়ালৈকে জগন্নাথৰ নামত ৫০।৬০ লাখমান টকাৰ হৈছে বুলি কয়। এই সম্পত্তিবিলাক দেৱোত্তৰ, ইয়াৰ হৰণ-ভগন হব নোৱাৰে। পূৰ্ব্বে আটিকা বন্ধা নিয়ম নাছিল, ২৫০ কি ৩০০ মান বছৰৰ পৰা হে আটিকা বন্ধা নিয়ম চলিছে। প্রায় তিনিশ মান বছৰৰ আগেয়ে এজন ব্রহ্মচাৰী সন্ন্যাসী আহি জগন্নাথ মন্দিৰত আছিলহি, সেই সময়ত তেওঁ ভবিষ্যত বাণীৰ দৰে কৈছিল যে "এসময়ত জগন্নাথ ক্ষেত্রত লক্ষ লক্ষ যাত্রীৰ সমাগম হব।" এই নিমিত্তে তেওঁ যাত্রীসকল থকা আৰু খোৱাৰ বন্দবস্ত কৰিবলৈ আটিকা বন্ধা নিয়ম কৰিলে। আৰু তেওঁৰ দ্বাৰায়ে জগন্নাথ মন্দিৰৰ বাহিৰৰ টোল তৈয়াৰি হৈছিল বুলি কয়। তেওঁ এজন সিদ্ধপুৰুষ আছিল বুলি পুৰী-বাসীৰ বিশ্বাস। তেওঁৰ নাম-ধাম আদি কোনেও কব নোৱাৰে। তেওঁক "বাবা ব্রহ্মচাৰী" বুলি সকলোৱে জানে। মন্দিৰৰ বাহিৰ টোলৰ দেৱালৰ গাত পশ্চিম ফালে এটা মূৰ্ত্তি আছে, এই মূৰ্ত্তিকে বাবা ব্রহ্মচাৰীৰ মূৰ্ত্তি বুলি পাণ্ডাই দেখুৱায়।

গধুলি ৫ বজাত মধ্যাহ্ন ভোগ হয়। এই ভোগ মঠবিলাকৰ পৰা দিয়ে। মধ্যাহ্ন ভোগৰ ৮০ অনা মঠবিলাকৰ, বাকী ।০ অনা ৰজা আৰু পাণ্ডাৰ ভাগ। পুৰীত ৭৫২ টা মঠ আছে বুলি চলিত কথা। তিনিশমান মঠ কাৰ্য্যকৰী বুলি শুনা যায়। তাৰ ভিতৰত এশমান মঠৰ অৱস্থা ভাল। ২৫।৩০ টা মান মঠ বৰ্ত্তমান প্রসিদ্ধ, যেনে এমাৰ মঠ, উত্তৰপাৰ্শ্ব মঠ, শ্যাম-দাস মঠ, উৰিয়া মঠ, ৰাধাকান্ত মঠ, ত্রিবেণী মঠ, ৰাঘুদাস মঠ, সমাধি মঠ, ৰাধাবল্লভ মঠ, শঙ্কৰাচাৰ্য্য মঠ ইত্যাদি। কোনো কোনো মঠত সংস্কৃত টোল আছে, মঠবিলাকত বৈষ্ণৱ-সকল থাকে। তেওঁলোকে মঠৰপৰা খাবলৈ পায়। আজিকালি সকলো মঠতকৈ এমাৰ মঠেই প্রসিদ্ধ আৰু উন্নত ধৰণৰ। এই মঠ জগন্নাথ মন্দিৰৰ পূব দুৱাৰৰ সন্মুখতে। এই মঠত ৰঘুনন্দন লাইব্রেৰী আছে। লাইব্রেৰীত ইংৰাজী, বঙ্গলা, উৰিয়া সকলো বিধৰ কিতাপ আছে আৰু সকলো বিধৰ বাতৰিকাকত আৰু মাহে-কীয়া কাকত আছে। সকলোৱে এই লাইব্রেৰীত গৈ কিতাপ কাকত পঢ়িব পাৰে। লাইব্রেৰীত ইলেক্‌ট্রিক লাইটৰ বন্দবস্ত আছে। মঠৰ ভিতৰত এমাৰ মঠেই অৱস্থাপন্ন আৰু ক্ষমতাশালী। এই মঠত ৰামানুজৰ মতেই প্রবল। বৰ্ত্তমান মঠস্বামীজনৰ নাম শ্রীগদাধৰ ৰামানুজ।

সমুদ্রৰ পাৰত (স্বৰ্গদ্বাৰ) শঙ্কৰাচাৰ্য্য মঠ বা গোবৰ্দ্ধন মঠ। এই মঠত শঙ্কৰাচাৰ্য্যৰ শিলৰ প্রতিমূৰ্ত্তি আছে। মঠস্বামীৰ নাম শ্রীমধুসূদন তীৰ্থস্বামী, এওঁ ভালকৈ বঙ্গলা কথা কব পাৰে। বাস্তৱিক পুৰীৰ চাৰিউফালে মঠ। বেছিভাগেই অতি প্রাচীন, কোনো কোনো মঠ আধু-নিক। আধুনিক মঠৰ ভিতৰত এটা চাৰণীয়া মঠ—নৰেন্দ্র সৰোবৰ। উত্তৰ পাৰে মহাত্মা বিজয়কৃষ্ণ গোস্বামীৰ সমাধি।

এই মঠৰ মনোৰম উদ্যান আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাই মানুহৰ মন আকৰ্ষণ কৰে। সমাধিৰ ওপৰত নিতৌ পূজা হয়, মহাত্মা বিজয়কৃষ্ণ গোস্বামীয়ে ব্যৱহাৰকৰা সকলো বস্তু অতি যত্নেৰে সৈতে মঠত ৰখা হৈছে। যাৰে ইচ্ছা গৈয়ে গৈ এই মঠ চাব পাৰে। বঙ্গালীয়ে গুণীৰ গুণৰ পূজা কৰিবলৈ শিকিছে। অসমীয়াৰ শিক্ষিত সম্প্ৰদায়ে মহাপুৰুষ শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা থানত কিবা কৰ্ত্তব্য আছে বুলি ভাবেনে? প্ৰসিদ্ধ মঠবিলাকত প্ৰতিদিন গধূলি কঙ্গালী ভোজন কৰায়। মঠবিলাকৰ জগন্নাথ মন্দিৰৰ লগত সম্বন্ধ আছে, এই নিমিত্তেই মঠবিলাকৰ দেৱোত্তৰ মাটি-বাৰী আছে। মঠবিলাকে প্ৰতিদিন পালে পালে জগন্নাথ মন্দিৰত ফুল, তুলসী, চন্দন আদি যোগাব লাগে। আৰু মন্দিৰত যেতিয়া [illegible] হয়, যাৰ যেনে পূৰ্ব্বৰপৰা বন্দৱস্ত সেইমতে সহায় কৰিব লাগে।

জগন্নাথ মন্দিৰত প্ৰতিদিন ৫৬ বিধৰ ৭টা কৈ তলত লিখামতে ভোগ হয়।

১। ৰাতিপুৱা — বাল্যভোগ — ফলমূলাদি
২। দুপৰীয়া — ৰাজভোগ
৩। আবেলি — ছত্ৰভোগ
৪। গধূলি — মধ্যাহ্নভোগ
৫। ৰাতি ৯ বজাত — সন্ধ্যাভোগ
৬। ৰাতি ১২ বজাত — বৰ শৃঙ্গাৰভোগ
৭। ৰাতি ১ বজাত — বাল্যভোগ — ফল-মূলাদি

ৰাজভোগ, ছত্ৰভোগ, আৰু মধ্যাহ্নভোগৰ কথা আগতে কোৱা হৈছে। বাকী ৪টা ভোগৰ ৰাজভোগ, ছত্ৰভোগ মধ্যাহ্নভোগ তিনিওটা ভোগ ভঁৰালৰ পৰা সানমিহলি হৈ তৈয়াৰ হয়, সেইদৰে ভাগো হয়; কিন্তু এই ৪টা ভোগ কম পৰিমাণেহে হয়। দৈনিক ভোগৰ সকলো সামগ্ৰী গৈ মন্দিৰৰ ভঁৰালত জমা হয়। ভঁৰালৰ বাবে আৱশ্যকীয় সকলোবিধৰ কৰ্ম্মচাৰী আছে। এই ভঁৰালৰ পৰা হিচাপ কৰি ভোগ তৈয়াৰ কৰিবলৈ দিয়ে।

"পাকশালা" এটা প্ৰকাণ্ড ৰান্ধনিঘৰ, এই ঘৰৰ বাহিৰলৈ ওলোৱা সোমোৱা মাত্ৰ এখান দুৱাৰ। ৭৫২টা চৌকা আছে বুলি কয়। ৭৫২ চৌকা থকা একো অসম্ভৱ নহয়। চৌকাবিলাক এৰুকুমান ওখ। প্ৰত্যেকটো চৌকাতে ১০।৮ টা কৈ চৰু বহোৱা বিন্ধা আছে। চৌকাবিলাকত খৰিৰে জুই ধৰে, ভোগ ৰান্ধিবলৈকে দিনে ভালেমান টকাৰ খৰি খৰচ হয়। ভোগ ৰান্ধোতে কেৱল মাটিৰ বাচন ব্যৱহাৰ হয়। ভোগ ৰান্ধিবৰ নিমিত্তে ৭৫২ জন পাণ্ডা আছে বুলি কয়। পাকঘৰৰ ভিতৰৰ পৰা চৌলৰ বাহিৰলৈকে নলা আছে, ভাতৰ নিসনি আদি কাঢ়িলে এই নলাইদি বাহিৰলৈ ওলাই যায়। ভোগ "অন্নপূৰ্ণাই নাৰান্ধে।" জুই-পানীৰ সহায়েৰে পাণ্ডায়ে এই ভোগ ৰান্ধে।

ভোগ ৰান্ধি জগন্নাথৰ আগত দিয়াৰ পাছত এই ভোগকে "জগন্নাথৰ প্ৰসাদ" কয়। জগন্নাথৰ প্ৰসাদ পবিত্ৰ। কোনোৰকমে অশুচি বা অপবিত্ৰ হব নোৱাৰে। এই প্ৰসাদৰ লগত দেশ-কাল-পাত্ৰভেদ একো নাই। চণ্ডালে স্পৰ্শকৰা প্ৰসাদ বামুণ মহন্তই অনায়াসে খাব পাৰে। এই প্ৰসাদ খাওঁতে বামুণ, শূদিৰ গোঁসাই মহন্ত সকলোৱে চোৱা-চুই কৰি একে ঠাইতে খাব পাৰে, কোনেও কাৰো জাত ধৰ্ম্ম কৰিব নোৱাৰে। শ্ৰীশ্ৰীজগন্নাথক্ষেত্ৰলৈ গৈ সনাতন ধৰ্ম্মৰ এনে উদাৰ আৰু মহৎ শিক্ষাৰ দ্বাৰাই নিজক উন্নত আৰু পবিত্ৰ কৰি, তাৰ পৰা ঘূৰি আহি ঘৰত আকৌ জাত্যাভিমানৰ শ্ৰুতিধান মেলি, নিজক তোঁ তোঁ বোলাই ফুৰি, এই ধৰ্ম্মৰ কিমানদূৰ মৰ্য্যাদা ৰক্ষা কৰে তাকেহে ভাবি পোৱা টান। এই প্ৰসাদৰ বিষয়ে কীৰ্ত্তনত আছে—

"মহা প্ৰসাদত যত্ন এৰিবা বিচাৰ।
নাহি কিঞ্চিতেকো যেন ভ্ৰমৰ বিকাৰ॥
অন্ত্যবৰ্ণে হীনবৰ্ণে যিতো অন্ন ছোৱে।
তাক ভুঞ্জি সমস্ত পাতকে মুক্ত হোৱে॥
নাহি কাল নিয়ম ব্ৰতত দোষ নাই।
পাইলে মাত্ৰে খাইলে অন্ন তেবে মোক্ষ পায়॥"

আনন্দ বজাৰ আৰু বাটে-ঘাটে পুৱা-গধূলি জগন্নাথৰ প্ৰসাদ বিক্ৰি হয়। তাৰ দুখীয়া তৰপৰ মানুহ আৰু পাণ্ডাৰ ঘৰত প্ৰায়ে চৌকা নজ্বলে, জগন্নাথৰ প্ৰসাদ কিনি খায়ে তৰে। দূৰ দেশলৈ নিবলৈ শুকান প্ৰসাদো বিক্ৰি হয়।

যাত্ৰীবিলাকে পাণ্ডাৰ ঘৰতে প্ৰসাদ পায়। জগন্নাথৰ মন্দিৰত যাত্ৰীক প্ৰসাদ খুউৱা নিয়ম নাই। কোনোৱে কঙ্গাল বামুণক জগন্নাথ মন্দিৰত কাঙ্গালী ভোজন কৰায়। এই কঙ্গালবিলাকে শুদা মজিয়াতে ভোগ লৈ খায়। কিন্তু এনেকৈ ভোগ খোৱাৰ একো ধৰা-বন্ধা নিয়ম নাই, যাৰ যেনে ইচ্ছা কোনো পাত্ৰত লৈও ভোগ খাব পাৰে। মঠবিলাকত কঙ্গালী ভোজন কৰোৱাৰ বাহিৰে জগন্নাথ মন্দিৰৰপৰা জগন্নাথবল্লভত প্ৰতিদিন এবেলাকৈ কঙ্গালী ভোজন কৰায় আৰু অনাথ আশ্ৰমকো এবেলা খুৱায়।

আগেয়ে শুনা আছিল—জগন্নাথলৈ গলে মন্দিৰৰ এখান চোতালত সকলোৱে একেলগে বহি [illegible] মজিয়াতে প্ৰসাদ খাব লাগে। যাত্ৰীৰ পক্ষে কথাটো সঁচা নহয়।

জগন্নাথৰ পূজা ৰাতিপুৱা, ৬ বজাত আৰতি ৭ বজাত স্নান, ৮ বজাৰপৰা দৰ্শন। দৰ্শন-যাত্ৰী কম থাকিলে এঘণ্টা কি দুঘণ্টামানহে পায়, বাকী সময়ত দুৱাৰ বন্ধ থাকে। প্ৰত্যেক ভোগতে আৰতি হয়।

বছৰৰ ভিতৰত তলত লিখামতে জগন্নাথ মন্দিৰত উৎসৱ হয়।

১। বহাগ মাহত চন্দন-যাত্ৰা, চন্দন-পুখুৰী বা নৰেন্দ্ৰ-সৰোবৰত ২১ দিন নাও খেলা হয়। এই খেলত লক্ষ্মী, সৰস্বতী, মদনমোহন আৰু পঞ্চপাণ্ডৱ থাকে।

২। জেঠ পূৰ্ণিমাত স্নান-যাত্ৰা; জগন্নাথক বাহিৰত স্নানমণ্ডপত গা ধুৱায়। তাৰ পাছত ১৫ দিন দৰ্শন বন্ধ।

৩। আহাৰ—ৰথ-যাত্ৰা।

৪। ভাদ—আহাৰৰ শেহৰ পৰা ৭ দিন ঝুলন-যাত্ৰা।

৫। আহিন—দুৰ্গা পূজা; মানুহৰ ঘৰে ঘৰে এশমান দুৰ্গা প্ৰতিমা তৈয়াৰ হয়, মন্দিৰত কেৱল বিমলা দেৱীৰ পূজা হয়।

৬। কাতি—জগন্নাথৰ ৰাধা দামোদৰ ভেশ ২১ দিন, ৰাজভেশ ৫ দিন।

৭। আঘোণ—ওঢ়নষষ্ঠি; জগন্নাথক গৰম কাপোৰ পিন্ধায়—মাঘৰ শ্ৰীপঞ্চমীলৈকে।

৮। পুহ—পুষ্যাভিষেক—পূৰ্ণিমা দিনা।

৯। মাঘ—মকৰ সংক্ৰান্তি শৃঙ্গাৰ, নতুন চাউলৰ ভোগ।

১০। ফাগুন—দোল পূৰ্ণিমা,—এদিন।

কলেৱৰ ত্যাগ—বাৰ বছৰত একেলগে দুটা আহাৰ মাহ পৰিলে "চিৰঙ্গফিতা" অৰ্থাৎ জগন্নাথৰ পুৰণা সাজ-পোছাক পেলাই নতুন সাজ দিয়ে। ২৪ বছৰত দুটা আহাৰ মাহ একেলগে পৰিলে 'কলেৱৰ ত্যাগ'—জগন্নাথৰ পুৰণা মূৰ্ত্তি গুচাই নতুন মূৰ্ত্তি সজা হয়।

উৎসৱবিলাকৰ ভিতৰত ৰথযাত্ৰাই বিশেষ উল্লেখযোগ্য। ৰথযাত্ৰাৰ সময়ত পুৰীত মানুহেৰে লোকাৰণ্য হয়। জেঠ পূৰ্ণিমাৰ পৰা আহাৰৰ ১৫ দিনলৈকে ৰথযাত্ৰাৰ মহোৎসৱ। জগন্নাথ, বলোৰাম, সুভদ্ৰা প্ৰত্যেকৰ নিমিত্তে প্ৰতি বছৰে নতুনকৈ তিনিখন ৰথ তৈয়াৰ হয়। সুভদ্ৰা দেৱীৰ পদ্মধ্বজ ৰথ মাজত, দক্ষিণে বলোৰামৰ তালধ্বজ ৰথ, বামে শ্ৰীশ্ৰীজগন্নাথদেৱৰ গৰুড়ধ্বজ ৰথ। যিবিলাক মানুহৰ সহায়েৰে ৰথ টনা হয় সেইবিলাকক "দৈতা" কয়। দৈতাসকল "সবৰ" জাতি অৰ্থাৎ শূদ্ৰ। এই দৈতাসকল ৫০।৬০ ঘৰমান পূৰ্ব্বৰপৰা এই কামৰ নিমিত্তেই আছে। জেঠ পূৰ্ণিমাৰপৰা ৰথযাত্ৰাৰ শেহলৈকে এমাহ জগন্নাথৰ সেৱা-শুশ্ৰূষা কৰে আৰু ৰথ টানে। এই মাহ জগন্নাথ মন্দিৰত দৈতাসকলৰ একচেতিয়া প্ৰভুত্ব বুলিব পাৰি। এই মাহত জগন্নাথ মন্দিৰত যিমান আয় হব টকা-পইচাৰপৰা বহুমূল্যৰ বস্তুলৈকে সকলো আয় দৈতাসকলেই পায়, ইয়াৰ ভাগ ৰজা বা পাণ্ডাই এক পইচাও পাব নোৱাৰে। সেই সময়ত জগন্নাথ-মন্দিৰত কম আয় নহয়, যি সময়ত প্ৰায় দহলাখমান যাত্ৰীৰ সমাগম হয়। এই সময়তে শ্ৰীশ্ৰীজগন্নাথ প্ৰভুক সকলোৱে চুব পাৰে। জগন্নাথ মন্দিৰৰপৰা ৰথ টানি গুণ্ডিচাবাৰীলৈ নিয়া হয়। গুণ্ডিচাবাৰী জগন্নাথ মন্দিৰৰ পৰা এমাইল। জগন্নাথ মন্দিৰৰ পূব দুৱাৰৰপৰা গুণ্ডিচাবাৰীলৈকে বৰ বহল এটা বাট আছে। আন সময়ত এই বাটৰ দুই পাৰে দোকান বহে। গুণ্ডিচাবাৰীত ৭ দিনলৈকে জগন্নাথ থাকে, এই সময়ত গুণ্ডিচাবাৰীত বিশেষৰকমে ডাঙৰকৈ ৭ দিন ভোগ হয়। গুণ্ডিচাবাৰীতো পাকশালা আছে, ইয়াৰ

পাকশালাতো ৭৫২ টা চৌকা আছে ; এই সময়ত ৭৫২জন পাণ্ডাই ভোগ ৰান্ধে। ঘুম্ঘুচাবাৰী চাবলগীয়া ঠাই। প্ৰকাণ্ড টোলৰ ভিতৰত ঘৰ। গোটেই টোলটো পকাৰ ওখ দেৱালেৰে ঘেৰা, টোল গোটেইটো শিলেৰে বন্ধোৱা। ৰথযাত্ৰাৰ সময়ত ১৫ দিন মেলা হয়।

ঘুম্ঘুচাবাৰীৰ ওচৰতে ইন্দ্ৰদ্যুম্ন সৰোবৰ। এই ঠাইতে বোলে ইন্দ্ৰদ্যুম্ন মহাৰজাই অশ্বমেধ যজ্ঞ কৰিছিল। পুখুৰীৰ গোটেই পাৰ শিলেৰে বন্ধোৱা, দীঘলে ৪০৬ ফুট বহলে ৩৯৬ ফুট। আজিকালি এই সৰোবৰৰ পানী অপৰিষ্কাৰ, ইয়াত ডাঙৰ ডাঙৰ কাছ আছে, মাতিলে পাৰলৈ আহে। পাণ্ডাই কুৰ্ম্ম অৱতাৰ কাছ দেখুৱাই যাত্ৰীৰ পৰা পইচা লয়।

ইয়াৰ বাহিৰেও জগন্নাথক্ষেত্ৰত ভালেমান তীৰ্থ ঠাই আছে। বিশেষ উল্লেখযোগ্য যেনে মাৰ্কণ্ডেয়, লোকনাথ, নীলকণ্ঠ, তোটাগোপীনাথ, শ্বেতগঙ্গা, জম্বেশ্বৰ, কপালমোচন ইত্যাদি।

লোকনাথ, মহাদেৱৰ মন্দিৰ, জগন্নাথ মন্দিৰৰপৰা পশ্চিমে এমাইল। লোকনাথৰ ফল-মূলৰ ডাঙৰ বাৰী আছে। ইয়াত ভালেমান বান্দৰ আছে, যাত্ৰী গলে বস্তু খাবলৈ পাছে পাছে ফুৰে। ইয়ালৈ কোনোৱে খোৱা বস্তু লৈ গলে বান্দৰৰ ধেমালি চাব পাৰে। শিৱচতুৰ্দ্দশী শিৱৰাত্ৰিৰ দিনা লোকনাথৰ দিনে-ৰাতিয়ে মেলা বহে। ইয়াত হৰেকৰকমৰ দোকান-পোহাৰ আৰু ৰঙ-ধেমালি হয়। এই মেলাত প্ৰায় ৬।৭ হাজাৰমান যাত্ৰীৰ সমাগম হয়। এই মেলাত উৰিয়াৰ ওজা গোৱা দেখিবলৈ পোৱা যায়, আসামৰ ওজা গোৱাৰ লগত মিলে। পোছাক আমাৰ সূত্ৰধাৰীৰ লগত একে। লোকনাথৰ ওচৰতে এটা কুষ্ঠাশ্ৰম আছে। এই কুষ্ঠাশ্ৰমত ভালেমান কুষ্ঠৰোগী থাকে।

ইয়াৰ বাহিৰেও নৰেন্দ্ৰসৰোবৰ বা চন্দনপুখুৰীৰ পাৰত এখন অনাথ আশ্ৰম আছে, এই আশ্ৰমত অনাথ লৰা-ছোৱালীবিলাকক পোহপাল, লেখাপঢ়া আৰু কামবন শিকায়। ইয়াত সুন্দৰ সুন্দৰ চত্‌ৰঞ্চি, দলিছা, কাপোৰ-কানি তৈয়াৰ হয়। ই ভূতপূৰ্ব্ব মেনেজাৰ ৰায় বাহাদুৰ চখিচান্দৰ এটা সজ কীৰ্ত্তি।

জগন্নাথক্ষেত্ৰৰ বাহিৰেও উৰিষ্যাত আৰু তীৰ্থঠাই আছে। প্ৰধান তীৰ্থ ভুবনেশ্বৰ—ভুবনেশ্বৰ ষ্টেশ্যনৰ পৰা এমাইল। সাক্ষীগোপাল—সাক্ষীগোপাল ষ্টেশ্যনৰ পৰা এমাইল। চন্দ্ৰভাগা (অৰ্কতীৰ্থ) সূৰ্য্যদেৱৰ মন্দিৰ গৰুৰ গাড়ীৰে পুৰীৰ পৰা ৩০ মাইল। আলৱনাথ (ৰাধাকৃষ্ণৰ মন্দিৰ) পুৰীৰ পৰা ১৪ মাইল। বৈতৰণী নাভিগয়া—বৈতৰণী ষ্টেশ্যনৰ পৰা ৪০ মাইল (কটক)।

পুৰী বা জগন্নাথক্ষেত্ৰ বালিময় ঠাই। যদি পুৰীত মানুহৰ বসতি নহলহেতেন তেনে পুৰী এখন প্ৰকাণ্ড মৰুভূমিৰ দৰে হলহেতেন। পুৰীত নাৰিকল, তালগছ খুব বেছি। সাগৰফেনা, ঝাওগছ আৰু পুনাঙ্গফলৰ গছ সকলো ঠাইতে দেখা যায়। পুনাঙ্গফলৰপৰা চাকি জ্বলোৱা তেল হয়, তাৰ মানুহে এই তেল ব্যৱহাৰ কৰে। আম, কঠাল, আন ফল-মূলৰ গছ আছে যদিও তাৰ ফল মানুহে ভোগ কৰিবলৈ পায় বুলি বিশ্বাস নহয়, কাৰণ পুৰীত বান্দৰ আৰু হনুমানৰ সংখ্যা বৰ বেছি।

সেইফালে বছৰত তিনিবাৰ ধান খেতি কৰে। "দালুৱা ধান"—(আহুধান) মাঘত ৰোৱে, বহাগত কাটে। "বিয়ালী ধান"—বহাগত ৰোৱে, ভাদত কাটে। "চাদৰ ধান" (শালি) বহাগত ৰোৱে, পুহ-মাঘত কাটে। ইমান খেতি কৰে বুলিও মানুহৰ অৱস্থা স্বচ্ছল নহয়। ইমান মগনিয়াৰ আৰু কঙাল আন দেশত আছেনে নাই কব নোৱাৰি। পুৰীত লোকসংখ্যা ৫৬ হাজাৰ, মানুহৰ ঘনবসতি। সাধাৰণ মানুহৰ ভিতৰত গোধা ৰোগেই বেছি। ইমান গোধাৰোগী বোধকৰো আন কোনো দেশতে নাই। শিক্ষা, ব্যৱসায়-বাণিজ্যত অসমীয়াৰ দৰেই উৰিয়া পাছপৰা।

পুৰীত অসমীয়া তীৰ্থবাসী—

নগাঁৱৰ শ্ৰীযুত মদনচন্দ্ৰ শৰ্ম্মা তেওঁৰ সহধৰ্ম্মিনীৰে সৈতে পুৰীত তীৰ্থবাসী হৈ আছে—তোটা গোপীনাথ, পুৰী। আৰু নগাঁৱৰ হয়বৰ গাঁৱৰ ৺বলৰাম বেপাৰীৰ বিধৱা কন্যা—শ্ৰীযুক্তা বিন্দুবাসিনী বৰা, তেওঁৰ ঠিকনা মাটীমণ্ডপচাহি, পুৰী।

উৰিয়া ভাষাত "তোটা" মানে বাগিচা। গোপীনাথৰ মন্দিৰ এখন ফল-ফুলৰ বাগিচাৰ ভিতৰত আছে, এইবাবে এই মন্দিৰক তোটা গোপীনাথ কয়।

"চাহি" মানে— পাড়া, পট্টি।

শ্ৰীমহিমচন্দ্ৰ সিংহ

বাটৰুৱা

(১)

মোৰ এতিয়া বয়স আঠৈকুৰিৰ ওপৰ। থাকো আমোলাপটিৰ ওচৰতে নিজা সৰু ঘৰ এটিত। অকলশৰীয়া প্ৰাণী, ভালপালো এসাজ গুদাই-নিকাই খালো, নাখালেও কোনেও সোধোতা নাই। ক্লাবৰ পিনে গলে কেতিয়াবা বন্ধুইতে ৰহইছ্ কৰে—"পিছে ডাক্তৰ বাবুক এটিৰে বিয়াকে দিওঁ দিয়া ধৰি। হল বুলি বংলা ভাতকে খাই থাকিবনে! এতিয়াও কেবছৰমান আছে!" "কেবছৰমানত" ধুৰ্ত্তইতে ঢোহা দি কয় দেই—মই যেন নুবুজোহে! "হেঃ কে-এ-লে-হ নকৰান, পিছত কইনা বিচাৰি দেশ ভোমাবিবলৈ ওলাও হে বুলিছো।"

ই তাহানিখনৰে কথা।—ছোৱালীটিৰ বৰণ তেনেই কলা, মুখখনি চিচা, চকুযুৰি চেপাউৰিৰে সৈতে দীঘলীয়াকৈ, চকুৰ ভিতৰেদি আকাশ দেখি, গাটো তেনেই দাহি। আমাৰ পদূলিৰ আগতে জপিয়াই ফুৰেহি—যেন হৰিণা পোৱালিটিহে। শ্যামলী আইকণ বুলি মাতিলে হাহি আঁতৰতে পলায়, কাষ চপাব নোৱাৰো .... । কেবছৰমান গল। মোৰ মনত কিন্তু শ্যামলীৰ সেই চকুযুৰি তৰা জিলিকাদি জিলিকি থাকে। এদিন ভাবিচিন্তি মোৰ এজন বিশিষ্ট বন্ধুৰ হতুৱাই কাকতীদেৱক মই শ্যামলীৰ পাণিপ্ৰাৰ্থী বুলি জনালো। তেওঁ বিশেষ একো হো নো নকলে। কিন্তু পিছত ঘুনুক-ঘানাককৈ শুনিবলৈ পালো বোলে মই সূতকুলীয়া হৈ তেনেকৈ ধৰাটোৱেই ভুল হৈছিল। মোৰ ভ্ৰম ভাগিল,—কিন্তু ভুল কোনখিনিত হল ভাবি নাপাওঁ দেখোন, এতিয়াও। হক মোৰে ভাগ্যদোষ বা জন্মদোষ। মই সূত, সকলোতকৈয়ে সৰু, মোৰ মূৰৰ ওপৰতেই ভিৰ দি তেওঁলোক ওখ হৈ থাওক। হেঃ বুজিছানে নাই?—আমি সৰুকেইটা নাথাকিলে ডাঙৰসকল ডাঙৰ হব কেনেকৈ! অৱশ্যে এইবোৰ এতিয়াহে মনৰ ভাব, সেই সময়ত হলে কথাষাৰ শুনিয়েই লাজত, ধিক্কাৰত, সৰ্ব্বাঙ্গ জ্বলি গৈছিল। তপত চকুলো দুয়ো গালেদি বৈ গৈছিল—দাহত—প্ৰেমৰ পোৰণিত নহয়। হিয়াৰ তন্ত্ৰীত সেই সুকোমল সুৰ ফুটি উঠিবলৈ নৌপাওঁতেই নিকৰুণ তানে সোপামাৰি ধৰিলেহি।

কেমাহমান গল। হঠাৎ এজনে আহি খবৰ দিলেহি বোলে শ্যামলীৰ বৰ অসুখ, এতিয়াই কাকতীয়ে মোক মাতি পঠিয়াইছে। মই ততাতৈয়াকৈ গলো, কাকতীৰ মুখ ডাৱৰে ঢকা, "আহক" বুলি ভিতৰলৈ মাতি ৰোগীৰ কাষ পোৱালেগৈ। অৱস্থা দেখি মনটো চিৰিংকৰে উঠিল। চিং হৈ পৰি আছে, গাটো বগা ধনিয়া এখনেৰে ঢকা। চুলিকোচা আউলি-বাউলি হৈ, এসোপা হৈ দুয়োখনি গাললৈকে ঢাকি পৰিছে, মাজতে সেই চকাটিৰ দৰে মুখখনি। দেখিয়েই বুজিব পাৰিলো জ্বৰৰ প্ৰকোপ ক্ৰমাত বাঢ়িব লাগিছে—ইমান ক্ষীণ মুখখনিতো এটা তেজৰ ৰাঙলী আভা হৈছে। মই থিতাতে ছুল এখনত বহি পৰিলো। মোলৈ এবাৰ চকু ফুৰাই চালে শ্যামলীয়ে—পিছত মুৰটি একতীয়াকৈ বেৰৰ পিনে একেথৰে চাই ৰল। সেই বেদনাকাতৰ চকুযুৰিয়ে এতিয়াও মোক বুকত শেল মাৰি থৈ যায়! হাতখন উলিয়াই নাড়ী চালো, মোৰ হাতখনো থৰক-বৰক কৰিবলৈ ধৰিলে। কথমপি তত ধৰিলো—নাড়ী বৰ প্ৰবল। কেবাদিনৰেপৰা এনেকৈয়ে ভুগিব লাগিছে বোলে। মোকনো আগেয়ে খবৰ দিব নাপায় নে? ইমানেই নিঃকিননে,—আপদৰ কালতো মোৰ আশাৰ লাতিকাক আপডাল কৰিবলৈ বিধান মিলায়!

মই উঠি গৈ বাহিৰত বহিলো,—কাগজ এখিলাত ঔষধৰ তালিকা এটা লেখিলো। মনটো বৰ থু-থুৱাবলৈ ধৰিলে, ঠিক নহল হবলা। কাগজখিলা ফালি পেলালো, আন এখিলাত লেখিব ধৰিলো। আধা লেখি আকৌ ফালি পেলালো। কি কৰো—"এতিয়া ইয়াকেই খুৱাওক, মই কিত্যপ-পত্ৰ চাই আন এটা ঔষধ পঠাই দিম। নিয়ম মতে খুৱাব, মই যাওঁ"—এই বুলি ঔষধ এটা লেখি দিলো।

মই উঠিলো। "ডাক্তৰ বাবু ধৰকচোন" বুলি কাকতীয়ে টকা চাইটা লৈ হাত মেলিলে। মোৰ মূৰ ঘূৰি গল, ভাবিলো 'আপোনটো হোৱা হলে মোক এনে বেজাৰ দিলিহেতেন নে?' কুটাই কৈ পেলালো "ক্ষমা কৰিব ডাঙ্গৰীয়া, আপোনাৰ টকা চাইটাই মোক নতৰায়। মই এতিয়াই আহিম।"

সেই অঞ্চলত ময়েই এটা মাথোন ডাক্তৰ। এতিয়া ৰোগী চিকিৎসা কৰিব লাগে মই, মোক চায় কোনে! • • • পদুলি মুখৰে পৰা কান্দোন শুনি উধাতু খাই সোমাই গলো। কাকতীয়ে মোক দেখিয়ে উত্ৰাৱল হৈ কবলৈ ধৰিলে "হে ডাক্তৰ বাবু, চাওকহি ঐ, মোৰ চকুৰ মণি খিতাতে হেৰুৱাও যেন পাওঁ। হে মোৰ মি[illegible]াগে তাকেই নিবা ঐ মোৰ বাছাক জীয়াই দিয়া।" বিচুতি খাই সোমাই গৈ চাওঁ ঘোৰ সান্নিক চৰিছে! পোৰণিত উচাত-বিচাত কৰিব লাগিছে। চকুৰ জেউতি কমি আহিছে। তেনেই আহৰিয়ে হল দেহি! অৱস্থা দেখি চাৰিওপিনে ধোঁৱাকোৱা দেখিব লাগিলো। এতিয়া মোক গতালেনো কি হব! মই ক্ষুদ্ৰ কীটানুৱে সৰ্ব্বগ্ৰাসী নিয়তিৰ কবলৰ পৰা নো কি সাধ্যে বান্ধি ৰাখিম! • • শ্যামলীয়ে সেই অস্থিৰতাৰ মাজতে এবাৰ মোলৈ চাই কলে "নোৱাৰিব নহয়। তুমি সূতকুলীয়া নহয়।" শ্যামলি, শ্যামলি, তই কি কলি! তোৰ বুকুৰ এচুকত মোক নজনাকৈয়ে ঠাই দিছিলি!—হায়! হায়! মই এতিয়াহে মৰিলো,—নিচেই মৰিলো। • •

যি হবৰ হল। নিজানৰফুল পাহি ভালকৈ নৌ ফুলিবলৈ পাওঁতেই মৰহি গল! শোকে মোক সৰ্ব্বশৰীৰ গ্ৰাস কৰি ধৰিছিল। বহুত দিন হৈ গল আজি—সেই কথা। কিন্তু মই দুৰ্ভগীয়া বুঢ়াই আজিলৈকে সেই বিষাদৰ টোপোলাটি ভাৰ বৈ ফুৰিবলৈকে আছো। তেতিয়া মোৰ পাহৰণিৰ বয়স উকলি গৈছিল— দেৰকুৰিৰো ভাটীত।

এয়ে মোৰ সপোনৰ প্ৰেমৰ কাহিনী। মই এতিয়া পথাৰৰ মাজৰ অকলশৰীয়া গছজোপাৰদৰে। ৰ'দ, বৰষুণ, সংসাৰৰ ধুমুহা কত বৈ গল! আৰু কত যাবলৈ আছে! কেতিয়াবা ৰেৰ্মুণ শীতল কৰি পঠোৱা কৰবাৰ মলয়া এচাতিয়ে ডাল-পাত লৰাই যায়হি। কেতিয়াবা কাচিৎ সেই নীলকান্ত মণিৰদৰে চকুযুৰিলৈ এতিয়াও মনত পৰে;— মকৰ বতাহ এচাতি মোৰ বুকুৰ মাজেদি হাঁয়, হাঁয় কৈ বৈ যায়। কিন্তু সেই আগৰদৰে চেওলুটি খাই ফুৰিবৰ দিন আজি মোৰ নাই— তালৈকো তেজৰ সোঁত খৰকৈ বব লাগে, গাত সমৰ্থ হব লাগে। মই যে জুয়েও পুৰিব নোৱৰা গাঁঠিয়ন কাঠ। • •

যি দিবৰ আছিল, তাকেই দিলো,
নাই আৰু একো দিবলৈ।

(২)

'বুঢ়া হলে বৰ কথকী হয়, ময়ো বাদ নপৰো। "এঃ কথাৰ লাগ-বান্ধ নাই দেখি দিগ পাইছা নে কি? ৰবাচোন অকণমানি[illegible]বুঢ়াৰ কথাই এনেকুৱা—তোমাৰো সময় আহিব, তেতিয়া বুজিবা।'

শুনি আহিছো বোলে, 'সংসাৰ মায়াময়,— অসাৰ, প্ৰহেলিকা মাত্ৰ।' বৰ টান টান শব্দবোৰ, বুজিবকে নোৱাৰো। যেয়ে ইয়ালৈ পিঠি দিব পাৰিব সেয়ে মুক্ত পুৰুষ! কেনেকৈনো মই এনে নিৰালম্ব ভাৱ ধৰো? মায়াতে উৎপত্তি, মায়া কেনেকৈ এৰো! যেতিয়া ভৰদুপৰীয়া গছৰ জোপত সোমাই পখীটিয়ে লগৰীৰে সৈতে কিৰাকিৰি কথা কৈ থাকে,— গছৰ ছাঁতে বহি জিৰাওঁতা মই পথিকে কেনেকৈনো তন্দ্ৰা নোযোৱাকৈ থাকো? নিদাঘে যেতিয়া জগতলৈ ৰৌদ্ৰ কটাক্ষপাত কৰে,— মই অসহায় বুঢ়াৰো মূৰত খং ৰশ্মিজাল বৰষে, কি সত্তেৰেনো মই ফটিকজল একেৰি পায়ো পিয়াহ নপলোৱাকৈ থাকো! গধূলিৰ ফুৰফুৰকৈ বলা বতাহ ছাতি,—মোকে সুত লগাবলৈ নীল আকাশৰ জোনালী হাঁহিটি,— মোকে উধাও কৰি কোনোবা কল্পনা ৰাজ্যলৈ নিবলৈ। আৰু সেই বাৰিষাৰ গুৰু ঘন গৰ্জ্জন,— মোকেই দিঠকলৈ ওভটাই আনিবলৈ! তেনেহলে কিয়নো মই এই পলক-চঞ্চল মায়া উৎসন্নত প্ৰাণ ঢালি নিদি জড় পদাৰ্থ হৈ থাকিম! কেলেই কাণত খিলা দিবা, কেলেই চকুত কাপোৰ বান্ধিবা?— সৌৱা চোৱা বিশ্ব-প্ৰকৃতিয়ে আনন্দতে বিহ্বল হৈ ওভটগোৰে নাচিব লাগিছে, তোমাকো হাতবাউল দি মাতিব লাগিছে!

হওঁতে তোমালোকৰ ডেকাতেজৰ নিচিনাকৈ চপলিয়াই ফুৰিবৰ শক্তি নাই, কিন্তু সেইবুলি সংসাৰ-বিবিধৰ তলত ধপাত এচিলিমকে লাহে লাহে হুপি জুৰ লবলৈ কোনেও মোক হকা-বধা দিয়া নাই। সেইহে বৈছো বোলো "আমাৰ হলে বোপাই মায়াজয়ী পৰমহংস হবলৈ আকাঙ্ক্ষা নাই। আমি "মুক্তিত নিস্পৃহ" বিধৰ হে। আমি মহাদেউ নহও যে "মহাযোগ বলে শুদ্ধ কৰি আছো কায়া। ব্ৰহ্মময় দেখো কি কৰিব পাৰে মায়া॥" বুলি দন্তালি মাৰি পিছত লটি-ঘটি হৈ মৰিবলৈ।

"আউলেক ব্যোম্ ব্যোম্।"— কোন ওঁ, এই দুপৰীয়া দিগ্ কৰিবলৈ আহিল। অ, এওঁ মায়ামুক্ত পুৰুষ, ভিক্ষা কৰিবলৈ আহিছে। কি কৰা যায়, মই[illegible] নাৰ্জ্জো মানেটো এৰাই নেৰে। ময়েই অৰ্থমনৰ্থৰ মায়াৰ পৰা মুক্ত হব লগাত পৰিলো। "হোঁ ধৰ!"— ইঃ কি কৰিলো, কটাই একেবাৰে চাৰি অনা সৰকালে! সেয়া, বাটত সি ব্যোম্ ব্যোম্ শব্দেৰে অৰ্থৰ মহিমা দিগন্তলৈ প্ৰচাৰ কৰি গৈছে। মোক বুঢ়া পাই ছল কৰিলে।

আবেলি হওঁ হওঁ হৈছে। বাহিৰত কাৰবাৰ মাত শুনা যেন কৰিলো। চাওঁগৈ— এজনী নিচেই চেৰেলী মানুহ মাটিতে বহি আছে। বয়স কুৰিৰ ওপৰ হব। গাৰ কাপোৰ ফাটি চিৰাচিৰ হৈছে, জাৰতে থকুপকুকৈ কঁপিছেও হবলা। মোক তাই দেখা নাই,— তললৈ মূৰটো দোঁ খাই আছে। মূৰৰ মলিয়ন জটবন্ধা চুলিবোৰ দোলৰ ওলমাদি দুয়ো গালৰ ওপৰেদি ওলমি আছে। "হেৰ কৰ মানুহ, কি লাগে?" তাই মূৰ নদঙাকৈয়ে কেৰাই কেৰাই মাত দিলে "দে-উ-তা ভি-খা-আ।" কথাষাৰ কথমপি কৈয়েই, তাই দেখোন মাটিত শুই পৰিল! থৰথৰকৈ কঁপিবলৈ ধৰিলে। মই কাষ চাপি চাওঁ-হে, যায়েই হবলা! নিৰুপায়ত পৰিলো। ভাল আপদে মোকহে বিচাৰি পাইহি! কি কৰো, নিজে ডাক্তৰ মানুহ হৈ এনে আলাই-আথানিকৈতো মাৰিব নোৱাৰি— তেহেলৈ যেয়ে হক। ওচৰতে থকা খোৱা মালীৰ ঘৰৰ পৰা দানখেৰ এসোপা আনি বাহিৰা ঘৰৰ একোঠালিতে পাৰিলো।— পিছত তাইক নিওঁ কেনেকৈ! অচেতন। কেকোজেকোকৈ দাঙি ললো।— উঃ, ৰাম ৰাম, গোটেই গাটো এনেহে গোন্ধাইছে! গাৰ ফটাকানিডোখৰো পুঁজপানীৰে তেনেই চেকুৰা-চেকুৰ! চকু-মুখ টিপি ত্ৰাহি-ত্ৰাহিকৈ কথমপি নি খেৰৰ ওপৰত থলোগৈ। প্ৰভু ইয়ালৈকেহে মোক ৰাখিছিলা!

"দেউতা, ইস্, কি কৰিলে, এইটো ক'ত সুমালেহি! এতিয়াই উলিয়াই দিয়ক। বৰ খাৰাপ মাইকী— দেখা নাইনে কি বেমাৰ হৈছে! এতিয়াই উলিয়াই দিয়ক। নহলে দেউতাৰ ইজ্জত নাথাকিব।"

"হেৰৌ বোপাই, পাৰোতেনো চপাই লৈছোনে? মোৰ কপাল। এটিন পানী আনচোন,— এইলৈকো, মোলৈকো।— আন বোপাই আন।" সি কিন্তু মানুহটো ভাল,— মোক অকলে বিমোৰত পেলাই চাই থাকিব নোৱাৰিলে। মানুহ জনী কেবানিনো জৰত বিচেষ্টা হৈ পৰি থাকিল। খোৱা মালী আৰু মই,— এই দুয়োৰো শুশ্ৰূষাত লাহে লাহে তাইৰ জ্বৰ কমি আহিল। ঔষধৰ গুণত থহকাৰুবোৰো ভটিয়াব ধৰিলে। এইদৰে এমাহমানৰ মূৰত তাইৰ মুখত জীপ আহিল। উঠি-লৰি ফুৰে,— কিন্তু নাযায়। যাবই বা বলৈ? আমি সেইটি আগেয়ে গম পাইছো।

অ, নামটো হেনো মায়ামতী!— এদিন তাই ৰ'দকাচলিতে আমনজিমনকৈ বহি আছিল। মোৰ হঠাতকৈ কথা এটা মনত খেলালে;— সুধিলো, "হেঁ। মায়া, তয়েই নহয় নে এবছৰমান হল এদিন বাটত মোৰ কাপোৰত ধৰি টানিছিলি?"— এঃ, তাই দেখোন কান্দিয়ে পেলালে! "দেউতা, মই পিশাচীৰ কথা কিয় উলিয়ালে দেউতা!— মোক কিয় জীৱদান দিলে দেউতা!— মই, পৃথিৱীৰ কলগ্ৰহ, মৰাহেতেনেই ভাল আছিল দেউতা ......।" ভাল নিৰুপায় হল— তাইৰ কান্দন-কাটন দেখি মই বুঢ়াৰো চকুপানী ওলাব খোজে দেখোন। যি হওক— চন্তালি, মই কিবা-কিবি তাইক বুজালো। তাইৰ কান্দোন একো-পধ্যে নাযায়। উচুপি উচুপি বহুত পৰৰ মূৰত হে নিচুকনি মানিলে। মই কলো, "চা মায়া, কিয় ইমান কান্দিছকাটিছ? সৌৱা চাচোন, সৌ বিলখন বদতে শুকাই তাৰ তলিখন কেনেকৈ ফাটি চিৰাচিৰ দিছে! সেয়ে আকৌ

বাৰিষাৰ কৰুণাধাৰা পালেই কুমলি উপচি পৰিব নহয়,—তাতেই আকৌ ভেঁটে কলি মেলিব নহয়!" লাহে লাহে ভালৰি হৈ এটা হুটাকৈ তাই কথা পাতিবলৈ ধৰিলে। তাই মোৰ মুখলৈ চাই এবাৰ কলে, "সেই,—সেই দিনাখন আপোনাক দিগ দিওঁতে, আপুনি মোৰ মুখলৈ যি দৰে চাইছিল, দেউতাৰ সেই চকুযুৰি মোৰ এতিয়াও মনত আছে।"—অলপ তলকামাৰি ভাবি আকৌ কলে—এটা এটাকৈ—"সেই চকুযুৰিয়েই ইয়ালৈকে মৰিবলৈ টানি লৈ আহিছিল।"

এতিয়াও সেই চকুযুৰি চলচলীয়া! এতিয়াও মলচা চকুলোৰ সাঁচে, ক্ষীণ, অতি ক্ষীণ, দুয়োখনি গালতে বিষাদ-প্ৰতিমা আঁকি থৈছে! এতিয়াও কান্দোন বিনাব লাগিছে—সেয়া!

'দয়া কৰা, দয়া কৰা তাপিত হিয়াক,
দুখুনীৰ দিৰলৈ একো নাই ঐ।'

(৩)

মায়াক বাৰীৰ একুকে বহা এটা কৰি তাতে থাকিব দিলো। গাঁৱৰপৰা ধান কিনি আনি চাউল-চিৰা খুন্দি বজাৰত বেচি যি দুই পইচা পায় তাৰেই পেট প্ৰবৰ্ত্তায়। মোৰ তালৈ আহিবলৈ হাক দিছিলো। তথাপি তাই চেগ চাই ইখন সিখন কৰাৰ চলেৰে আহি ধপাত এচিলিমকে লগাই মোলৈ আগবঢ়াই দিয়েহি। মই থং দেখুৱাওঁ, কিন্তু বৰ টানকৈ নহয় দেই,—জানোবা বেচেৰীয়ে বেজাৰ পাই নহায়ে হয়!

কেবা মাহো গল। এদিন খোৱা মালী আহি মোৰ আগত চুচুক্‌চামাক্‌ কৰিব লাগিছে। "বোলো মালি, হৈছে কি?" সি লাহেকৈ মাত লগালে, "দেউতাৰ এটা কথাত আজ্ঞা লবলৈ আহিছো। মোৰো বয়স ভাটী দিলেহি,—বিপদে-আপদে মুখত পানী এচলু দিবলৈ কেও নাই। সেইদেখি ভাবিছো দেউতাৰ অনুমতি পালে মায়াকে ঘৰখন গতাওঁ। দেউতাই বৰলাৰ ঘৰখন পাতি দিলে, গোলাম বেটী হালকে পাব।" হোঃ হোকৈ হাঁহি পেলালো, "হেৰৌ কৰ কি! তয়েই দেখোন ইজ্জত যোৱাৰ ভয়ত তাইক মোৰ ঘৰৰে পৰা উলিয়াই দিব খুজিছিলি। এতিয়ানো তোৰে ঘৰত সুমুৱাই ইজ্জতটো ক'ত থবি?" "নহয় দেউতা, সিও এটা কাল, ইও এটা কাল। দেউতাৰ কৃপাত তাই নতুনকৈ জনম পালে। মায়া আৰু আগৰ সেই মায়া নহয়। আৰু দেউতা মোৰো কথা এতিয়াহে ভাবি চাইছো;—অৱস্থা চাই ব্যৱস্থা।" মই পেটে পেটে বৰ ৰং পালো, কলো—মোৰনো কি কথা আছে? তইতৰ যদি মনে মনে মিলিছে (সি মিচিকিয়া হাঁহি এটা মাৰিলে) মোৰ হাক শুনিবলৈতো অহা নাই! তইতৰ সুখ হলেই মোৰো সুখ।" সি টুপুৰকৈ সেৱা এটা কৰিয়েই অন্তৰ্দ্ধান!

(৪)

মই ক[illegible] আকৌ দেশ ফুৰিবলৈ ওলালো—সোণকালে আৰু ঘূৰি নাহো বুলি ভাবিছো। দৰ্কাৰেই বা কি? মই অকলশৰীয়া মানুহ,—যতে ৰাতি ততে কাতি। সেয়ে মোৰ ঘৰ।

অকলশৰীয়াই বা বোলো কেনেকৈ? সেই বতাহ, সেই আকাশ, যলৈকে যাওঁ তাতেই মোক আবৰি আছে। মোৰ মনাই লগৰী মোৰ কাষতে। কত কি কথা পাতো দুয়ো,—বৰ কথকী সি! পিছত কথাৰহে একো লাগ বান্ধ নাই। মাজে মাজে থাকি থাকি বুকুতে লাগি থকা মোৰ সেই বিষাদৰ মানস প্ৰতিমাটিয়ে চল-চলীয়া চকুৰে মোৰ মুখলৈ ভুমুকিয়াই চায়। "কি হব মোলৈ চালে সোণাই, মোৰ চকুৰ নিজৰাটি কাহানিবাই শুকাইছে নহয়। শুকান কমুনিয়াহ এটিকে তোলৈ থৈছো, ল।"

বিচিত্ৰ এই সংসাৰ! কত দেশ-দেশান্তৰ ফুৰিলো! কত ধৰণৰ মানুহ দেখিলো—ৰজা, ধনী, ভিখাৰী, ফকীৰ সন্ন্যাসী,—কত ধূৰ্ত্ত, চোৰ, ডকাইত! কত দিন মোৰ নানা ঘটনা ঘটিল—কত হাঁহি-কন্দা মেল হল। এদিন এটাই ধৰি মোৰ জেপ কাটি যি পালে সোপাকে চুৰ কৰি নিলে। কেবা ঠাইতো আশ্ৰয় নাপাই গছৰ তলতে কটালো! কত সন্দেহ উঠিল আৰু মাৰ গল। কদাচিত বাটৰ কাষত বহি জিৰাওঁতে কোনোবা অচিনাকী বাটকৰাৰ চকুৰে চকুৰে পৰি পাহৰণিৰ কোনোবা নিভৃত দুৱাৰলৈ হেচুকি দি যায়। তন্দ্ৰা-আকুল মোৰ কাণৰ কাষত কোনোবাই যেন ফুচফুচাই কয় "এয়া, মই ভেশচনৰ ভিতৰতে লুকাই ফুৰিছো নহয়,—তুমি ধৰিবহে নোৱাৰা।"

"হয়তো প্ৰভু, তুমিয়েই বিশ্বৰ সকলো বস্তুতে বিৰাজিছা, আমি অন্ধলাই দেখিও নেদেখো। তুমিয়েই চিকুতটি মাৰি ৰং চাইছা,—আকৌ তুমিয়েই অসমৰ্থ হৈ চিকুতটি সতি চকুলো টুকিছা; তুমিয়েই আসুৰিক বল প্ৰকাশ কৰি প্ৰাণীক মৰ্দ্দিছা, আকৌ তুমিয়েই বৈকুণ্ঠৰ প্ৰেম-অমৃতৰ নিজৰা কাটি আনি তাপিতৰ প্ৰাণ শীতল কৰিছাহি। হয়, তোমাৰ অনন্ত গতিশীলা শক্তিক তুমি নচন্তালা। তোমাৰ নৃত্যশীলা মায়াত তুমিয়েই [illegible] অনন্ত কোটী ৰেণু-পৰমাণুৰূপে সিচৰতি হৈ পৰিছা।

তুমি সত্য ব্ৰহ্ম, তোমাতে প্ৰকাশে,
জগত ইটো অনন্ত।
জগততে সদা তুমিও প্ৰকাশা,
অন্তৰ্য্যামী ভগৱন্ত॥"

সুমধুৰ ধীৰ গুৰু ধ্বনি এটাই আনন্দ আৰু আশঙ্কাত হিয়া কঁপাই সমিধান দিছে যেন।

"অস্থিৰতাই মোৰ লক্ষণ। কালোঽস্মি—গতিশীল মোৰ অনন্ত শক্তি। মোতেই উত্তৱ হওঁ মই, নীলিম সমুদ্ৰৰ পৰা সৌ নানা বৰণীয়া মেঘৰাশি। ময়েই আকৌ আকাশৰ পৰা নামি আহি শৈলমালা বিদাৰণ কৰি শক্তি-কণিকাবোৰ ধুই উটাই নি ধৰণীক নতুন জীৱন বিলাওঁ। নতুন জীৱন-ৰস পাই ধৰিত্ৰীয়ে নানা শস্যাভৰণা শ্যামলা বনমালিনী হৈ মোৰেই মঙ্গল উৎসৱ পাতে। পিছে ময়েই আকৌ ঘূৰি-পকি গৈ গৈ সেই মহা সুনীলতে লীন যাওঁগৈ। মোতেই উদয় হওঁ, মোতেই অস্ত যাওঁ। আকৌ আহিম আকৌ যাম, অনন্ত কাললৈ। মই জগত!"

উচপ্‌ খাই দিঠকলৈ সাৰ পাই উঠো। "নাৰায়ণ নাৰায়ণ!" আকৌ খোজ লওঁ।

বিবিধ বিহাৰ, বিশাৰদ শাৰদ
ইন্দুনিন্দি পৰকাশী
শেষ শয়ন শিৱ 'ক্লেশ' বিনাশন
পীতবসন অবিনাশী॥

(৫)

আকৌ আজি কেবা বছৰৰো মূৰত ঘৰমুৱা হলো। মোৰ শৰীৰৰ অৱস্থা ভাল নহয়। মই নিজেই ডাক্তৰ। মোৰ কাল চমু চাপি আহিছে বুলি বুজিবলৈ আৰু বাকী নাথাকিল। কলিজাৰ স্পন্দন বৰ অনিয়মিত—মাজে মাজে এবাৰ দুবাৰ তাৰ ক্ৰিয়া পাহৰি বৈ যায়! থক সেইবোৰ কথা।

ঘৰ পালোহি। মালী আৰু ঘৈণীয়েক, দুয়ো আহি ভৰিত দীঘল দি পৰিল, আৰু চকুলো টুকিব ধৰিলে। অকলশৰীয়াকৈ পোৱা হলে মোৰো দুটোপামান চকুৰ পানী ওলালহেতেন,—কিন্তু ইহঁত হালৰ আগতে দুদিনৰ পিছত মৰিবলৈ ওলোৱা বুঢ়াটোৱেনো কান্দিব পাৰিনে?

আবেলি পৰ। মালীৰ আঢ়ৈ বছৰীয়া লৰাটোৱে কাঠখৰি এডোখৰ ডোলেৰে বান্ধি মোৰ চোতালতে টানি-আজুৰি লৈ ফুৰিছে। মই মাত দিলো,—"হেৰৌ বান্দৰ, তোৰ নামটো কি অ?" সি থমকি বৈ মোৰ মুখলৈ চাই থুন্থুক-থানাককৈ কলে, "মোই নাম, ভেট কয়ি।" "কি কৱ অ বান্দৰ, কি ভেটকয়ি?" সি কলে "আত্-তাই কৈথে সৌ শুকান বিয়ৰ ভেট কয়ি।"—অ, দেখিছা তাইৰ দুষ্টালি বুদ্ধি, মই এতিয়াহে তত্‌ ধৰিছো! সেই তাহানি যে মই সেই আযাৰ কথা কৈছিলো, তাকেই তাই মনত সাঁচি থৈছে। মনটো হম্‌হমাবলৈ ধৰিলে। তথাপি ডাঠি তাক জাবুকি দি কলো, "কেলেই হবি ভেটকলি? তোৰ নাম হৈছে কাণকটা বান্দৰ। আহচোন কাণখন কাটি দিওঁ।" মই আগুৱাই যোৱা দেখি সি পাছহুঁহকি লৰ মাৰিব খোজোতেই চিৎ হৈ পৰি গল। মই লৰ মাৰি গৈ দাঙি কোলাত ললো। "কেলেই হবা কাণকটা, তুমি সৌ বিলৰ ভেঁটকলি,—গোঁসায়ে কৰিলে পাহমেলি মনমোহা ভেঁটফুল হবাগৈ।—নাই—নাই—নাকান্দিবা—নাকান্দিবা—কান্দিব নাপায় নহয়!" পাহৰণতে, দুই গালত দুটা চুমা খাই পেলালো। তাৰ অহা কান্দোন কেনিবাদি গল। মনটোত গোলমাল লাগি

গল, "হে প্ৰভু, তুমি ভাল মায়া খেলিছা!" ভেঁট-কলিয়ে মাত লগালে, "আইত্‌তাল নামো মায়ামতী।" "হুঁ জানো বেপাই" বুলি মুৰ দাড়ি চাওঁ যে বেবৰ আঁৰৰ পৰা ভুমকিয়াই তাই মিচিকমিচিক্‌কৰে হাঁহি মই লাপুং বুঢ়াই কি কৰিছো তাকে চাই আছে।

সেই নিশা শোৱাপাটীত পৰি থাকোতে কত পুৰণি স্মৃতি মোৰ মানস-সোঁতত উটি উটি গৈছিল! জীৱন-যাত্ৰাৰ চম্‌-চাপি অহা ভাগৰলগা বাটকল্লাই এবাৰ পিছ-ফাললৈ সতৃষ্ণ চকুৰে চাই পঠিয়ালো। স্মৃতিৰ আনন্দ আৰু বিষাদে মোক চাই পেলালে। নিচেই চুদিনৰ এই জীৱনৰ লীলা-খেলা! এবাৰ আগুৱালে আৰু চুনাই উভটি যাব নোৱাৰি! কিহৰনো তেনেহলে এইখন বোহ-পেচ, হাই-খৰিয়াল? [illegible]ৰি মৰম-চেনেহৰ অভাৱত কত আলসুৱা জীৱ চুপতীয়াতে লেৰেলি যাব লাগিছে! * * মায়া বেচেৰী,— তাই মোক দেখি কেনেকৈ আবেগতে কঁপি উঠিছিল! – তাই মোৰ ভৰিত ধৰি সেৱা কৰোতেই গম ধৰিছিলো। এয়ে নহয় নে সেই অজ্ঞাত-কুলশীলা, পৰিত্যক্তা সকলোৰে ধৰ্ষিতা ভিখাৰিণী! আজি তাই মাতৃ-গৰিমাত ভূষিতা হৈ চুখীয়াৰ কুটিৰ পোহৰাব লাগিছে! গোঁসায়ে তাইঁতক এই সৌভাগ্যলৈকে সৃজিছে। যদি সংসাৰৰ চুৰ্গম পথত আগুৱাব নোৱাৰি কক্ষভ্ৰষ্ট হয় ই জগতৰহে চুৰ্ভাগ্য মাথোন। নহয় নে? আৰু সমৰ্থবান সকলো অবলাৰ পথ সুচল কৰি নিদিয়াৰ নিমিত্তভাগী নহৰ নে?

কেম্পুাহমান ঘৰতে আছো। বিয়াৰ পিছৰে পৰা মায়াক মোৰ আলপৈচান ধৰিবলৈ অনুমতি দিয়া হৈছে। তাই আনকি সন্ধিয়া গুৰিতে বহি মোৰ ভৰি চুখনত হাত ফুৰাই থাকেহি।

মোৰ গা বেয়া লাগি আহিছে। মোৰ জীৱন-বেলি পশ্চিম আকাশৰ বহুত তললৈ নামি গৈছেগৈ— বুৰিবলৈ আৰু অলপহে। তাৰ পিছত!—সকলো আন্ধাৰ। মোৰ গা শিয়ঁৰি উঠিছে! সেই নজনা অন্ধকাৰলৈ কি সাহেৰে জাপ দিওঁ! 'হে প্ৰভু, আজি জীৱন-মৰণৰ সন্ধিয়া মোৰ মুগ্ধ হিয়া আশঙ্কাত কাতৰ হৈছে। তুমি ক'ত আছা! এবাৰ এনে সময়ত আকুলক আশ্ৰয় দিয়াহি!" * * * বৰ ভাগৰ।

সঁচাকৈয়ে আজি মোৰ সময় আহিল! আজি মই শোৱাপাটীৰ পৰা দোপ দি উঠিব খোজোতে আকৌ ঠাচ্‌কৈ বিছনাতে চিৎ হৈ পৰিলো! উঃ মোৰ কলিজাৰ গতি বন্ধ হৈয়ে যাব এতিয়া।—কি ধপধপনি! প্ৰত্যেকটোকেই গণিব পাৰিছো—প্ৰাণৰ কাতৰে—এক, চুই, তিনি, চাৰি পাঁচ—বল! অ আই— কি হব ঐ! * * আকৌ * * আৰম্ভ হল। হে গোঁসাই, ৰাখা; বৰ ভয় লাগিছে—মোৰ কেওঁ নাই!

—অস্ অস্! গোটেই গাটো এটা অনৈসৰ্গিক শীতে চাই পেলালে।— কাণৰ ভিতৰত কিবা এটা ৰোল—যেন [illegible] এটা নেৰানেপেৰা সুৰেৰে দূৰৰ পৰা আহিছে— কাঁ...ঁা...ঁা...ঁা। মোৰ সংজ্ঞা লোপ পালেহি।

কোনে মোৰ ভৰিত সাৱটি ধৰিছে? আয়ৈ বেচেৰী মায়া! কিয় কান্দিছ, আই? চকুৰ পানীৰে ভৰি তিয়াই দিছে — তলুৱা চুখনত ঘনে ঘনে চুমা খাইছে। কিয় বাউলী হৈছে অই? মোৰ বুকতে অলপ মুৰটো থচোন। হায়! মই কথাষাৰ ফুটাই কব পৰাহেতেন! ডোৰোল খাই গৈছে--- জিভা।— সকলো আন্ধাৰ।

ই কি! চাৰিউপিনে ভীষণ তিমিৰ-উৰ্ম্মি মাং। প্ৰলয়ৰ মেঘৰ দৰে হেম্মোলিব লাগিছে! অসহ্য নিস্তব্ধতা—চাৰিউ-পিনে উৰ্ম্মিৰ ওপৰত উৰ্ম্মি অন্ধকাৰক ঘোৰতৰ অন্ধকাৰ কৰি প্ৰকাশ কৰিছে। যেন বিশাল শৰীৰী দানৱ-পদাতি পুনৰ স্বৰ্গবিজয়ৰ নিমিত্তে সেই নিস্তব্ধ অমানিশাত সজাগ হৈ উঠিছে! উঃ অসহ্য— অসহ্য— ৰক্ষা কৰা।

সৌ পূৰপিনে লাহে লাহে ফৰকাল হৈ উঠিল। চাওঁতে চাওঁতে কোনোবা সিপাৰৰ এটা স্নিগ্ধ উজ্জ্বল কিৰণে তিমিৰ ভেদি আহি মোৰ সৰ্ব্বশৰীৰ ধুই পেলা-লেহি! মন প্ৰফুল্ল কৰি পেলালে— শৰীৰ লাহি হৈ পৰিল— উৰো উৰো লাগিছে।— কোন সিটি আনন্দময়ী প্ৰতিমা, সেই আন্ধাৰৰ চুৱাৰদলিত ঠিয় দি চেনেহ চকুৰে মোলৈ চাই আছে। সেই মুখ, সেই চকু সেই অঙ্গ-

জ্যোতি! তুমিয়েইনে অ মোৰ সপোনৰ ৰাণী! মৰণৰ সিপাৰৰ পৰা আহিছা?— মোক আগবঢ়াবলৈ? ইমান মৰম তোমাৰ— ইহজনমৰ বিফল বাসনা পূৰাবলৈ মোক বিঘিনি-শূন্য ৰাজ্যলৈ নিবলৈ আহিছা!-- হয়— সেয়া হাত-বাউল দি মাতিছা। ছিঃ, মোৰ মৰিবলৈ ইমান ভয়— অন্ধকাৰ-মৰণ সমুদ্ৰ অনায়াসে তুমি-ধ্ৰুবজ্যোতি লক্ষ্য কৰি পাৰ হম।

শ্যামলোজ্জ্বল আনন জ্যোতি চৌপাশৰ শুকুলা ডাৱৰ-বোৰকো নীলিমাভ কৰি তুলিছে! চকুযুৰি যেন তৰা চুটিহে জ্বলিছে! মেঘবোৰে শিৰত শুভ্ৰ তুষাৰ কিৰিটি হৈ গোট খাইছে, বুকত বনমালা ৰূপ ধৰি শোভা পাব লাগিছে। বৰ উজ্জ্বল, বৰ উজ্জ্বল তোমাৰ ৰূপ-- ক্ষান্ত হোৱা, ক্ষান্ত হোৱা--- আৰু নোৱাৰো।— স্বস্তি সুমাল।

ৰিণিকি ৰিণিকি সৃষ্টি-পাতনিৰে পৰা বাজি অহা বাঁহীটিয়ে করুণ বিলাইছে —

"আহাঁ প্ৰিয় মোৰ প্ৰেমৰ নিজৰা
তাপিত হিয়াক কৰাহি শাঁত।"

দীন-চুখী

বা

লে মিজাৰাবল্

দশম অধ্যায়

ৰাতি মানুহজনে আনবোৰ শুই নিহপালি দিলত হাতত সাৰে ভৰিত সাৰে ঘৰটো পৰীক্ষা কৰিবলৈ লাগিল। সেইদিনা খ্ৰীষ্টমাছ ৰাতি। খ্ৰীষ্টমাছৰ ৰাতি সৰু সৰু লৰাছোৱালীহঁতৰ বিশ্বাস অপ্সৰী পৃথিবীলৈ নামি আহে আৰু সিহঁতে যদি চিমনিৰ ওপৰত সিহঁতৰ জোতাবোৰ তুলি থয়, তেন্তে অপ্সৰীয়ে জোতাৰ ভিতৰতে সিহঁতলৈ ভাল ভাল উপহাৰ থৈ যায়। পুৱা উঠি সিহঁতৰ জোতা চাবলৈ উথল-মাথল লাগে। দৰাচলতে মাকহঁতেহে ৰাতি তাত উপহাৰ থৈ দিয়ে। পুৱা লৰা-ছোৱালীবিলাকে হাঁহি-খিকিন্দালিৰ মাজত সিহঁতলৈ অপ্সৰীয়ে থৈ যোৱা উপহাৰ লৈ কৃতাৰ্থ মানে। মানুহজনে ঘূৰি ফুৰোতে দেখিলে—চিমনি এটাৰ ওপৰত চুযোৰ জোতা তুলি থোৱা হৈছে। তেওঁৰ সেই কৌতুকলীয়া ৰীতিলৈ মনত পৰিল। জুমি চাই দেখা পালে—জোতা চুযোৰত চুটা ১০ছু মোহৰ। জোতা চুযোৰ ইপনিন্ আৰু এজেল্‌মাৰ বুলি বুজিবলৈ বাকী নেথাকিল। আৰু নামি অহা অপ্সৰীজনীও যে মাডাম্ টেনাৰ্ডিয়েৰ তাক তেওঁ উপহাৰ দেখিয়েই গম পালে। চিমনিৰ একাষে আৰু এযোৰ ভগা কাঠৰ জোতা তেওঁৰ চকুত পৰিল। তেওঁ জোতাৰ গঢ় দেখিয়ে কজেটৰ জোতা বুলি চিনি পেলালে। জোতাবোৰৰ ভিতৰত একো নাই, কোনে থব? তথাপি লৰাৰ লৰা-মন। সিহঁত নিৰাশ হব পাৰে, কিন্তু হতাশ নহয়। কজেটো লৰা—তাইৰো মনত অবিচলিত বিশ্বাস আছিল--অপ্সৰীয়ে কিবা এটা দিব। নিৰাশাৰ বাহিৰে একো চিনি নোপোৱা ছোৱালীটিৰ আশাৰ ওচৰত মূৰ দোৱা দেখি মানুহজনৰ হৃদয়ত বৰ আঘাত কৰিলে। তেওঁ জেপত হাত ভৰাই এটা 'লুই' মোহৰ উলিয়াই জোতাৰ ভিতৰত ভৰাই দি তাৰপৰা বাহিৰ হল।

পিছ দিনা পুৱা পোহৰ হোৱাৰ চুঘণ্টামানৰ আগতে মানুহজনে তালি-টোপোলা বান্ধি যাবলৈ বুলি বৈঠকখানা ওলালহি।

টেনাৰ্ডিয়েৰ পত্নীয়ে মাত লগালে "এতিয়াই যায়নে?"
"এৰা, মই কিমান দিব লাগিব?"
টেনাৰ্ডিয়েৰ-পত্নীয়ে বিল এখন আগবঢ়াই দিলে।

মানুহজনে বিলধন খুলি চাবলৈ ললে। কিন্তু তেওঁৰ মন বিলৰ ওপৰত নাছিল। সুধিলে "কাৰবাৰ ভাল চলেনে ?"

"বৰ বেয়া নহয়। পিছে আপোনাৰ লেখীয়া ভাল অতিথি কাচিত হে পাওঁ। আজিকালি বস্তু-বাহানিৰ দামো বৰ বেছি। তাতে সেই ছোৱালীজনীৰ লগতে আমাৰ বহুতো খৰচ হয়।"

"কোন ছোৱালীজনী ?"

"কিয় কজেট! লাৰ্ক!"

মানুহজনে অন্যমনস্কভাৱে মাত দিলে "যদি তাইক আঁতৰাই দিয়ে।" তেওঁ কজেটক পুতৌ কৰা দেখি মাডামৰ ৰাতিও চকুত টোপনি নাছিল। তাতে টেনাৰ্ডিয়েৰ দম্পতীয়ে এই চহকী মানুহজনৰ কজেটৰ ওপৰত স্নেহ দেখি বহুতো লাভৰ আশা গণি আছিছিল। সুবিধা বুজি একে উশাহে কৈ গল "লৈ যক! দাঙি লৈ যক, দাঙ-কোলা কৰি নিয়ক, উকৰাই নিয়ক, এতিয়াই—এই মুহূৰ্ত্ততে।"

"একো কথা নাই, মাতক।"

মাডাম টেনাৰ্ডিয়েৰে ৰিং ধৰিলে "কজেট"।

"ইতিমধ্যে আপোনাৰ বিলৰ টকা কেটা দিয়া হক। কিমান ?"

"তেইশ্ ফ্ৰাঁ।"

মানুহজন আচৰিত হল। পাচোঁটা পাঁচফ্ৰাঁ মোহৰ উলিয়াই মেজৰ ওপৰত থৈ মাত দিলে "আনক, ছোৱালী জনী আনক।"

ঠিক এই সময়তে চেগ্ চাই থকা স্বামী টেনাৰ্ডিয়েৰ আহি কোঠাৰ ভিতৰ সোমাল। ঘৈণীয়েকৰ ফালে চাই মাত দিলে "এখেতে আমাক তেইশ ফ্ৰাঁ দিব নেলাগে। মুঠে ২৬ছু হে।"

টেনাৰ্ডিয়েৰ পত্নী চিঞৰ মাৰি উঠিল "মোটে ২৬ছু!"

"অঁ, ২০ছু ঘৰ-ভৰা, ৬ছু খোৱাৰ। কজেটৰ বিষয়ে তেখেতৰ লগত মোৰ ভিতৰুৱা বন্দৱস্ত হব। তুমি অলপ আঁতৰি যোৱাচোন।"

মাডাম কোঠাৰ বাহিৰ হল। স্বামী টেনাৰ্ডিয়েৰে চকি এখন আনি মানুহজনক বহিবলৈ দি নিজে কাষতে ঠিয় হৈ বৰ নম্ৰতাৰে ধৰি মাত লগালে "ডাঙৰীয়া! সচাঁকৈয়ে ছোৱালীজনীক আমি নিজৰ পেটৰ পোৱালীৰ দৰে চেনেহ কৰোঁ।"

মানুহজনে স্থিৰ-দৃষ্টিৰে টেনাৰ্ডিয়েৰৰ মুখৰ ফালে চাই প্ৰশ্ন কৰিলে—"কোন ছোৱালীজনী ?"

"কিয় ? কজেট। তাইক আপুনি লৈ যাব খোজা নাই ? মই তাইক এৰি দিব নোৱাৰো। তাইক কেচুৱাৰে পৰা তালি-তুলি মানুহ কৰিছো। নোৱাৰো নোৱাৰো, তাইক এৰি দিব নোৱাৰো।"

তেতিয়াও মানুহজনৰ দৃষ্টি অচঞ্চলভাৱে টেনাৰ্ডিয়েৰৰ মুখৰ ওপৰত। … কৈ গল "মোক মাফ কৰিব। অচিনাকী মানুহ এজনৰ হাতত নো বাৰু ছোৱালীজনী কেনেকৈ এৰি দিওঁ। মাক বাপেক কেওঁ-কিছু নাই-কিয়া মাউৰী ছোৱালী। যদি বা এৰি দিলোৱেই মইতো জনা উচিত, কাৰ হাতত দিছো, কত আছে, কেনে আছে। মই আপোনাক চিনি পোৱা দূৰৈত থক নামটোকে নেজানো। এখন ৰছিদ-তছিদটো লব লাগিব।"

মানুহজনে আগৰ দৰেই স্থিৰ-দৃষ্টিৰে টেনাৰ্ডিয়েৰৰ ফালে চাই গম্ভীৰভাৱে উত্তৰ দিলে "পেৰি নগৰৰ ৪ মাইলৰ ভিতৰত এটা মানুহে দলিল পত্ৰৰে পৰিচয় দিবৰ কোনো সকাম নাই। মই মোৰ নাম নকও একো পৰিচয় নিদিওঁ; যদি তাইক মই নিওঁ, আপোনাৰ লগত তাইৰ চকুৰ চোৱা-চুৱি থাকিব নোৱাৰিব। মই তাইক নিবলৈ ওলাইছো তাইৰ ভৰিৰ শিকলি কাটি দিবলৈ। শিকলি কাটি দিম—তাই উৰা মাৰিব। এই মোৰ কথা। দিয়ে নিদিয়ে সঠিক কৈ পেলাওক।"

টেনাৰ্ডিয়েৰে বুজিলে যে সি তাতকৈও চতুৰ মানুহৰ হাতত পৰিছে। গোটেই ৰাতি টেনাৰ্ডিয়েৰে মানুহজনৰ কথা ভাবি তৰ পোৱা নাছিল। কজেটৰ ওপৰত তেওঁৰ মৰম, তেওঁৰ হাব-ভাৱ আদিয়ে তাৰ মনত বহুতো ভাবৰ জাজৰি তুলি দিছিল। ভাবিছিল—অপৰ্য্যাপ্ত লাভৰ বাট মুকলি হৈছে। এতিয়া মানুহজনৰ কথা-কোৱাৰ

গঢ় দেখি বুধিৰ খুন্থপাক আঁতৰাই থৈ মাত দিলে "মোক দেৰ হাজাৰ ফ্ৰাঁ লাগিব ডাঙৰীয়া!"

মানুহজনে তেওঁৰ জেপৰ পৰা এটা পুৰণা ক'লা ধনৰ মোনা উলিয়াই তাৰ পৰা ৩খন পাঁচশ ফ্ৰাঁৰ নোট বাহিৰ কৰিলে। টেনাৰ্ডিয়েৰৰ হাতত নোট কেখন দি কলে যোৱা "কজেটক লৈ আহা।" স্বামীৰ ইঙ্গিত পাই আঁতৰত ৰৈ থকা পত্নীয়ে কজেটক বিচাৰি ভিতৰ সোমাল।

বাহিৰত যেতিয়া এই ঘটনা— তেতিয়া কজেটে কি কৰিছিল ? পুৱায় ঢাৰিপাটী এৰি এই নিৰাশা-জীয়ৰীয়ে আশাৰ পাছে পাছে ঢাপলি ধৰিলে— আন আন লৰা-ছোৱালীৰ দৰেই তাইৰ অপ্সৰী-দত্ত উপহাৰ চাবলৈ। যেতিয়া তাই জোতাৰ ভিতৰত … মোহৰটো দেখিলে তাই আচৰিত হৈ পৰিল। সোণৰ মোহৰ তাই হাতেৰে চুই পোৱা নাছিল। মোহৰটো চকুত পৰা মাত্ৰকে তাই সুতুকুকৰে হাতলৈ লৈ ছোলাৰ মাজত লুকুৱাই পেলালে যেন তাই চুৰহে কৰিছে। তাইৰ মনত বিশ্বাস হৈছিল মোহৰটো তাইৰেই। তাই বুজিছিল মোহৰটো তাইলৈ অপ্সৰীৰ উপহাৰ। তথাপি তাইৰ মনত ভয়েৰে ভৰপূৰ আনন্দইহে ঠাই ললেহি। এনে আশাতীত বস্তু! তাই সঁচানে সপোন ঠিক কৰিব নোৱৰাত পৰিল। ৰাতিৰ পুতলাটো পাই তাই ভয় খাই উঠিছিল। এতিয়া এই মোহৰটো পায়ো তাইৰ ভয় লাগিল। তাই কিবা এটা নজনা ভয়ত কঁপিবলৈ ধৰিলে। ভয় নালাগিছিল তাইৰ এই অচিনাকী মানুহজনলৈ মাথোন, বৰং তাই কিবা এটা সাহ হে পাই আছিছিল। যেন তাই অকলশৰীয়া নহয় মাডামে যেন তাইক একো কৰিব নোৱাৰে। তাই মোহৰটো লুকুৱাই লৈ লৰালৰিকৈ ঘৰদুৱাৰ সৰা আদি তাইৰ দৈনিক কামত লাগি গল। মোহৰটি তাই আগনিশা ১৫ ছুৰ মোহৰ ওলাই পৰা জেপটিতে লৈ ফুৰিছিল। তাই কামত লাগিছিল সঁচা কিন্তু তাইৰ মনে মনে মন আঁতৰি আহিছিল তাইৰ জেপত থকা "লুই" মোহৰটিৰ লগলৈ। তাই এইদৰে আওকণীয়া হৈ কাম কৰি ফুৰোতেই মাডাম্ টেনাৰ্ডিয়েৰ আহি কজেটৰ আগত উপস্থিত হল। বৰ অস্বাভাৱিক— টেনাৰ্ডিয়েৰে-পত্নীয়ে তেওঁৰ পূৰ্ব্বৰ-ৰীতি ভঙ্গ কৰিলে। কজেটক দেখি তাইক মাৰিবলৈ তেওঁৰ হাত দাঙ নাখালে দেখা মাত্ৰকে মুখত এষাৰো গালি-শপনি নোলাল। কোমলকৈ মাত দিলে "কজেট এইপিনে আহ।"

ক্ষন্তেকৰ পাছতে কজেট আহি বৈঠকখানা পালেহি। তাইক দেখা পায়ে মানুহজনে তেওঁৰ টোপোলাটো খুলি এটা ক'লা ৰঙৰ পোছাক উলিয়াই কজেটক দি কলে "যোৰা, বেগতে পিন্ধি আহাঁগৈ।" পোছাকটোৰ ৰঙ শোকৰ চিন।

তেতিয়া পুৱাৰ পোহৰ ভালকৈয়ে পৰিছিল। ম'-ফেয়াৰ মেলৰ ঘৰবোৰৰ দুৱাৰ তেতিয়া প্ৰায় ভাগেই খোলা হোৱা নাছিল। দুৱাৰ-খিৰিকি খোলোতে বহুতৰ চকুত পৰিল পেৰিৰ ৰাস্তা… জনী সৰু ছোৱালীয়ে বুঢ়া এটাৰ হাতত ধৰি চহৰৰ ফালে যাব লাগিছে। ছোৱালী জনীৰ কোলাত এটা ডাঙৰ পুতলা। বুঢ়াৰ কাপোৰ-কানি ভিকহুৰ। কোনেও এই মানুহজনক চিনি নাপালে। কজেটকো নাপালে, কাৰণ কজেটৰ গাত নতুন কাপোৰ-কানি। কজেট গুচি গৈছে। কাৰ লগত ? কলৈ ? তাই নাজানে। যদি তাই কিবা জানিছিল— তাই জানিছিল তাই টেনাৰ্ডিয়েৰৰ হোটেল এৰি থৈ আহিছে বহুত পাছত। কোনেও তাইক বিদায়-সম্ভাষণ কৰিবলৈ ভাবি নেপালে তায়ো কাকো বিদায়-সম্ভাষণ নকৰিলে। বেচেৰী হতভাগিনী!

মানুহজন ওলাই যোৱাৰ পাচতে টেনাৰ্ডিয়েৰ দম্পতী লগ লাগিল। যেতিয়া মাডাম টেনাৰ্ডিয়েৰে শুনিলে যে দেৰ হাজাৰ ফ্ৰাঁ লৈয়ে কজেটক গিৰিয়েকে এৰি দিলে, তেতিয়া তাই একেবাৰে হতাশ হৈ পৰিল। টেনাৰ্ডিয়েৰেও দেখিলে মুখৰ কথা এষাৰতেই ডাঙৰ 'দাও' এটা সাৰি গল। ঘৈণীয়েকক ঘূৰাই একো কথা নকৈ একেজাপেই ঘৰৰ বাহিৰ হৈ কজেটক নিয়া মানুহজন বিচাৰি ঢাপলি ধৰিলে।

মানুহজন আহি তেতিয়া গাৱঁৰ বহুত দূৰত পথাৰ এখনৰ মাজত জোপা এটাৰ কাষত বহি অলপ জুৰণি লৈছিল। টেনাৰ্ডিয়েৰে ফোপাই-জোপাই আহি তেওঁৰ

আয চাপি তেওঁৰ আগত নোট কেইখন পেলাই দি কলে "নিয়ক ডাঙৰীয়া! আপোনাৰ ধন নিয়ক।"

"মানে?"

"মানে মই কজেটক লৈ যাম।"

ছোৱালীজনীয় ভয়ত মানুহজনক সাবটি ধৰিলে। মানুহজনে মাত দিলে "কজেটক লৈ যাবা?"

"হয়। মই ভাবি চিন্তি চালো। মই তাইক এৰি দিবৰ একো স্বত্ব নাই। তাই মোৰ ছোৱালী নহয়। মাকে মোৰ ওচৰত থৈ গৈছিল, মই মাককহে ওভোতাই দিব পাৰিম। আপুনি কব পাৰে "মাক মৰিল।" তেতিয়া হলে মই মাকৰ পৰা কোনো চিঠি পত্ৰ লৈ অহা মানুহৰ হাততহে ছোৱালীজনী দিব পাৰিম।"

মানুহজনে কোনো উত্তৰ নিদিলে। জেপত হাত ভৰাই তেওঁৰ ধনৰ মোনাটো উলিয়াই আনিলে। ধনৰ মোনাটো খোলোতে তাত থকা নোটবোৰ দেখি টেনাৰ্ডিয়েৰৰ মন আনন্দত নাচি উঠিল। মনতে ভাবিলে "আকৌ পাম।"

মানুহজনে মোনাটো খোলোতে, আশে-পাশে কোনোবা কৰবাত আছেনে নাই এবাৰ চকু ফুৰাই চাই ললে। দুৰণিৰ পথাৰ। কতো এটা মানুহৰ চিন নাই। মোনাটোৰ পৰা এখন সৰু কাগজ উলিয়াই টেনাৰ্ডিয়েৰৰ হাতত দি তেওঁ মাত লগালে "তুমি ঠিক কথা কৈছা— পঢ়া।"

টেনাৰ্ডিয়েৰে কাগজখন লৈ পঢ়িবলৈ ধৰিলে :—

"এমছুৰ এম, মাৰ্চ্চ ২৫, ১৮২৩

"মচিঅ'ৰ টেনাৰ্ডিয়েৰ—

আপুনি পত্ৰবাহকৰ হাতত কজেটক দিব। আপোনাক যি দিব লাগে, তেখেতে আদায় কৰিব।

আপোনাৰ ফটিন।"

পঢ়া শেষ হল। মানুহজনে মাত লগালে "চহিটো চিনি পাইছানে? ৰচিদ ৰাখিব পাৰা।"

টেনাৰ্ডিয়েৰে ভোৰভোৰালে—"ভাল। যি হওক খৰচপাতি দি যক। মোক বহুতো দিব লগা আছে।"

মানুহজন উঠি ঠিয় হল। চোলাৰ হাতৰ ধুলি জোকাৰি জোকাৰি কবলৈ ধৰিলে "মচিঅ'ৰ টেনাৰ্ডিয়েৰ! জানুৱাৰীৰ পৰা হিছাপ কৰি আহা। জানুৱাৰীত দিবলগীয়া আছিল ১২০ ফ্ৰাঁ। তুমি ফেব্ৰুৱাৰীত বিল দিছিলা ৫০০ৰ। ফেব্ৰুৱাৰীৰ শেহত পাইছা ৩০০ আৰু মাৰ্চ্চৰ পহিলা তাৰিখে পাইছা ৩০০। তাৰ পাছৰ পৰা এই ন মাহত মাহে পোন্ধৰ ফ্ৰাঁ। হিছাপে তুমি পাবা ১৩৫ ফ্ৰাঁ। সেই হিছাপে তোমাক দিব লাগে মাথোন ৩৫ ফ্ৰাঁ। এতিয়া মই তোমাক ১৫০০ শ দি আহিছো।"

জালত বাঘ পৰাদি টেনাৰ্ডিয়েৰ বাক্ক খাই পৰিল। জালত পৰা বাঘৰ দৰেই জপিয়াই উঠিল "মই তোমাক চিনি নাপাওঁ—জানি নাপাওঁ। ৩০০০ ফ্ৰাঁ নিদিলে মই কজেটক লৈ যাম।"

মানুহজনে লাহেকৈ কজেটৰ হাতখনিত ধৰি মাত লগালে "আহাঁ কজেট!"। কজেটে খোজ ললে। মানুহজনে তেওঁৰ লাখুটিডাল তুলি লৈ বাওঁহাতেৰে কজেটৰ হাতখন ধৰি যাবলৈ ধৰিলে। লাঠিৰ গঢ়, আৰু ঠাই ডোখৰৰ নিজনতা দেখি টেনাৰ্ডিয়েৰ অলপ পৰ পাছে পাছে গৈ আৰু যাবলৈ সাহ নকৰি উভটি গুচি আহিল। মানুহজনে কজেটক লৈ অবাধে গুচি গল। মানুহজন জঁ ভেলজঁ।

ৰাতি ভালেখিনি পৰত জঁ ভেলজঁ আহি পেৰি নগৰ সোমাল। ছোৱালীজনী বাটত আহোঁতেই বৰ ভাগৰি পৰিছিল। ভেলজঁই বাটতেই তাইৰ টোপনি অহা যেন গম পাই তাইক কান্ধলৈ তুলি ললে। কজেটেও কান্ধত আঁউজি শোৱাৰ সুবিধা পাই, এহাতে তাইৰ হেপাঁহৰ পুতলা কেথেৰিণক আঁকোৱালি ধৰি আৰু আন হাতেৰে ভেলজঁৰ ডিঙিত সাবট মাৰি নিশ্চিন্তমনেৰে টোপনি গল। মানুহজনে অকাই-পকাই পেৰি চহৰৰ বহুত বাটবোৰ এৰি সৰু সৰু ৰাস্তাবোৰেদি আহিবলৈ ধৰিলে। শেহত তেওঁ এটা মানুহ চুনুহ নাইকিয়া ৰাজ-আলিৰ কাষত এটা ভগা ঘৰৰ সন্মুখত আহি ঠিয় দিলেহি। ঠাই ডোখৰ পেৰি নগৰৰ সীমাত। ঠাই ডোখৰ দিনত কবৰ স্থানৰ দৰে নিজম, ৰাতি হাবিতকৈও জয়াল। ভেলজঁই যিটো ঘৰৰ আগত আহি ঠিয় হল সেই ঘৰটোৰ ভগা কাঠৰ দুৱাৰখনত লেখা আছিল নং ৫০-৫২। ভেলজঁই

জেপৰ পৰা চাবি এটা উলিয়াই দুৱাৰখন খুলি ভিতৰ সোমাই গল। কজেটক আলসুৱাকৈ বিছনা এখনত শুৱাই দিলে। তাই টোপনিত লালকাল! তাই ক'ত শুইছে, কাৰ লগত কলৈ আহিছে একো নেজানিলে; নিৰ্ভয়-চিত্তেৰে শুই থাকিল। ভেলজঁই চাকিৰ পোহৰত ছোৱালীজনীৰ মুখৰ ফালে একেথৰে চাবলৈ ধৰিলে। মৰম আৰু কোমলতাৰ পূৰ্ণবিকাশত ভেলজঁৰ মুখ তেতিয়া বলিয়া মানুহৰ মুখ যেন দেখা গৈছিল। ভেলজঁই লাহেকৈ হাঁউলি ছোৱালীজনীৰ হাত এখনি দাঙি লৈ এটি চুমা দিলে। ঠিক ন মাহৰ আগতে তাইৰ চিৰনিদ্ৰা-মগনা মাকৰ হাতত এনেকৈয়ে এদিন চুমা খাই, ভেলজঁৰ হিয়া ঠিক এনেদৰেই ব্যথাত হাজি উঠিছিল— ধৰ্মভাবত গদ্‌গদ্ হৈ পৰি ছিল [illegible] লিয়া হৈছিল। ভেলজঁ যেন অৱশ হৈ পৰিল। কজেটৰ বিছনাৰ কাষতে আঁঠুকাঢ়ি বহি গল।

ৰাতি পুৱাল। ৰাতি পুৱাৰৰ বহুত পাছতো কজেটৰ টোপনি ভগা নাই। খিৰিকিৰ মাজেদি ডিছেম্বৰ মহীয়া বেলিৰ পোহৰ আহি কোঠাৰ ভিতৰ সোমাইছে। এনেতে কাষেদি যোৱা গাড়ী এখনৰ ঘড়ঘড়নিত কজেটৰ টোপনি ভাগিল। তাই চক্‌মক্ খাই উঠি চকু নেমেলাকৈয়ে মাত দিলে "উঠিছো মাডাম, উঠিছো। এয়া গৈছো।" এই বুলি তাই জাপ মাৰি বিছনাৰ পৰা উঠি চকু নেমেলাকৈয়ে হাতপন মেলি ঘৰৰ চুকত কিবা এটা বিচাৰি বিচাৰি কবলৈ ধৰিলে "ক'তা, মোৰ বাঢ়নিটাৰ ইয়াৰ পৰা কলৈ গল?" চকু মেল খালে। চকু মেলি ইফালে সিফালে চাই ওচৰতে ভেলজঁক দেখা পাই তাইৰ আগৰ দিনাৰ কথাবোৰলৈ মনত পৰিল। অলপ লাজ পাই ভেলজঁক কলে "নমস্কাৰ, ডাঙৰীয়া। মই পাহৰি গৈছিলো।"

মনৰ সুখ আৰু আনন্দ শৈশৱৰ চিৰলগৰীয়া। কাৰণ শিশুৱেই মূৰ্ত্তিমান আনন্দ আৰু প্ৰফুল্লতা। চকুত পৰা মাত্ৰকে খপহ কৰে কজেটে তাইৰ কেথেৰিণক বুকলৈ দাঙি ললে। ধেমালি কৰি কৰি ভেলজঁক কত কি সুধিলে "তাই কত? পেৰি নগৰ কিমান ডাঙৰ? মাডাম টেনাৰ্ডিয়েৰ কিমান দূৰৈত? আকৌ তাই যাব লাগিবনে?" ইত্যাদি, ইত্যাদি। অলপ [illegible] আকৌ সুধিলে "মই ঠাই সাৰোনে?"

ভেলজঁই উত্তৰ দিলে "নেলাগে, তুমি ওমলা।" কজেটৰ হাঁহিৰ শেষ নাই। হাঁহি হাঁহি কজেটে কলে "এইখন কেনে ভাল ঠাই!"

প্ৰকৃততে ঠাইখনত ভাল বুলিবলৈ একোৱেই নাছিল। অথন্য গাঁত এটা মাথোন। কিন্তু তাত কথা আছিল— বিহঙ্গিনী তেতিয়া পিঞ্জৰামুক্তা—তেতিয়া তাই স্বাধীনা—বনৰ বনৰীয়া চৰাই—মুকলিমূৰীয়া।

(আগলৈ)

শ্ৰীথানেশ্বৰ হাজৰিকা

কাঁহুদী আৰু খাবলি

Untouchability অৰ্থাৎ "মোক নুছুবি" "মোক নুছুবি" নিয়ম হিন্দুসমাজত আগৰ কালত যি কাৰণতেই প্ৰবেশ কৰক, আৰু সেই কাৰণ তেতিয়া বিদ্যমান আছিল দেখি সেই নিয়ম বিহিত হোৱাৰ সপক্ষে সেই কালত যুক্তি আছিল যদিও, আজিকালিৰ হিন্দুসমাজতো সেই প্ৰাচীন বিধি আটোমটোকাৰিকৈ ৰাখিবলৈ যোৱাটো নিশ্চয় বিষম অবিধি।

মনুষ্য-শৰীৰৰ দৰে সমাজ-শৰীৰৰো শৈশৱ, পৌগণ্ড, যুবা, জৰা আছে। শৈশৱৰ আচাৰ-চালচলন, যৌৱনৰ আহাৰ হব নোৱাৰে; আৰু লৰাকালৰ মাৰৰ

বিহাৰ আঁচলো ডেকা বুঢ়াৰ বৰ-কাপোৰ হৈ থাকিব নোৱাৰে। যেতিয়া ৰঘুপতি নাই, তেতিয়া তেওঁৰ অযোধ্যাপুৰীখন কত আছে বিচাৰি চন্‌মুৰ কৰি ফুৰিলেও পোৱা নাযায়। প্ৰভু ৰামচন্দ্ৰই "লগে স্বৰ্গে নিলা সবে অযোধ্যা নগৰী";—কাৰণ তেওঁ জানিছিল, যে এই পৃথিবীত আঁকোৰ-গজালি মানুহৰ আটক নাই, যিসকলে তেওঁৰ অবিহনেও তেওঁৰ অযোধ্যা নগৰখনকো সেই আগৰ দৰে পাবলৈ লিবিচাৰি নেৰে; সেই নিমিত্তে তেওঁ তাক লগতে লৈ গৈ তাৰ মুদাকে মাৰি থলে।

এই "মোক চুছুবি" ৰোগ হিন্দুসমাজৰ গাৰপৰা যিমান শীঘ্ৰে পৰা যায় গুচাবলৈ সকলো হিন্দুৱে অহোপুৰুষাৰ্থ কৰা উচিত। শাস্ত্ৰই যি কয় কওক, "অৰ্থদক্ষ" পণ্ডিতে যি [illegible] কৰে কৰক, কিন্তু হে হিন্দু! দহোকুৰি, তুমি এই ব্যাধিটো নিৰ্ম্মূল কৰা। যত দিন যাব, এই ব্যাধিয়ে তত তোমাক পীড়িব। এতেকে quick! quick!!

• • •

আগৰ কালৰ হিন্দুসমাজত এই বিষম ব্যাধি নাছিল। সেই কালত আৱশ্যক মতে পৰিবৰ্ত্তন হিন্দুসমাজৰ প্ৰাণ আছিল। শকবোৰক হিন্দুৱে হিন্দু কৰি সমাজৰ অঙ্গীভূত কৰি লৈছিল। একেবাৰেই "গৰম গৰম" বিদেশী হুনবোৰ হিন্দুসমাজৰ ভিতৰত নিকপ্‌কপীয়াকৈ সোমাই পৰিছিল। মাথোন মুছলমানসকলহে এই কথাৰ ব্যতিক্ৰম। তাৰ অৱশ্যে কাৰণো আছে। মুছলমানে নিজৰ ধৰ্ম্ম আৰু সমাজৰ বিধি-বিধান বলেৰে হিন্দুৰ মাজত সুমাবলৈ গৈছিল। হিন্দুৱে সেইদেখি বাধ্য হৈ আত্মৰক্ষাৰ নিমিত্তে নিজৰ ধৰ্ম্ম আৰু সমাজত নানা বেৰ চকোৱা দিব লগীয়াত পৰিছিল। কিন্তু বেজাইৰ কথা, সেই অৱস্থাৰ নিমিত্তে আৱশ্যকীয় সেই বেৰ চকোৱাবোৰ কালক্ৰমত ইটাৰ পকি গৰ আৰু ডেৰ নোৱৰা গৰ-খাৱৈ হৈ পৰিল আৰু আজিও সেইদৰেই আছে। মূল বেমাৰ গল, কিন্তু চোকা দৰবৰ উপসৰ্গবোৰে হিন্দুসমাজৰ মুৰ আচন্দ্ৰাই কৰি গা থৰকৃবৰক লগাব লাগিছে। যুদ্ধ জিকিবলৈ লণ্ডণ একোডাল পিন্ধাই পতা জাল বামুণবোৰ যুদ্ধৰ অন্তত দেখোন বেকা হৈ ৰহিল;—সেইখনে এতিয়া লণ্ডণো নেৰে, আৰু কেটিয়াই-পেটিয়াই আছল বামুণকো মাৰে।

* • *

এইবোৰ যি হওক, এতিয়া কথা হৈছে যে আমাৰ জন্মগত স্বত্ব জাতীয় কিবা এটা দিব খোজোতা বা নোখোজোতাসকলে আমাৰ এই "চুছুবি-চুছুবি" ব্যাপাৰলৈকে ঘনে ঘনে আঙ্গুলিয়াই আমাক কয়—"ভাৰতৰ ভিতৰত যেতিয়ালৈকে এনে অৱস্থা বিৰাজমান থাকে, তেতিয়ালৈকে তোমালোক এই সোণৰ সোলেংটো পাবৰ যোগ্য হব নোৱাৰা।" কিন্তু কোনেও মন কৰি নাচায় যে এই ব্যাধি অকল ভাৰতৰে অকলশৰীয়া বাপতীশাহোন নহয় [illegible] আকাৰ আৰু বিভিন প্ৰকাৰেৰে এই আদি-ব্যাধি পৃথিবী গোটেইখনতে ব্যাপ্তমান। আন কি, স্বাধীনতা, সাম্য, মৈত্ৰীৰ বিজয়ডঙ্কা বজাওঁতাসকলৰ ভিতৰত আৰু বেছি। আমেৰিকাৰ যুক্তৰাজ্যৰ দক্ষিণ প্ৰদেশবোৰত নিগ্ৰোজাতিৰ মানুহে ৰাজআলিৰ কাষেদি বগাজাতিৰ মানুহে অহা-যোৱা কৰিবলৈ ৰখা বাটেদি অহা-যোৱা কৰিব নাপায়; কৰিলে দায়। বগাৰে সৈতে নিগ্ৰো কলাই একেখন ট্ৰেম গাড়ীতে উঠি যাব নাপায়; একেটা হোটেলতে "খান" খাব নাপায়; ইত্যাদি। ভাৰতত নোচোৱা কেলৈ? বগাৰে সৈতে কলা ভাৰতীয়ই যেনেকৈ একেটা খোটালিতে উঠিলে বগাৰ জাত যাব লগীয়া হয়, আৰু বগা থওত একো-নাই হয়। এইবোৰ untouchability ৰোগৰ লক্ষণ নহয় তো কোনবোৰ? কেনিয়া দেশত ভাৰতীয়ই বগাৰে সৈতে একেফালে থাকিবলৈ বহা সাজিবলৈ গলেও বগাৰ "চুছুবি-চুছুবি" ব্যাধি উক্ দিয়ে। আমেৰিকাত নিগ্ৰোৰ বিপক্ষে "লিঞ্চ আইন" (Lynch Law) কি পদাৰ্থ অনেকে জানে। ১৯২০ খৃষ্টাব্দত আমেৰিকাত ৬৫ টা নিগ্ৰো মানুহক (তাৰে ভিতৰত এজনী তিৰুতাকো) লিঞ্চ কৰি মৰা হৈছিল। এই ৬৫ টাৰ ভিতৰত ৩১ টাক ফাঁচী দিয়া হৈছিল; ১৫ টাক গুলি কৰি মৰা হৈছিল; ১৩ টাক জীয়াই-জীয়াই পুৰি মৰা হৈছিল; দুটাক পানীত বুৰাই মৰা হৈছিল; এটাক বেত্তেৰে কোবাই

মৰা হৈছিল; আৰু ৮ টাক আন অবিদিত উপায়েৰে বধ কৰা হৈছিল। গ'ল বাৰৰ আমেৰিকাৰ ৰাজসভালৈ প্ৰতিনিধি নিৰ্ব্বাচনৰ সম্পৰ্কে হোৱা হেঙ্গামত ৩০ টাৰ ওপৰে নিগ্ৰোক "লিঞ্চ" কৰি মৰা হৈছিল;—বেচেৰাহঁতৰ দায় যে সিহঁতে বগাৰ গাৰে সৈতে নিজৰ ক'লা গা লগাই একেখন ঠাইতে "ভোট" দিবলৈ আহিছিল। পশ্চিমীয়া এনে untouchability ৰে সৈতে তুলনা কৰিলে ভাৰতীয় untouchability কিন্তু সোণামুৱা হয়। কিন্তু এনে বিধৰ untouchability থাকিও সেইদেশবোৰে স্বায়ত্তশাসন ভোগ কৰাত বিঘিনি হোৱা নাই; কেঠা এই আগবাঢ়িলেও নিৰ্ব্বংশৰ বেটা পিছ হুহঁকিলেও নিৰ্ব্বংশৰ বেটা ভাৰতবাসীৰ বেলিকাহে। ভাৰতীয় untouchability ধৰ্ম্মৰে সৈতে সানামিহলি [illegible] থকাৰ নিমিত্তে তাত বৰ্ব্বৰতাৰ মাত্ৰা কিন্তু অনেক কম।

• * •

<u>অসমীয়াই কানি খালে নে কানিয়ে অসমীয়াক খালে?</u>

ভাৰতৰ ভিতৰত, ভাৰত কিয় পৃথিবীৰ ভিতৰত ব্ৰহ্ম দেশ আৰু অসম দেশেই এটাইতকৈ বেছিকৈ কানি খায়। কিন্তু অসমে ব্ৰহ্মকো চেৰ পেলালে। মানতকৈ প্ৰায় দুগুণ কানি অসমীয়াই খায়। নিৰ্ভাজ অসমীয়া প্ৰায় ১০০০০ জনক বছেৰেকত ১০০ সেৰ কানি লাগে, নহলে তেওঁলোকৰ নচলে। নন্‌কোঅপৰেশ্যনৰ দিনত মহাত্মা গান্ধিৰ নামৰ বিক্ৰমত অসমত কানিৰ খৰচ প্ৰায় আদ্‌খিনি কমি গৈছিল। নন্‌কোঅপৰেশ্যন বধৰ লগে লগে কানি-অসুৰ পৰম বিক্ৰমেৰে আকৌ দুগুণ তেজেৰে থিয় হল। অসমীয়া মানুহবোৰক কানিয়ে খুলি খাই মাৰি পেলালে কাৰ কি লাভ হব বুজিব নোৱাৰিলো। মৰা মানুহৰপৰা ধনকে বা উলিয়াই ভঁৰাল ভৰাব কোনে কেনেকৈ তাকো ভাবি নাপাওঁ। লঙ্কালৈ যি যায় সিয়ে ৰাক্ষস হয় বুলি কয়। অসমীয়া মানুহবোৰ কানিৰ বিষত মৰি একেবাৰেই উজাৰ হলে, যিয়েই তেওঁলোকৰ পৰি থকা ভেটি-মাটিত বাস কৰিবলৈ যাব—সেইবোৰ বগাই বা কলাই বা তাম্ৰবৰ্ণীয়াই হওক—তাৰে গাত সেই বিষ লাগি সিয়েই মৰিব বুলি আমি ভাবিছো। কাৰণ মৰিশালি কাৰো পক্ষে স্বাস্থ্যকৰ ঠাই হব নোৱাৰে। আৰু সেই মৰিশালিত থাকিবলৈ যোৱাসকলে মৰি যোৱা অসমীয়াৰ শাওপাতত কানি খাবই লাগিব—তেহেলৈ সেই কানিক মলিয়েই হওক, নাইবা টিকিৰা কৰিয়েই হওক, নাই বিলাতী নাম দি ধুনীয়া চিচাৰ মাজত ভৈয়েই থাওক। তাৰ উপৰি অসমীয়া কানীয়া ভূত-প্ৰেতবোৰে তেওঁলোকক ঘাৰমুচৰি নামাৰি নেৰে। আচৰিত কথা যে কানিৰ সপক্ষে মাতিবলৈ আজিও অসমত "শিক্ষিত" নামধাৰী মানুহ ওলায়—ৰাজসভাতেই হওক নাইবা তেওঁলোকৰ টোকোৰা-পজাতেই হওক।

• • •

ললিতবিস্তৰ সংস্কৃত পুথি। তাত বুদ্ধৰ জন্ম আৰু জীৱনৰ বিষয়ে লেখা আছে। খৃষ্টাব্দ ৭০ ছনত এই পুথি চীন ভাষালৈ অনুবাদ কৰ[illegible] খৃষ্টজন্মৰ অনেক আগেয়ে এই পুথি ৰচিত হৈছিল। অশ্বঘোষৰ বুদ্ধচৰিতো সংস্কৃত গ্ৰন্থ। কনিষ্কৰ ৰাজত্ব কালত এই গ্ৰন্থ ৰচনা কৰা হয়। ললিতবিস্তৰৰ মতে যেতিয়া পুষ্যানক্ষত্ৰে চন্দ্ৰৰ বৃত্তত প্ৰবেশ কৰিছিল তেতিয়া বুদ্ধদেৱৰ জন্ম হৈছিল। আৰ্নেষ্ট ভন বুন্‌ছেনে (Earnest Von Bunsen) এই মতে গণনা কৰি উলিয়াইছে যে বুদ্ধৰ জন্মদিন হয় ডিচেম্বৰ মাহৰ ২৫ তাৰিখে। খৃষ্টমাছ অৰ্থাৎ যীচুখৃষ্টৰ জন্মদিনো এই তাৰিখতে।

• • •

অশ্বঘোষৰ বুদ্ধচৰিতত আছে যে ৰাজগৃহৰ ৰজা বিম্বিসাৰক তেওঁৰ মন্ত্ৰীসকলে কৈছিল,—আজি এটি লৰাৰ জন্ম হৈছে, গ্ৰহ-নক্ষত্ৰৰ ফলে সূচায় যে সেই লৰা জগতত শ্ৰেষ্ঠ হব। জ্ঞানী মানুহ কেইজনমানে এইদৰে ইহুদীৰ ৰজাকো যীচুৰ জন্মৰ কথা কৈছিল।

• • •

নিৰঞ্জন নৈত গৌতমে স্নান কৰি উঠি অৰ্হৎ কালমৰ ওচৰত দীক্ষা ললে। কিন্তু অৰ্হতে ততালিকে গৌতম কোন জানিব পাৰি অৰ্ঘাঞ্জলি গৌতমক দিলে। গেলিলিৰ পৰা অহাৰ পিছত যীচুৱে জৰ্ডান নৈত স্নান কৰি জন্-দি-বেপ্টিষ্টৰ ওচৰত দীক্ষিত হলত জন্-দি-বেপ্টিষ্টে যীচুক কলে, মইহে তোমাৰ ওচৰত দীক্ষা লব লাগে।

* • *

বুদ্ধই প্ৰথমতে যেতিয়া বৈশালিত ধৰ্ম্ম প্ৰচাৰ আৰম্ভ কৰে তেতিয়া তেওঁৰ বয়স ৩০ বছৰ। খৃষ্টইও ৩০ বছৰ বয়সত ধৰ্ম্ম প্ৰচাৰ আৰম্ভ কৰাৰ কথা লিখা আছে। বুদ্ধৰো ১২ জন ডাঙৰ শিষ্য; খৃষ্টৰো ১২ জন। বুদ্ধই বাৰানসীত তেওঁৰ প্ৰথম বক্তৃতা দিওঁতে যদিও সেই বক্তৃতাৰ ভাষা তেওঁৰ মাতৃভাষা মাগধী আছিল, তথাপি শ্ৰোতাসকল যদিও নানাভাষা ভাষী লোক আছিল," যেনে সৌৰাষ্ট্ৰী, মহাৰাষ্ট্ৰী, গান্ধাৰী, কলিঙ্গী, তথাপি সেই বক্তৃতা সকলোৱে নিজ মাতৃভাষাত কোৱা যেন শুনি বুজিছিল। খৃষ্টৰ বক্তৃতাৰ বিষয়েও এনে ঘটিছিল বুলি খৃষ্টীয় ধৰ্ম্মপুস্তকত লেখা আছে।

* * *

বুদ্ধই তেওঁৰ আগৰ অনেক জন্মৰ কথা সুঁৱৰিব পাৰিছিল। জনে লেখা গছ্পেল্ত আছে যে ফেৰিছিবোৰে যেতিয়া যীচুক কলে যে তোমাৰ বয়স ৫০ বছৰ হোৱা নাই, তথাপি তুমি এব্ৰাহেমক দেখিছিলা বুলি কৈছা। যীচুৱে উত্তৰ দিলে—"Before Abraham was I am" অৰ্থাৎ এব্ৰাহমৰ আগেয়েও মই আছিলোঁ। অৰ্জ্জুনে শ্ৰীকৃষ্ণক সুধিলে—"অপৰং ভৱতো জন্ম পৰং জন্ম বিবস্বতঃ। কথমেতদ্বিজানীয়াং ত্বমাদৌ প্ৰোক্তবানিতি॥" অৰ্থাৎ হে কৃষ্ণ, এই কালত তোমাৰ জন্ম, বিবস্বতৰ জন্ম হোৱাৰ কত কাল আগেয়ে; কেনেকৈ তুমি বিবস্বতক উপদেশ দিয়াটো সঁচা হব পাৰে?

কৃষ্ণই কলে—"বহূনি মে ব্যতীতানি জন্মানি তব চাৰ্জ্জুন। তান্যহং বেদ সৰ্ব্বানি ন ত্বং বেত্থ পৰন্তপ॥" অৰ্থাৎ মোৰ আৰু তোমাৰ বহুত জন্ম হৈ গৈছে, সেইবোৰ মই জানো, তুমি নাজানা।" কুশিনগৰৰ ওচৰত বুদ্ধৰ মৃত্যুৰ সংবাদ শুনি বুদ্ধৰ শিষ্যা গণিকা আম্ৰপালী লগৰীয়া আন আন গণিকাৰে সৈতে কান্দি-কাটি সেই ঠাইত ওলালহি, আৰু চকুৰ পানীৰে বুদ্ধৰ গা ধুৱাই দিলে। মেৰী মেগ্ডোলনে যীচুৰ ভৰি চকুৰ পানীৰে ধুউৱা কথা বাইবেলত লেখা আছে।

* * *

বাইবেলৰ অনেক "পেৰেবোল" অৰ্থাৎ উপদেশাত্মক গল্পেৰে [illegible] "পেৰেবোলৰ" এনে সাদৃশ্য আছে যে দেখিলে আচৰিত মানিব লাগে। বাইবেলৰ Parable of the Prodigal Son, বৌদ্ধৰ 'সদ্ধৰ্ম্ম পুণ্ডৰিক গ্ৰন্থত' আছে। নিকায় গ্ৰন্থত আছে— বুদ্ধই কৈছে, "যি মোত বিশ্বাস স্থাপন কৰে, তাৰ মুক্তি হয়।" যীচুৱেও এনে কথা কৈছে—"And whosoever liveth and believeth in me shall never die." অন্ধই অন্ধলোক পথ দেখুৱাৰ কথা যেনেকৈ বুদ্ধই কৈছে খৃষ্টইও কৈছে—"And if the blind lead the blind, both shall fall into the ditch."

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ

দ্বিতীয় অধ্যায়

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ মন্ত্ৰিত্ব আৰু ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ ৰাজত্ব কাহিনীৰ ইমান ওচৰা-উচৰি সম্বন্ধ যে স্বৰ্গদেৱৰ প্ৰধান বিষয়া কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ বিষয়ে চমুকৈ অলপ পৰিচয় দিয়া ভাল।

এই কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা বকতিয়ালৰ ৰূপচন্দ্ৰ বৰবৰুৱাৰ পুতেক, এওঁলোকৰ পূৰ্ব্বপুৰুষ চুকাফা ৰজাৰ লগত মাউলুঙৰ পৰা আহিছিল। তেওঁলোকৰ সতি-সন্ততিক চুবিন্‌ফা স্বৰ্গদেৱে চই-জৰী-জলম-বটা কৰি দিলে, আৰু বেজিৰ কামত লগালে, নাম থলে চেংচাই, কিন্তু মানুহে তেওঁলোকৰ ধৰক "গৰীয়া" বুলি মাতিছিল। পাছত এওঁলোক বকতাত বাস কৰাৰ কাৰণে বকতিয়াল নাম পালে, আৰু সাতঘৰীয়া আহোমৰ এঘৰ বুলি পৰিচিত হল।

ৰূপচন্দ্ৰ প্ৰথমতে সাধাৰণ আহোমৰ ঘৰৰ ল'ৰা আছিল। আহোম ৰজাৰ দিনত আহোমৰ প্ৰজাৰ দুই বিভাগ আছিল, প্ৰথম কাঁড়ী পাইক আৰু দ্বিতীয় চমুৱা পাইক। কাঁড়ী পাইকে ৰাজ্যৰ যাৱতীয় কাৰ্য্য সকলো সম্পাদন কৰিছিল আৰু আৱশ্যক বুজি ধেনু-কাঁড় হিলৈ-তৰোৱাল লৈ ৰণলৈ গৈছিল; কিন্তু চমুৱা পাইকে মাথোন ৰাজ্যৰ কিছুমান ওখ তৰপৰ কাৰ্য্য হে কৰিছিল। সেইদেখি মান-মৰ্য্যাদাত কাঁড়ী পাইক [illegible]কতকৈ হীন আছিল। অৱশ্যে এই কাঁড়ী পাইকৰ পৰা চমুৱা শ্ৰেণীলৈ উন্নত হৈ যোৱাত কোনো হকা-বধা নাছিল, আৰু এই কাঁড়ী পাইকেই ৰাজ্যৰ কাৰ্য্যশক্তি আৰু সমৰশক্তিৰ মেৰুদণ্ড স্বৰূপ আছিল। সেই দেখি পূৰ্ণানন্দ বুঢ়াগোহাই ডাঙৰীয়াই এবাৰ কৈছিল, "কাঁড়ী কঠিয়াতলী"। কাঁড়ীৰ শ্ৰেণীৰ পৰা চমুৱা শ্ৰেণীলৈ উঠি পাছলৈ বৰবৰুৱাৰ বিষয় লাভকৰা স্বত্বেও বকতিয়ালৰ ৰূপচন্দ্ৰৰ পৰিয়ালক মান-মৰ্য্যাদাত হীন বুলি মানুহে বিবেচনা কৰিছিল। তাৰ উপৰিও এওঁলোকে জলমবটাৰ কামকৰা বুলি মানুহে এওঁলোকৰ বিষয়ে ভিতৰি ভিতৰি ফু-ফু-ফা-ফা কৰিছিল। জলম জালজৰীৰে গুথি মাছ-চৰাই আদি ধৰিবৰ নিমিত্তে কৰা এবিধ যতন, আৰু মৰাপাটৰ জৰীৰে গুথি জমাৰ নিচিনাকৈ কৰা বহুৱাৰ সাজ। বকতিয়ালৰ ৰূপচন্দ্ৰৰ পৰিয়ালে আৰু পূৰ্ব্বপুৰুষে চই-জৰী জলমবটা আৰু বেজিৰ কামত নিযুক্ত থাকি জীবিকা মোকোলাইছিল। সেইদেখি এওঁলোক জলমবটা গৰীয়া বা দৰ্জ্জি শ্ৰেণীত পৰিগণিত হৈছিল।

কাঁড়ী আৰু চমুৱাৰ নাম থকা পিয়লৰ কাকত আছিল। কাঁড়ীৰ পৰা চমুৱালৈ কোনো পাইকক তুলিলে কাঁড়ীৰ কাকতৰ পৰা তাৰ নাম কটোৱা হয়। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত বকতিয়ালৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই এদিন কাঁড়ীৰ হিচাপ লোৱাত এদল কাঁড়ীৰ মাজত এপোৱা পাইক পোৱা নগল। সেই পাইকটো কলৈ গল এই বিষয়ে বৰবৰুৱাৰ-বিষয়াই অনুসন্ধান কৰিবলৈ ধৰিলে। কিন্তু নোপোৱাত বিষয়াৰ ওপৰত বৰবৰুৱাৰ কোপ হোৱাত বৰবৰুৱাই বিষয়াক দণ্ড বিহিবলৈ মনস্থ কৰিলে। কিন্তু বৰবৰুৱা নিজেই যে হেৰোৱা পাইকটো তাক কোনেও কব নোৱাৰে। পিছত এজন বৰাই এই কথা তলকি মৰণত শৰণ দি নতজানু হৈ বৰবৰুৱাত জনালে, "দেউতা ঈশ্বৰে ছাঁ হে লেখিছে, গা লেখিলেই হেৰোৱা পাইক ওলাব।" সুবুদ্ধি বৰবৰুৱাৰ আৰু বুজিবলৈ বাকী নাথাকিল যে তেৱেঁই সেই হেৰোৱা পাইক। তাৰ পাছত যথাৰীতি স্বৰ্গদেৱৰ অনুমতিৰে বৰবৰুৱাই কাঁড়ী কাকতৰ পৰা ওলাই চমুৱা শ্ৰেণীত ভুক্ত হল।

কিন্তু পঙ্কময় ঠাইটো পদুমফুল ফুলে, আৰু হীন কুলতো বিচক্ষণ বিচক্ষণ পুৰুষৰ জন্ম হয়। সুবিধা পালে তেওঁলোকে নিজৰ মনুষ্যত্বৰ, নিজৰ প্ৰতিভাৰ বিকাশ কৰিব পাৰে। মোমাই তামুলী বৰবৰুৱা সাধাৰণ আহোমৰ ঘৰৰ লৰা আছিল। প্ৰতাপসিংহ স্বৰ্গদেৱৰ সেই সাধাৰণ আহোমৰ লৰাৰ ওপৰত চকুপৰাত স্বৰ্গদেৱে তাক ৰাজকাৰেঙলৈ আনি পাছলৈ বিষয়-মৰ্য্যাদা দি এজন প্ৰভুভক্ত কৰ্ত্তব্যপৰায়ণ— দেশহিতৈষী ৰাজবিষয়া কৰি ললে। এইদৰে ৰূপচন্দ্ৰয়ো স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ তেওঁৰ ওপৰত চকুপৰাত সুবিধা পাই পাছলৈ বৰবৰুৱাৰ আসন লাভ কৰেগৈ।

মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱ এদিন বকতালৈ শেন মেলিবলৈ গৈছিল। স্বৰ্গদেৱক চাবলৈ বহুত প্ৰজা গোট খাইছিল। কিন্তু তাৰ ভিতৰত সবাতকৈ দেখনিয়াৰ চকুত লগা আছিল অতি জুকলা কাপোৰ-কানি পিন্ধা ৰূপচন্দ্ৰ। কিন্তু সেই দোবাওলোমা কাপোৰ-কানিৰ মাজেদিও ৰূপচন্দ্ৰৰ স্বাভাৱিক প্ৰতিভা বিৰিঙি ওলাইছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱে ৰূপচন্দ্ৰক ওচৰলৈ মাতি আনিলে, তাৰ সকলো দুখৰ বৃত্তান্ত শুনিলে আৰু ৰজাৰ তেওঁলৈ দয়া জন্মাত স্বৰ্গদেৱে ৰূপচন্দ্ৰক কাৰেঙলৈ লৈ আহি ৰাজঘৰীৰ পৰীয়া কামত লগালে।

স্বাভাৱিক প্ৰতিভা থাকিলে সামান্য দুখীয়া অৱস্থাতো সেই প্ৰতিভাৰ পৰিচয় দিব পাৰি। এদিন ৰাতি ফেঁচা

এটাই স্বৰ্গদেৱৰ শোৱনীঘৰত পৰি কুকুলিয়াবলৈ ধৰিলে। স্বৰ্গদেৱে অমঙ্গল আশঙ্কা কৰি ৰূপচন্দ্ৰক আদেশ কৰিলে, "এই আপদীয়া ফেঁচাটোক কাঁড়েৰে দুই চকুৰেদি শি মোৰ ওচৰলৈ আনিব লাগে।" তেতিয়া ধকা-চমকা পোহৰ; ৰূপচন্দ্ৰই এই কালিটি কালিহি পোহৰতে ফেঁচাটোক কঁড়িয়াই মাৰি, তাহানি নিতায়ে কেৰ্কেটুৱা মাৰি ৰজাৰপৰা সাধনী কুঁৱৰীক লাভ কৰাৰদৰে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰপৰা মনে-নভৰা শলাগনি আৰু ধোৱাবৰুৱাৰ বিষয় লাভ কৰিলে। ৰূপচন্দ্ৰই ৰজাউঠা উগ্ৰতেজী ধোঁৱাবোৰক শিকাই এনে ভাতি কৰিলে যে স্বৰ্গদেৱে ধোঁৱাত উঠিলে ধোঁৱাত উঠা যেন নেপাইছিলেই। এনেকৈ স্বৰ্গদেৱে ৰূপচন্দ্ৰক যি কামতে লগাইছিল তাতে তেওঁ নিজৰ সকলো শক্তি প্ৰয়োগ কৰি ব[illegible] বিশ্বাসভাজন হৈছিল আৰু ইয়াৰ গুণতে তেওঁ বৰবৰুৱাৰ বিষয় লাভ কৰিছিল। স্বৰ্গদেৱ শিৱসিংহৰ আমোললৈকে এই বিষয় ভালেমান বছৰ ভোগ কৰি ৰূপচন্দ্ৰ যেতিয়া অলৰ-অথৰ হয়, তেতিয়া স্বৰ্গদেৱে এদিন কলে, "ৰূপচন্দ্ৰ তুমি জিবোৱা, তুমি বুঢ়া হৈছা, তোমাৰ লৰা গেন্ধেলা কাজ-কাম শিকি বুজি পৈণত হৈছে, তাক মই বৰবৰুৱা পাতোঁ।" বুঢ়া হল কি হল?—ৰূপচন্দ্ৰৰ শক্তি তেতিয়াও অটুট আছিল। তেওঁ কোনোপধ্যে বৰবৰুৱাৰ পদ এৰিবৰ ইচ্ছা নকৰি মৃত্যুৰ কাললৈকে ৰাজবিষয় থাবলৈ বাঞ্ছা কৰিলে। ৰূপচন্দ্ৰৰ প্ৰবল ইচ্ছা আৰু উৎসাহ দেখি স্বৰ্গদেৱে তেওঁক বৰবৰুৱাৰ পদতে ৰাখিলে। ইয়াৰ দুবছৰৰ পাছত ৰূপচন্দ্ৰ বৰবৰুৱাৰ মৃত্যু হয়, আৰু তেওঁৰ পুতেক গেন্ধেলাক ৰজাই সেই পদত নিযুক্ত কৰে, আৰু তেওঁ সেই পদ দুবছৰ ভোগ কৰাৰ পাছত স্বৰ্গদেৱ শিৱসিংহৰ মৃত্যু হয়। ৰূপচন্দ্ৰই ৰজাৰ অনুৰোধমতে বৰবৰুৱাৰ পদ ত্যাগ কৰি গেন্ধেলাক ৰাজবিষয় থোৱাৰ সুচল কৰি নিদিয়াত গেন্ধেলাই বৰ বিষম বেজাৰ পাইছিল, এনেকি, পিতাকৰ কাঠ-সংস্কাৰলৈ নিজে নগৈ গেন্ধেলাই পুতেকইতক হে পঠিয়াইছিল।

এই গেন্ধেলা বা, পাছলৈ, কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই ১৬২১ শকত জন্মগ্ৰহণ কৰে। তেওঁ বৰ বুদ্ধিমন্ত আছিল, আৰু পিতাক ৰূপচন্দ্ৰ বৰবৰুৱাৰ লগত থাকি ৰাজকাৰ্য্য চাই অতি কম বয়সতে শিকি বুজি ৰজাঘৰীয়া কামত পৈণত হৈছিল। ১৬৬৪ শকত এওঁ বৰবৰুৱাৰ বাব পায়। প্ৰমত্তসিংহ ৰজাৰ দিনত এওঁৰ আৰু সোণাই বুঢ়াগোহাঁইৰ ক্ষমতা প্ৰকাৰান্তৰে ৰজাতকৈ বেছি আছিল। কিন্তু সেই বুলি পূৰ্ব্বকালৰ ডেবেৰা বৰবৰুৱা আৰু লালুকশোলা বুঢ়াফুকনৰদৰে এই ক্ষমতা অন্যায় কাৰ্য্যত, স্বাৰ্থসিদ্ধিৰ কাৰণে তেওঁলোকে প্ৰয়োগ কৰাৰ প্ৰমাণ আমি পোৱা নাই।

অৱশ্যে ভ্ৰাতৃভক্ত ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে হোঁহোকা-পিচলা কৰি থকা স্বত্বেও কীৰ্ত্তিচন্দ্ৰই বাধ্য কৰি ৰাজ-সিংহাসনত বহুৱাত ভ্ৰাতৃ-প্ৰেমত আঘাত পাই স্বৰ্গদেৱ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ প্ৰতি অলপ অসন্তুষ্ট হৈছিল। সাধাৰণ আ[illegible] ৰ লৰা কীৰ্ত্তিচন্দ্ৰ এইদৰে ক্ষমতাপন্ন হোৱা দেখি বিষয়াসকলে কীৰ্ত্তিচন্দ্ৰক ঈৰ্ষাৰ চকুৰে চাইছিল। ১৬৮২ শকত এদিন সন্ধ্যাকালত বৰবৰুৱাই স্বৰ্গদেৱৰ স'তে মেলপাতি দৰিকাদুৱাৰ সোমাওঁতেই এটা চোৰে তেওঁক পাছফালৰপৰা ডিঙিত দাৰে ঘা মাৰিলে। এই চোৰক বৰবৰুৱাৰ প্ৰতি কক্ষাথকা বিষয়াসকলে ফেটাই এই কামত নিযুক্ত কৰিছে বুলি সকলোৱে জানিছিল। বৰবৰুৱাই আয়ুসৰ বলত কোনোমতেহে এইবাৰ ৰক্ষা পালে; তেওঁৰ ডিঙিত দাৰ কোৱ নপৰি গলধনৰ গুৰিত চুৰীয়া কাপোৰ আৰু জোৰ এঙ্গাচোলা কাটি চাৰি আঙুলমান বহিল।

বৰবৰুৱাৰ লগত টেকেলা বৰা আছিল, সি তুৰন্তে গৈ চোৰক সাৱট মাৰি ধৰি আটক কৰিলে আৰু ৰাৰৰ তামুলীৰ পুতেক ৰামকৃষ্ণয়ে বৰবৰুৱাক সাৱটি ধৰি আৰু গোটাচেৰেক মানুহে সৈতে লগলাগি বৰবৰুৱাৰ ডিঙিত কাপোৰ মেৰিয়াই তেজ যোৱা বন্ধ কৰি বৰবৰুৱাক ঘৰলৈ লৈ আহিল। বৰবৰুৱাৰ পুতেক চোলাধৰা ফুকনে তেতিয়া স্বৰ্গদেৱৰ চোলাধৰা ভাণ্ডাৰত কাম কৰি আছিল। দেউতাকৰ এনে আকস্মিক দুৰ্ঘটনাৰ বাতৰি পাই অতি বিহ্বল হৈ স্বৰ্গদেৱৰ চাওঁলৈ গৈ স্বৰ্গদেৱক কলে, "স্বৰ্গদেৱৰ বন্দী বৰবৰুৱাক ৰজদুৱাৰৰ ভিতৰতে চোৰে ঘৈয়ালে, কোনেবা ঘৈয়াইছে তাক বুজিব নোৱাৰি।" এই কথা

শুনি স্বৰ্গদেৱে বিস্ময়মানি কলে, "বাৰু, ইয়াৰ বিচাৰ কৰা যাব। মই বিশ্বমানে পকাত মোৰ বৰবৰুৱাক কোনে ঘৈয়াইছে তাক যথোচিত শাস্তি দিয়া হব।"

সেইদিনা ৰাতি বৰবৰুৱাৰ আৰু কিবা দুৰ্ঘটনা হয় বুলি তেওঁৰ টোলত পালি-পহৰীয়া ৰখা হৈছিল, আৰু ৰজাই হিলৈদাৰী বৰুৱাক বৰবৰুৱাৰ টোলৰফালে হিলৈ-টোঁৱাই হিলৈ পাতিবলৈ কৈছিল, যাতে ৰাতি ষড়যন্ত্ৰকাৰী শত্ৰুৱে বৰবৰুৱাৰ ঘৰ সোমালে হিলৈৰ গুলিৰে মাৰিব পাৰি।

এই কামত লিপ্ত আছে বুলি মিৰি সন্দিকৈৰ নাওবৈচা ফুকনক বন্দী কৰি পোৱা হল। তেওঁ আওপৰত বৰচ'ৰাত বহাৰৰত বহি আছিল আৰু গড়ৰ ভিতৰত উহ্মিহ্ লগা শুনি ৰজাৰ নগৰত [illegible] তেনে সন্দেহত ঢেকিয়ালবৰুৱাকো বন্দী কৰা হৈছিল।

বৰবৰুৱাই এই কামত স্বৰ্গদেৱৰ হাত আছে বুলি সন্দেহ কৰিছিল। এই দুৰ্ঘটনাৰ কিছুদিনৰ পাছত বৰবৰুৱাই আৰোগ্য লাভ কৰি আপোনাৰ পানীঘৰলৈ দোলাৰে আহি ৰজালৈ জনাই পঠালে, "এনে কাম মহাৰাজৰ আদেশমতে হৈছে যদি এইদৰে লাঞ্ছনা কৰি মৰাৰৰ ফিকিৰ কৰা আৱশ্যক নাছিল। যদিহে মহাৰাজৰ আদেশ নাইহে তেনেহলে, মইনো কাৰ কি হিংসা বা অপকাৰ কৰিছো? কি বাবে নো মোক ইহঁতে বধিবলৈ ধৰিছিল?" বৰবৰুৱাক কটা কামত স্বৰ্গদেৱৰ সন্মতি আছিল বুলি আনেও বিশ্বাস কৰিছিল, কিন্তু এই সন্মতি দিওঁতে স্বৰ্গদেৱে এই দোষৰ পৰা পাছলৈ অব্যাহতি পাবৰ কাৰণে পূৰ্ব্বেই বাট চিকুণাই থৈছিল। বৰবৰুৱালৈ হিংসাথকা বিষয়াসকলে এদিন বৰবৰুৱাৰ বিৰুদ্ধে নানান কথা লগাই স্বৰ্গদেৱৰ আগত বৰবৰুৱাক মাৰিবৰ প্ৰস্তাৱ কৰিলে। ৰজাই তাৰ উত্তৰত কলে, "যদি বৰবৰুৱা তোমালোকৰ দ্বাৰাই মৰে, তেন্তে মোৰ আজ্ঞাতেই দণ্ড হল বুলি কম; যদিচাৎ নমৰে, তেন্তে মোৰ আজ্ঞা নাছিল বুলি কম।" এই বন্দবস্ত মতে, বৰবৰুৱাই স্বৰ্গদেৱলৈ নিজৰ দুৰ্ঘটনাৰ কথা জনাই পঠোৱাত স্বৰ্গদেৱে একেবাৰে আঁস মাতিলে, অৰ্থ কৈ পঠালে বৰবৰুৱাই নিজে বিচাৰ কৰি যাক যাক দোষী পায় তাক দণ্ড কৰক, স্বৰ্গদেৱৰ তাত একো হকা-বধা নাই।

ৰসেন্দ্ৰৰ ঘৰৰ ধন্বন্তৰীসম বৈদ্য শূলপাণি বৰুৱাই বৰবৰুৱাৰ ঘা চিকিৎসা কৰিবলৈ ধৰিলে। অসমীয়া বৈদ্যশাস্ত্ৰত অতি উপকাৰী প্ৰতিকাৰ আছিল, তাৰ সহায়েৰে বেঙ্গে অতি সোনকালে বৰবৰুৱাৰ ঘা শুকুৱাই তেওঁক উঠি-লৰি ফুৰিব পৰা কৰিলে। তাত বৰবৰুৱাই ৰসেন্দ্ৰৰ ঘৰৰ প্ৰতি কৃতজ্ঞতাপৰায়ণ হৈ তেওঁলোকক বহুত মাটি-বৃত্তি আৰু বটা প্ৰসাদ দিলে। তেতিয়াৰপৰা ৰসেন্দ্ৰৰ ঘৰ বৰ ক্ষমতাপন্ন হল।

বৰবৰুৱাৰ শঙ্কা হল তেওঁক আগলৈকো কোনোবাই প্ৰাণে মাৰিবলৈ চেষ্টা কৰিব পাৰে। সেইদেখি তেওঁ নিজৰ গা-ৰখীয়া কৰি স্বৰ্গদে[illegible]ভকাইচুকীয়া এহেজাৰ মানুহ ললে। সিহঁতে টাঙোন লৈ বৰবৰুৱাৰ লগত পালপাতি ফুৰিছিল। বৰবৰুৱাই নিজৰ পানীঘৰ টুপলগোৱা কৰি ললে, আৰু ৰজাৰ নগৰতো বৰজাপী লৈ ফুৰিবলৈ অনুমতি পালে।

বৰবৰুৱাই সুস্থ হৈ দোষীবোৰক বিচাৰ কৰিবলৈ ধৰিলে। হাতত জোৰ-আৰিয়া নোহোৱাত দুৰ্ঘটনাৰ দিনা ৰাতি প্ৰধান ঘৈওৱা মানুহটোক কোনোৱে চিনি নেপাইছিল। পিছদিনা ৰাতিপুৱা পোহৰ হোৱাত তাক সকলোৱে চিনি পালে, তাৰ নাম ৰতিকান্ত গনক, আৰু তাৰ আছল ঘৰ আছিল নাজিৰা-হাটত। স্বৰ্গদেৱৰ আজ্ঞাৰে ৰতিকান্তক সোধা হল, "এই কৰ্ম্ম কাৰে সৈতে আলচ কৰি কৰিলি?" ৰতিকান্তই কলে, "মই ঘৈয়াইছিলো স'চা; কিন্তু মোৰ লগত এই কেইটা মানুহ আছিল, প্ৰথম চাওদাঙৰ বৰচবুৱা মনধন্জ; দ্বিতীয়, লুথুৰা সনৰ ঢেকিয়ালবৰুৱা মণি, তৃতীয় তেওঁৰ ভাগিনীয়েক সন্দিকৈৰ দৈয়ঙীয়া ডেকা। ইহঁত আটাইকেইটা দোষী বুলি প্ৰমাণ হোৱাত বৰদুৱাৰৰ মুখৰ হাতীশালত লোহা দি থোৱা হল। কিছুদিনৰ পাছত বৰবৰুৱাৰ আদেশমতে চাওদাঙে মনধন্জক তেলত ভাজি মাৰিলে, আন আন দোষী মানুহক কুঠাৰেৰে ফালিলে। প্ৰধান দোষী ৰতিকান্তক কুঠাৰেৰে ফলা হল, আৰু যি কমাৰে বৰবৰুৱাক

কটা মিত দাখন গচ্ছিছিল তাৰো নাক-কাণ কটা হল।

মণি ঢেকিয়ালবৰুৱাক বন্দীশালত থওঁতে মূৰত হাছটিগছ নেপাই এদিন বন্দীশালৰ ওচৰেদি যাওঁতে বাৰুকিয়াল বৰগোঁহাইৰ পৰীয়া ঘৰফলীয়া বৰুৱাক ঢেকিয়াল বৰুৱাই মাত লগালে, "মোৰ মূৰত হাছটি নাই, তোমাৰ হাছটিগছি মোলৈ দি পঠোৱাঁ।" ঘৰফলীয়া বৰুৱাই উদাৰচিত্তেৰে সৰলমনেৰে হাছটিগছি বন্দীশালত থকা মণি ঢেকিয়াল বৰুৱালৈ দি পঠালে। বন্দীৰখীয়া টেকেলাই গৈ বৰবৰুৱাৰ আগত এই কথাৰ গোচৰ দিলেগৈ। এই ঘৰফলীয়া বৰুৱা বৰবৰুৱাৰ আপোন ভিনিহীয়েক আছিল। ভিনিহীয়েকৰ এই অপৰাধৰ কথা বৰবৰুৱাই স্বৰ্গদেৱলৈ জনালে। তাতে স্বৰ্গদেৱে এই বুলি দায় ধৰিলে, "বন্দীকৰা মানুহক ঘৰফলীয়া বৰুৱাই কিয় হাছটি দিব?" এই অপৰাধত ঘৰফলীয়া বৰুৱাৰ বিষয়-বাব কাঢ়ি লৈ তেওঁক ভাঙি খেদি দিয়া হল।

এইদৰে ছমাহ ধৰি দোষীবোৰক বিচাৰ কৰিবলৈ ধৰিলে। সোধত দোষী প্ৰমাণিত হৈ ঢেকিয়ালবৰুৱা আৰু তেওঁৰ ভাগিনীয়েক দুয়োকে বৰবৰুৱাই শালত দিলে। ভাগিনীয়েকৰ কান্ধত হাছটি দি দুয়োকে ভুৰ বান্ধি উটুৱাই পঠিয়ালে। নাওবৈচা-ফুকনক নাক-কাণ কাটি নিবোকত পাতিলে।

এই বিচাৰত দিহিঙীয়া বৰবৰুৱা কৈদৰ বুঢ়াঢেকিয়াল-ফুকনক দোষী কৰি শালত দিয়া হল। মৃত্যুৰ সময়ত ঢেকিয়ালফুকনে কলে, "অই গেন্ধেলা, অনাদোষত মোক যেনেকৈ চঁচাশালত দিছা, তেনেকৈ অনাদোষত তুমিও নচঁচাশালত যাবা।" বাস্তৱিকে বুঢ়া ঢেকিয়াল ফুকনৰ এই অভিশাপ কালচক্ৰত গৈ ফলিয়ালে। ১৬৯৯ শকত মৰাণে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু তেওঁৰ পুতেক চন্দ্ৰহাসক নচঁচা শালত দি মাৰিলে। আগৰ নাওবৈচাফুকন আৰু ঢেকিয়ালফুকনৰ পাছত মিৰিসন্দিকৈ নাওবৈচা ফুকন আৰু তেওঁৰ পুতেক থঙীয়া ফুকন ঢেকিয়ালফুকন হল।

যদিহে স্বৰ্গদেৱে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক মাৰিবলৈ ভিতৰৰ মত দিছিল, তেন্তে তেওঁ তাৰ নিমিত্তে বৰবৰুৱাই এই দৰে শাস্তি দিয়াত স্বৰ্গদেৱে হকাবধা নকৰাটো কিমান সমীচীন হৈছিল, আমি কব নোৱাৰো। তেওঁ অন্ততঃ দোষীবিলাকক ৰক্ষা কৰিব লাগিছিল, কাৰণ সিহঁতে স্বৰ্গদেৱৰ আদেশমতেহে কাম কৰিছিল। ইয়াৰ পৰা বুজা যায়, কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ প্ৰতাপ কিমান আছিল।

তৃতীয় অধ্যায়

কীৰ্ত্তিচন্দ্ৰৰ বুৰঞ্জীদাহ

বৰবৰুৱাই আৰু এটা কামত তেওঁৰ প্ৰতাপ বৰকৈ দেখুৱাইছিল। আহোমসকলে অন্যান্য বস্তুৰ লগত আমাৰ দেশলৈ এটা বৰ সুন্দৰ প্ৰথা আনে, এয়ে হৈছে বুৰঞ্জী-ৰচনা। পোনতে ৰজা আৰু ৰাজবিষয়াই ব্যৱহাৰ কৰা আহোম ভাষাত এই বুৰঞ্জীবোৰ লিখা হৈছিল, পাছলৈ ৰজাই আহোম[illegible]ীয় শাৰীলৈ থৈ অসমীয়া ভাষা প্ৰচলন কৰিবলৈ ধৰিলে। তেতিয়াৰপৰা অসমীয়া ভাষাৰ বুৰঞ্জীবোৰ লিখিবলৈ ধৰা হয়। এই বুৰঞ্জীবোৰত অসমীয়া গদ্যৰ পুৰণি চানেকি পোৱা যায়। দেশৰ যাৱতীয় কথা এই বুৰঞ্জীবোৰত ৰক্ষিত হৈছিল। বিদেশলৈ পঠোৱা আৰু বিদেশৰপৰা অহা চিঠি-পত্ৰবিলাকো এই বুৰঞ্জীবোৰত ৰক্ষিত হৈছে। এই বুৰঞ্জীবোৰ অসমীয়াৰ গৌৰৱৰ বস্তু।

ৰজাৰ বিষয়াসকলে ৰাজ্যৰ নানা ঠাইৰপৰা ৰজালৈ কটকীৰ হতুৱাই খা-খবৰ দি পঠিয়াইছিল, আৰু যুদ্ধ-বিগ্ৰহাদিৰ কালত সেনাপতিসকলে দিনৰ বাতৰি দিনে মুখ-জেৰানে বা পত্ৰ দ্বাৰাই ৰজালৈ পঠাই আছিল, ৰজাই পাত্ৰ মন্ত্ৰীৰ লগতে সেইবোৰ পঢ়ি তাৰ ওপৰত যথোচিত আদেশ দিছিল। এই চিঠিবোৰ ৰজাৰ মহাফেজখানাত থোৱা হৈছিল। তাৰ উপৰিও গন্ধীয়া ভঁৰালত ৰজাৰ পুথি-পাঁজি, খাম্‌তী, মান, চিংফৌ, মিচিমি, আবৰ, ডফলা, ভোট, গাৰো, মিকিৰ, নগা এইবোৰ দেশৰপৰা অহা চিঠি-পত্ৰাদি থোৱা হৈছিল। মুছলমানসকলৰপৰা অহা চিঠি-পত্ৰাদি মাতিবলৈ ৰজাৰ চ'ৰাত সুশিক্ষিত পাৰ্চী-পঢ়ীয়া আছিল। সেইবোৰ চিঠিও সাৱধানে সংৰক্ষিত হৈছিল। সেইবোৰ চাইচিতি নকল আদি কৰি থবলৈ এদল লিখক আৰু কাকতী আছিল। তেওঁলোকে লিখকৰ বৰুৱাৰ তত্বাৱধানত কাম কৰিছিল। এইবোৰ পুথি-

পাঁজি চিঠি-পত্ৰ যত্ন কৰি পঢ়ি তাৰপৰা সাৰ-মৰ্ম্ম লৈ বছৰে-ছমাহে বা কোনো এটা ডাঙৰ ঘটনাৰ পাছত বিৱৰণ লিখা হৈছিল। সেইবোৰ বিৱৰণ আগৰ বিৱৰণ-বোৰৰ লগত লগাইথোৱা হৈছিল। সেইদৰে সময়ে সময়ে নতুন কথা যোগ দি থোৱা হৈছিল। তাৰ উপৰিও আমাৰ যিমানদূৰ বিশ্বাস ৰজাঘৰীয়া দৈনন্দিন কথাবোৰ লিখি যাবলৈ নিৰ্দ্দিষ্ট লিখক আছিল। নহলে অসম বুৰঞ্জীত আমি ইমান ঠিকমতে শক-তাৰিখ-মাহ-বাৰ আৰু ৰাজচ'ৰাৰ চলন্তী কাৰ্য্যৰ হুবহু বৰ্ণনা নাপালোহেঁতেন।

চিৰিংফুকনৰ বিষয়টো সাধাৰণতে বহুভাষাজ্ঞ সুপণ্ডিত মানুহক দিয়া হৈছিল। দোভাষীয়া ভাষাৰে চিঠি-পত্ৰ আহিলে মাতিবৰ কাৰণে চিৰিংফুকনলৈ থৈ দিয়া হৈছিল। বদনচন্দ্ৰ বৰফুকনে মাতি অনা মানসেনাপতিয়ে দিয়া চিঠিখন পূৰ্ণানন্দ বুঢ়াগোঁহাই ডাঙৰীয়াই চিৰিংফুকনৰ হতুৱাই হে মতাইছিল। সেইদৰে গৌৰীনাথসিংহ ৰজাৰ দিনত চিংফৌৰ পৰা অহা চিঠিখন চিৰিংফুকনে মাতিছিল।

চিৰিংফুকনৰ বিষয়পোৱা মানুহজনে দেশৰ বুৰঞ্জীও ভালকৈ জানিব লাগিছিল। কাৰণ 'ষ কালত আজি-কালিৰদৰে লিপিবদ্ধ আইন নাছিল, তেতিয়া পূৰ্ব্বানুমত আৰু পূৰ্ব্বপ্ৰচলিত প্ৰথা অনুসৰণ কৰাৰ বাহিৰে আন একো পন্থা নাছিল। কিন্তু কোনো বিষয়ে পূৰ্ব্বে হৈ যোৱা মত বা সিদ্ধান্ত কি তাক সোঁৱৰাই দিছিল এই চিৰিং ফুকনে।

বুৰঞ্জী জানিলে দেশৰ প্ৰথা আৰু পূৰ্ব্বপ্ৰচলিত প্ৰথা জনা যায়। এই কাৰণে ৰাজকোঁৱৰ আৰু বিষয়া আদিৰ লৰাক ৰাজকাৰ্য্য শিক্ষাদিয়াৰ প্ৰধান ভেটি আছিল বুৰঞ্জী। এই বুৰঞ্জীয়েই আমাৰ প্ৰধান শাস্ত্ৰ, ইয়েই আমাৰ ধৰ্ম্ম-শাস্ত্ৰ, ইয়েই আমাৰ আইন আৰু ইয়েই আমাৰ পুৰাণ। যিসকলে পুথি পঢ়িব নোৱাৰিছিল তেওঁলোকক সাধুকথাৰ ছলেৰে মুখেমুখে বুৰঞ্জীৰ কথাবোৰ শিকোৱা হৈছিল, আৰু বুৰঞ্জীকোৱা এবিধ মানুহৰ কাম ৰজাৰ বিবাহ আদিত বৰ লাগতিয়াল আছিল।

আজিকালিৰ দিনত সাময়িক ঘটনাবোৰ বাতৰি-কাকতত লিপিবদ্ধ হয়। সেই সাময়িক ঘটনাবোৰ পঢ়ি তাৰ সাৰমৰ্ম্ম লৈ আগলৈ ঐতিহাসিকে ইতিহাস সঙ্কলন কৰে। সেইদেখি আজিকালি বুৰঞ্জীক জাবৰ-জেঙা নোহোৱা বাতৰিকাকত বুলি কোৱা হয়। আমাৰ দেশত তাহানি বাতৰিকাকত নাছিল, এই বুৰঞ্জীবোৰেই বাতৰিকাকতৰ ঠাই পূৰাইছিল। বুৰঞ্জীত লিপিবদ্ধ হোৱাত সাময়িক ঘটনাবোৰ ইটোৰ মুখৰ পৰা সিটোৰ মুখলৈ বাগৰি দেশত ৰাষ্ট্ৰ হৈ পৰিছিল। এইদৰে বুৰঞ্জীবোৰ থাকে থাকে লিখি যোৱা হৈছিল, সেইদেখি আগৰ বুৰঞ্জীবোৰ পঢ়িলে ভিন্ন গদ্যভাষা আৰু বেলেগ বেলেগ গ্ৰন্থকাৰৰ হাত সেই-বোৰত স্পষ্ট দেখা যায়। এনেকি প্ৰায়বোৰত হাতৰ আখৰৰ ভিন ভিন যুগৰ চাব ধৰিব পাৰি। কিছুমান বুৰঞ্জীৰ ইমূৰৰপৰা সিমূৰলৈকে হাতৰ আখৰ একে, যদিচ ভাষা বেলেগ। ইয়াৰ অৰ্থ হৈছে, পুথিপ্ৰিয় বুৰঞ্জী-অনুৰাগী অসমীয়াই নিজৰ পুথি-ভঁৰালত বুৰঞ্জী এখনি থাপনা কৰিবৰ কাৰণে আনৰ ঘৰৰ পৰা বুৰঞ্জী পুথি ধাৰ কৰি আনি নকল কৰিছিল; মূল বুৰঞ্জীখনত বেলেগ বেলেগ যুগ আৰু গ্ৰন্থকাৰৰ চিন থাকিলেও ন-কৈ নকল কৰা বুৰঞ্জীত ভিন ভিন লোকৰ হাতৰ আখৰৰ চিন পোৱা নাযায়।

আমি যিমানদূৰ বুজিব পাৰিছো, এইবোৰ বুৰঞ্জী সচৰাচৰ ৰজা বা ওখশ্ৰেণীৰ ৰাজ-বিষয়াই যাইকৈ বৰ-গোঁহাই ডাঙৰীয়াসকলে লিখাইছিল; কাৰণ তেওঁলোকৰ বাহিৰে ৰজাৰ দপ্তৰৰ কাগজ-পত্ৰ কোনে আনি বুৰঞ্জী-লিখকক চপাই দিব পাৰিব? আমি সন্দেহ পোৱাত শিৱসিংহ ৰজাৰ দিনত মনোহৰ নামক এজন লিখকে স্বৰ্গ-দেৱৰ আজ্ঞাৰে 'কপুত' নামে এখন বুৰঞ্জী লিখিছিল। কমলেশ্বৰ সিংহৰ দিনত দুৱৰাৰ শ্ৰীনাথ বৰবৰুৱাই তুংখুঙীয়া ফৈদৰ ৰজাসকলৰ এখন বুৰঞ্জী লিখাইছিল; পুৰন্দৰসিংহ ৰজাৰদিনত ৰজাৰ আজ্ঞাৰে ৰাধানাথ বৰবৰুৱাৰ জৰীয়তে কাশীনাথ তামুলীফুকনে এখন বুৰঞ্জী সঙ্কলন কৰে; আৰু ৰাজেশ্বৰসিংহ ৰজাৰ দিনত দুমলী বৰগোঁহাই ৰাজমন্ত্ৰীয়ে নিজে লিখি বা আনৰ হতুৱাই "চকৰিফেঁটী" নামে এখন বুৰঞ্জী উলিয়ায়।

এই চকৰিফেঁটী বুৰঞ্জীখন বাস্তৱিকে চকৰিফেঁটীৰ দৰেই শত্ৰু পালেই খোঁটমৰা বিধৰ সাংঘাতিক আছিল। ইয়াত লিখা হৈছিল যে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা জলমবটা দৰ্জ্জি বা গৰীয়াৰ ঘৰৰ,— এনেকি, তেওঁ যে প্ৰকৃত আহোম নহয়, তাকো এই বুৰঞ্জীত আকাৰে-ইঙ্গিতে বুজোৱা হৈছিল। প্ৰতাপী বৰবৰুৱাৰ এই কথাত বিষম ক্ৰোধ হল, আৰু বিশেষকৈ বুৰঞ্জীত লিখাৰ মতে তেওঁ যে প্ৰকৃত আহোম নহয় এই কথাটো মানুহৰ মাজত বু-বু-বা-বা কৰিবলৈ ধৰিলে। অৱশেষত এনে হল যে বৰবৰুৱাই নৰাদেশলৈ গৈ নিজৰ গোষ্ঠীৰ মানুহ আনি প্ৰমাণ কৰিলে যে তেওঁ বাস্তৱতে আহোমৰ ঘৰৰ লৰা— তেওঁৰ তেওঁত কোনো সানমিহলি নাই। বুৰঞ্জীলিখকক এইদৰে মিছা কথা ৰটোৱাৰ আঁস দিলে আগলৈ মহা অনিষ্টৰ সম্ভাৱনা আছে বুলি বৰবৰুৱাৰ শঙ্কা হল। তাৰ পৰা পাত্ৰ-মন্ত্ৰী স্বৰ্গদেৱৰো গুৰি গছৰ ওপৰত কেতিয়াবা সন্দেহৰ জালবিস্তাৰ কৰিব পাৰে। বৰবৰুৱাই এই কথা নিজে বৰকৈ বিশ্বাস কৰিলে, আৰু স্বৰ্গদেৱকো তাক ভালকৈ বুজাই দিলে। যাতে কোনো বুৰঞ্জীত এইদৰে মানুহৰ গুৰি-গোষ্ঠী লৈ মিছা কথা লিপিবদ্ধ নহয় তাৰ অৰ্থে স্বৰ্গদেৱৰ আজ্ঞামতে কাকতী, কটকী, ডাঙৰীয়া-বিষয়া আৰু সম্ভ্ৰান্ত প্ৰাচীন পৰিয়ালৰ পৰা সকলো বুৰঞ্জী পুথি পৰীক্ষাৰ কাৰণে গোটোৱা হল। এইদৰে বুৰঞ্জী সংগ্ৰহকৰাৰ প্ৰকাশ্য কাৰণ বৰবৰুৱাই প্ৰচাৰ কৰিলে যে সকলো বুৰঞ্জী চাই তাৰ পৰা এখন নতুন ডাঙৰ বুৰঞ্জী সঙ্কলন কৰা হব। এইদৰে কোৱাত বুৰঞ্জীৰ গৰাকীসকলে নিসঙ্কোচে ৰজাৰ ঘৰলৈ বুৰঞ্জীবোৰ পঠিয়াই দিলে।

কিন্তু বুৰঞ্জীৰ গৰাকীসকলৰ ভিতৰত কিছুমান চতুৰ মানুহ আছিল। বৰবৰুৱাৰ গুপ্ত অভিসন্ধি তেওঁলোকে বুজ পালে, সেইদেখি তেওঁলোকে বুৰঞ্জী কিছুমান ৰজাৰ ঘৰলৈ নপঠিয়াই সংগোপনে আঁতৰাই থলে।

ৰাজ্যৰ বুৰঞ্জীৰে ৰজাঘৰ ভৰি পৰিল। বৰবৰুৱাৰ টেকেলাই ৰাজ্যৰ নানা ঠাইত কুৰি কাৰ ঘৰত বুৰঞ্জী আছে আৰু সেই বুৰঞ্জী ৰজাৰ ঘৰলৈ পঠিওৱা হৈছে নে নাই তাক চাবলৈ ধৰিলে। বৰবৰুৱাই শিক্ষিত কাকতী আৰু বিষয়া লগাই আৰু নিজেও গোটোৱা বুৰঞ্জীবোৰ এখন এখনকৈ নুটিয়াই চাই পৰীক্ষা কৰিলে। যিবোৰত তেওঁক জলমবটা বা তেওঁৰ বংশক অনাহোম বোলা হৈছিল, বা যিবোৰত স্বৰ্গদেৱক বা স্বৰ্গদেৱৰ বংশক তাচ্ছিল্য কৰা হৈছিল সেইবোৰক সুকীয়াকৈ আঁতৰাই থোৱা হল, আৰু পাছলৈ সেইবোৰক পুৰি নষ্ট কৰা হল। যিবোৰ বুৰঞ্জীত কোনো খুঁতথকা কথা নাছিল সেইবোৰ গৰাকীসকললৈ ওভোটাই পঠিওৱা হল। এইদৰে বুৰঞ্জী সংগ্ৰহ কৰি এখন এখনকৈ পৰীক্ষা কৰি চাই, ৰজা আৰু বিষয়াসকলৰ গুৰিগছত দোষাৰোপকৰা বুৰঞ্জীবোৰ নষ্ট কৰি, বাকীবোৰ গৰাকীসকললৈ ওভোটাই পঠিয়াওঁতে দুবছৰ সময় [illegible] দেশৰ অতীত গৌৰৱত গৌৰৱান্বিত হোৱা বিদ্যানুৰাগী বুৰঞ্জীবিদ্ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে দোষথকা বুৰঞ্জীবোৰ নষ্ট কৰি ভালবোৰ তেওঁলোকে যে ৰক্ষা কৰিলে সেইনাৱে তেওঁলোক অসমীয়া জাতিৰ চিৰকৃতজ্ঞতাৰ পাত্ৰ হৈ থাকিব।

ৰাজেশ্বৰসিংহৰ পাছৰ ৰজাসকলৰ আমোলত মৰাণ আৰু মানৰ উৎপাতে দেশখন ছাৰখাৰ কৰি পেলালে। ক'ৰ মানুহ কলৈ গল, ক'ৰ পুথি ক'ত থাকিল, তাৰ একো ইয়ত্তাও নাইকিয়া হল। এইহেন দুটা জাতীয় বিপ্লৱৰ পাছতো অসমৰ নানান ঠাইত আজিলৈকে বহুত পুৰণি অসমবুৰঞ্জী যে পোৱা যায় সেয়ে আমাৰ পৰম সৌভাগ্যৰ কথা। <u>যিসকলে ভাবে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই অসম বুৰঞ্জীৰ মুদা মাৰিলে, সেইটো ইয়াৰপৰা মিছা বুলি ধৰিব পাৰি।</u>

এই বুৰঞ্জীদাহৰ কাৰণে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ গাত বহুতে কুকীৰ্ত্তিৰ চেকা পেলাব খোজে। আমি কওঁ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ বিশেষ প্ৰিয়পাত্ৰ সাতঘৰীয়া আহোমৰ ঘৰৰ ৰূপচন্দ্ৰ বৰবৰুৱাৰ পুতেক কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ নিচিনা প্ৰতাপৱন্ত ৰাজবিষয়াৰ সম্পৰ্কে ওপৰত কোৱাৰ দৰে তেওঁৰ বংশ-কুল লৈ সন্দেহযুক্ত কথা প্ৰচাৰকৰাত কীৰ্ত্তিচন্দ্ৰ যে বিশেষ কুপিত হব, তাত একো আশ্চৰ্য্য নাই। আমি আগেয়ে কৈছো, আমাৰ দেশত আগৰ দিনত আজিকালিৰ দৰে বাতৰিকাকত নাছিল, এই বুৰঞ্জীবোৰেই সাময়িক পত্ৰিকাৰ কাম কৰিছিল। আজিকালিও

কোনোবাই কোনো সম্ভ্ৰান্ত পুৰুষৰ বংশকুলত চেকা পেলালে তেওঁৰ ওপৰত মানহানিৰ গোচৰ ৰুজু নহব নে? আৰু সেই গোচৰৰ প্ৰতিকাৰ স্বৰূপে দোষীৰ শাস্তি আৰু প্ৰচাৰিত গ্ৰন্থ বা কাকত নষ্টকৰা বা তাৰ প্ৰচাৰ বন্ধ নহব নে? গতিকে কীৰ্ত্তিচন্দ্ৰই যি কৰিছিল নাভূতনাশ্ৰুত নহয়। তথাপি তেওঁ নিৰ্দ্দোষ বুৰঞ্জীবোৰৰ এখন এখনকৈ ওভোটাই দিছিল আৰু সকলো বুৰঞ্জী পৰীক্ষা কৰি দোষকৰ হয়নে নহয় এইটোৰ যে সন্তেদ লৈছিল ইয়াৰ পৰা তেওঁৰ বুৰঞ্জী ৰপ্ৰতি অনুৰাগ আৰু সত্যৰ প্ৰতি নিষ্ঠা এই দুয়োৰেছে পৰিচয় পোৱা যায়।

আৰু এটা কথাত কীৰ্ত্তিচন্দ্ৰৰ গাত চেকা পৰিছে— এয়ে হৈছে আহোম ৰাজসিংহাসনৰ ন্যায্য অধিকাৰী বাটঘৰীয়া ৰৰজনা গোঁহাইদেউ [illegible] কোঁৱৰক ৰাজ্য ভোগৰপৰা বঞ্চিত কৰি নামৰূপলৈ খেদিদিয়া কাৰ্য্যটো।

আমি কওঁ, মানৱচৰিত্ৰত সুপণ্ডিত সুনিপুণ ৰাজবিষয়া কীৰ্ত্তিচন্দ্ৰই মানুহ চিনিছিল। বৰবৰুৱাই হয়তো মোহনমালা কোঁৱৰৰ গাত এনে কিছুমান দোষৰ বীজৰ সঙ্কেত পাইছিল যে তেওঁক কোনো পধ্যেই ৰজাৰ সিংহপিৰাত বহুৱাব নোৱাৰি, আৰু বহুৱালেও তাৰপৰা ৰাজ্যৰ ঘোৰ অমঙ্গল হব, এইটো বৰবৰুৱাই ভালকৈ বুজিছিল। মোহনমালা গোঁহাইদেৱৰ গাত তেনে আশঙ্কা যে কিবা আছিল আৰু বৰবৰুৱাৰ আশঙ্কা যে সত্য আছিল এইটো কথাৰপৰা ভালকৈ বুজিব পাৰি যে মোহনমালা গোঁহাইদেৱেই ৰাজ্যৰ বৈৰী মৰাণেৰে সতে লগলাগি আহোম স্বৰ্গদেৱৰ বিৰুদ্ধে যুদ্ধলৈ আগ বাঢ়িছিল। কোঁৱৰৰ প্ৰতিহিংসা ন্যায্য কাৰণত প্ৰতিষ্ঠিত বুলি বহুতে কব, কিন্তু তত্ৰাচ মৰাণক ফেটাই দি দেশ ছাৰখাৰ কৰাৰ কাৰণে তেওঁ চিৰদিন অসমবুৰঞ্জীত অসমীয়া বিভীষণ বুলি কু-যশৰ পাত্ৰ হৈ থাকিব। ব্যক্তিগত প্ৰতিহিংসা এটা কথা, আৰু শত্ৰুক আঁস দি দেশত বিদ্ৰোহৰ দাবানল জলোৱা এটা কথা। মোহনমালা কোঁৱৰে এই দুয়োৰ পাৰ্থক্য বুজিব নোৱাৰিছিল। পাছলৈ বদনচন্দ্ৰ বৰফুকনেও সেই দুয়ো কথাৰ পাৰ্থক্য নুবুজি দেশলৈ অমঙ্গলৰ জুই নিজ মুৰেৰে কঢ়িয়াই আনিছিল। কিন্তু ধন্য হৰদত্ত চৌধুৰী! পাৰিষদসকলে তেওঁক উপদেশ দিছিল পাঞ্জাবৰ পৰা পালোৱান সৈন্য আনি আহোমক খেদাই কামৰূপৰাজ্য অধিকাৰ কৰিব লাগে। কিন্তু ইয়াৰ উত্তৰত দেশপ্ৰেমিক হৰদত্তই কৈছিল,— "আহোম নিজ দেশী ভাই; ভাল হওক বেয়া হওক আমাৰ নিজদেশী ৰজাই ৰাজত্ব কৰিছে; বিদেশীক আনি এইদেশ লণ্ড-ভণ্ড কৰিম কিয়?" ইয়াকে ভাবি হৰদত্তই যুদ্ধবিগ্ৰহৰ চিন্তা এৰিদি নিৰল ঠাইত জীৱন যাপন কৰিবলৈ ধৰিছিল। মোহনমালা গোঁহাইদেৱৰ চৰিত্ৰত এইদৰে ঘোৰ বিভীষিকাজনক কিবা এটা যে দোষ আছিল সেইটো পূৰ্ব্বেই ধৰিব পৰা কাৰণেই কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক আমি শলাগিবহে লাগে।

ৰাজেশ্বৰসিংহ ৰজাৰ দিনত সৰাতকৈ ক্ষমতাপন্ন বিষয়া আছিল কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা। [illegible] লক্ষ্মীসিংহ ৰজাৰ দিনত মোৱামৰীয়াৰ মুখিয়াল নাহৰখোৰাক লঘুদোষত চমতাৰে বৰবৰুৱাই কোব মাৰে। ইয়াৰ পৰিণামত গোটেই মোৱামৰীয়া সম্প্ৰদায় জঁকি উঠে, আৰু বিশেষভাৱে দলবদ্ধ হৈ সিহঁতে বিদ্ৰোহৰ নিচান তোলে। ৰাঘই কীৰ্ত্তিচন্দ্ৰক খেদাই নিজে বৰবৰুৱা হয়, আৰু পূৰ্ব্বে কীৰ্ত্তিচন্দ্ৰই নাহৰখোৰাক মৰা চমতাৰ কোব কেইটা লক্ষ্মীসিংহ স্বৰ্গদেৱৰ গাত সুদে-মূলে শোধাই দিয়ে। কীৰ্ত্তিচন্দ্ৰ আৰু তেওঁৰ পুতেক চন্দ্ৰহাসক নটচাশালত দি প্ৰাণ মৰা হয়। তেতিয়া কীৰ্ত্তিচন্দ্ৰৰ বয়স তিনিকুৰি ওঠৰ বছৰ।

কীৰ্ত্তিচন্দ্ৰৰ চৰিত্ৰ

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা এজন বৰ সুদক্ষ ৰাজকৰ্ম্মচাৰী আৰু মানৱচৰিত্ৰ বঢ়িয়াকৈ বুজপোৱা পণ্ডিত আছিল।

এদিন ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ ৰংঘৰত বহি হাঁতীৰ যুঁজ আদি ধেমালি চাই আছিল, তেওঁৰ ওচৰত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা বহিছিল। সেই দিনা ৰং চাবলৈ অহা প্ৰজাৰে ৰংঘৰৰ সমুখত থকা পথাৰখন তিল-দি-সন্ধি-নোপোৱা হৈছিল। স্বৰ্গদেৱে সেই অসংখ্য প্ৰজাৰ ফালে চাই এইদৰে ভাবিলে,—"এই আটাইবোৰ প্ৰজাই গোট খাই এটা এটাকৈ টোকৰ মাৰিলে আমি ৰজা, পাত্ৰ-মন্ত্ৰী, বিষয়া সকলোকে ফুতে উৰাব পাৰে।" সেই বুলি স্বৰ্গদেৱে

ৰবৰুৱালৈ চাই এটা আঙুলী দেখুৱাই টোকৰ এটা মাৰিলে। ইয়াৰ অৰ্থ এই- প্ৰজাবোৰ একেলগ হৈ গোট খালেই আমাৰ পিনে উদি। বৰবৰুৱাই পোনতে দুটা পাছে এটা আঙুলী দেখুৱাই মূৰ জোকাৰিলে। ইয়াৰ অৰ্থ এই,—"ইয়াত তেজাৰ বিজাৰ প্ৰজা আছে সঁচা, কিন্তু ধানটোৰে পতি কণটো, মানুহটোৰে পতি মনটো। দুটা মানুহ একেলগে গোট খাই এটা হব নোৱাৰে।" বৰবৰুৱাৰ এই সুন্দৰ উত্তৰত স্বৰ্গদেৱে বৰ সন্তোষ পায়।

দল্‌দোপ্‌ প্ৰজাৰ ফালে চাই, সিহঁত একেলগ হলে ৰজা আৰু বিষয়াৰ কিমান শঙ্কা, এই কথাটোৰপৰা স্বৰ্গদেৱে অন্তৰত কিবা অমঙ্গলৰ আগ জাননী পাইছিল নে? মোৱামৰীয়াইঁতে তলেতলে ৰাজ্য নাশ কৰাৰ অভিসন্ধিত ফুৰিছিল, আৰু পাছলৈ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ নিভৃত আত্মাত উদ্ভৱ হোৱা এই আশঙ্কাটো কাৰ্য্যত ফলিয়াই দেখুৱাইছিল। মোৱামৰীয়াইঁতে এইটো ভালকৈ প্ৰমাণ কৰিছিল যে সম্মিলিত প্ৰজাশক্তিয়ে ৰজাক ত্ৰিশূলৰ আগত নচুৱাব পাৰে।

মোমাই তামুলী বৰবৰুৱা আৰু কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ মাজত এটি বৰ ডাঙৰ প্ৰভেদ দেখা যায়, যদিচ দুয়োজনে নিচেই সামান্য বংশৰপৰা জীৱনত ইমান কৃতিত্ব লাভ কৰিব পাৰিছিল। মোমাই তামুলী শান্ত, সুধীৰ, ৰক্ষণশীল আৰু সংযতচিত্তৰ মানুহ আছিল; আবেগৰ প্ৰকোপত একো কাম নকৰিছিল, সকলো কথা ধীৰ গম্ভীৰভাৱে চাব পাৰিছিল। স্বদেশ আৰু ৰজাৰ কাৰণে তেওঁ নিজক বিলোপ কৰিছিল। প্ৰতাপসিংহ স্বৰ্গদেৱে মোমাই তামুলীক বৰবৰুৱাৰ বাব দিওঁ বোলাত মোমাই তামুলীয়ে স্বৰ্গদেৱক, পাত্ৰ-মন্ত্ৰীৰ সন্মতি লৈ এই কাম কৰিবলৈ মিনতি কৰিলে। স্বৰ্গদেৱে পাত্ৰ-মন্ত্ৰীৰ প্ৰকাশ্য সন্মতি লৈ বৰচ'ৰাত মোমাই তামুলীক বৰবৰুৱাৰ বাব অৰ্পণ কৰে। এইদৰে পাত্ৰ-মন্ত্ৰীৰ সন্মতি লবলৈ কৈ মোমাই তামুলীয়ে চিৰকাললৈকে তেওঁলোকৰপৰা মৰম-ৰেখাৰ বাট মোকোলাই ললে, নহলে সামান্য অৱস্থাৰপৰা বৰবৰুৱা হৈয়ো তেওঁ কাৰো অন্তৰত হিংসাভাৱ নজন্মাইছিল। কছাৰী ৰজাই মোমাই তামুলী বৰফুকনলৈ 'নামনীৰ ৰজা' বুলি চিঠি লিখিলে। বৰফুকন ৰজা হব নোৱাৰে, তেওঁ এজন দুৱাৰপৰীয়া নবাব হে। কছাৰী ৰজাৰ এই চিঠিত দাই ধৰি মোমায়ে স্বৰ্গদেৱক জনালে। প্ৰতাপসিংহ স্বৰ্গদেৱে ইয়াৰ উত্তৰত কলে, "বোপা তাত বেয়া নাপাবা; কছাৰী ৰজাই তোমাকে যদি ৰজা বুলি কৈছে, মোক বা কিমান ডাঙৰ বুলি ভাবিছে।" এই দুই ঘটনাৰপৰা মোমাই তামুলীৰ বিনয় আৰু ৰাজভক্তিৰ পৰিচয় পোৱা যায়। কীৰ্ত্তিচন্দ্ৰ আছিল মন চোকা আৰু উগ্ৰতেজা মানুহ; নিজক তেওঁ বিলোপ কৰিব নোৱাৰিছিল, তেওঁৰ নিজৰ মত মতে অনেক কাম কৰাব পাৰিছিল। স্বৰ্গদেৱে মোহনমালা কোঁৱৰক ৰাজ্যৰপৰা খেদিব নোখোজে, কীৰ্ত্তিচন্দ্ৰই বাধ্য কৰালে, স্বৰ্গদেৱে মোহনমালাক খেদি সিংহাসনত বহিবই লাগিব। ৰূপচন্দ্ৰই বৰবৰুৱাৰ বাব এৰি নিদিলে, কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা হোৱাত কেইবছৰমান পলম হল, সেইদেখি ৰূপচন্দ্ৰৰ মৃত্যুত পুতেক কীৰ্ত্তিচন্দ্ৰই বাপেকৰ শৱৰ লগত মৰিশালীলৈকে নগল। সামান্য অৱস্থাৰপৰা ডাঙৰ হোৱা ৰূপচন্দ্ৰৰ চৰিত্ৰৰ লগত মোমাই তামুলীৰ চৰিত্ৰৰ হে সামঞ্জস্য দেখা যায়।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

সমাজ

(এটি বিখ্যাত ইংৰাজী কবিতাৰ (া লৈ)

দেখোমানে বস্তুবোৰ আগত, সৱাৰ
মোৰ বিনে কাৰো-কতো নাই অধিকাৰ।
সসাগৰা ই ৰাজ্যৰ ময়ে অধীশ্বৰ,
পশু-পখী যত আছে ৰজা সিহঁতৰ।
ক'ত সি নন্দন-শোভা নিৰ্জ্জনা কুঁৱৰী—
কবিয়ে বুলিছে যাক অনিন্দ্য সুন্দৰী?
ভীষণ ৰাজ্যত মোৰ নাই হাবিয়াস,
শত গুণে ভাল কৰা বিপদত বাস!

মানৱ জাতিৰ মই বহু নি[illegible]
অকলশৰীয়া এই জীৱন-পথত;
সুশুনিম মানৱৰ সুৰ সুধাময়,
নিজৰ মাততে মোৰ জনমে বিস্ময়।
হাবিৰ মাজত চৰা বন্য পশুবোৰে
মই যে মানুহ তালে' কাণকে নকৰে
সিহঁতে যে মানুহক চিনিকে নেপায়,
আহিলে ওচৰ চাপি জীৱ উৰি যায়!

সমাজ বন্ধুতা আৰু প্ৰণয়-বান্ধোন
বিধাতাৰ কৰুণাৰ নিৰ্ম্মালি মাথোন;
পখীৰ ডেউকা মোৰো থকা হলে উৰি
থাকিলোহেঁতেন তাৰে মউ পান কৰি!
ধৰম-নীতিৰ বাণী শুনি অনুপম
কৰিলোহেঁতেন মোৰ শোক উপশম;
বুঢ়াৰ গম্ভীৰ চিন্তা, ডেকা ধেমালিৰে
থাকিলোহেঁতেন কেনে আনন্দ চিতেৰে!

আহা ধৰ্ম্ম! তুমিয়েই তোমাৰ বুকুত
কত যে স্বৰ্গীয় ৰত্ন ৰাখিছা গুপুত!
ধন-সোণ মণি-মুক্তা বস্তু মুলৱ্যান
নোৱাৰে একোৱে হব তোমাৰ সমান।

সকৰুণ সুৰ কিম্বা বিষাদৰ বীণ,
ই পৰ্ব্বত-প্ৰান্তৰত হোৱা নাই লীন;
টোকা নাই বেজাৰৰ চকুলো এধাৰি
হৃদয়তো ৰজ নাই মিলন-মাধুৰী।

হে বায়ু-দেৱতা! মোৰে খেলিছা ধেমালি,—
কোৱাঁচোন স্বদেশৰ বাতৰি এবেলি!
আনা এটি সম্ভাষণ প্ৰিয় সুজনৰ,
নেপাম কোলাত ঠাই আৰু যিদেশৰ।
পঠায় বাতৰি জানো সমনীয়াহঁতে
তোমাৰ আগত কিবা বৰ্ণাই গুপুতে?
কোৱাঁ, মোৰ এতিয়াও আছে বন্ধুজন!
যদিও নেদেখো আৰু সেই মুখখন!

আহা! কি প্ৰখৰ গতি মনৰ বেগৰ,
নেযায় ৰিজনি তাৰে একোৰে আনৰ।
নহয় পচোৱা বায়ু ইয়াৰ সমান,
নহয় ৰবিৰ আলো এনে বেগৱান।
জনমভূমিৰ কথা চিন্তিলে এবাৰ
ভাবো মই, তাতে যেন কৰিছো বিহাৰ!
কিন্তু হায়! সোঁৱৰণি আহি তেতিয়াই
নিৰাশাৰ সাগৰত সকলো বুৰায়।

বনৰ পখীটি উৰি গ'ল বাঁহলই,
বন্য পশু দিহা-দিহি গ'ল গাঁতলই;
সকলোৰে জিৰণিৰ একেটি সময়,
ময়ো তেনে যাব লাগে নিজ পজালই।
প্ৰকৃতিৰ স্নেহ-দয়া বিশ্ব-বৰ্ত্তমান,
তাৰে মায়া-তৰঙ্গত উতলা পৰাণ।
বিষাদতো আনন্দৰ চকুলো বোৱায়,
ভাগ্যবাদী হবলই লোকক শিকায়।

জীৱন-যাত্ৰী

"প্ৰথমে প্ৰণামো   জয় সৰস্বতী
দ্বিতীয়ে প্ৰণামো হৰি।
কোনজন ঈশ্বৰে   আমাক সৃজিলে
এখানি-এবানি কৰি।"

ঈশ্বৰৰ সৃষ্টি বিনন্দ-বিলাস, প্ৰকৃতিৰ শাসন সুকঠোৰ—চুলি এডালিমানবো হেৰ-ফেৰ নাই; মানুহৰ অৱস্থা দলাৰ বগৰিৰ দৰে থানথিত নোহোৱা। আগত অনন্ত, পাছত অনন্ত, মাজত তিনিহাত এবেগেত দীঘল জীৱনৰ ভেটি; আগলৈ চাবলৈ আহৰি নাই—চালেও পথালি চকুত একো দেখিবলৈ নাই, দৃষ্টিশক্তি চুটি, সেইদেখি দেখি কেৱল বিভিষীকা আৰু এন্ধাৰ [illegible] ধাতু উৰি যাব খোজে। কিন্তু কি হব পাছলৈ যাবৰ উপায় নাই, আগলৈ যাবলৈ সাহ নজন্মে! যি দুদিন থকা যায়, গাঁঠিত জীৱ বান্ধি থাকিব লাগে; যেতিয়াই সেই সময় এইদৰে থাকোতেই উকলি যায় তেতিয়াই ৰক্ষা, তেতিয়াই শান্তি, জীৱনৰ যবনিকা।

এয়ে মানুহৰ জীৱন-যাত্ৰা, আৰু এয়ে উচ্চ কাব্য আৰু উচ্চ সাহিত্যৰ যাই বিষয়। নিৰক্ষৰ চহা এটিয়ে এই অনন্ত বেদনা যেনেকৈ অনুভৱ কৰে, সংসাৰৰ মহা জ্ঞানীজনৰ হিয়াতো এই স্বৰ্গীয় নিৰাশাই জীৱনৰ জীয়া-মৰিশালিৰ জুই এইদৰে চিৰকাল জ্বলাই থয়। ইয়াৰ পৰা নিস্তাৰ পাবৰ উপায় নাই, আৰু উপায় বিচাৰিলেও সেয়ে ঘূৰি নিৰুপায়তহে পেলায়। সাগৰত নাওবুৰা মানুহে আগেদি উটি যোৱা ক্ষুদ্ৰ কুটা এডালি দেখিলেও সেয়ে তেওঁৰ তৰণৰ উপায় বুলি ভাবি সাৱটি ধৰিবলৈ যাওঁতে ঘূৰি সি তাৰ প্ৰাণবিনাশতহে সহায় কৰে; সংসাৰ-সাগৰত আজন্ম-নাওবুৰা জীৱন-যাত্ৰীৰো এই দশা।

জীৱনৰ এই 'এখানি-এবানি' অৱস্থাত মানুহৰ মনত সান্ত্বনা কি? ঈশ্বৰ যদি করুণাময় হয়, তেওঁ মানুহৰ করুণ আৰ্ত্তনাদৰ কাৰণে এই মায়াৰচনা সজাৰ অৰ্থ কি, আৰু প্ৰকৃতিকে বা তেওঁ সংসাৰৰ শাসন-ভাৰ দিয়ে কিয়? যি ৰাজদণ্ডৰ ওচৰত দয়া নাই, ক্ষমা নাই, তেনে কঠোৰতাৰ ৰাজদণ্ড তেওঁ প্ৰকৃতিৰ হাতৰপৰা কাঢ়ি লৈ যোৱা নাই কিয়? তেন্তে যি সৃষ্টিত আমি আছোঁহঁক, এই নিকটুৱীয়া সৃষ্টি যাই বিধতাৰ মঙ্গল সৃষ্টিৰ বাহিৰৰ কিবা অনুকৰণ মাথোন—এই সৃষ্টি তেওঁ নিজ হাতে সজা নাই, আৰু যিজনে সাজিছে তেওঁ ইয়াক ভালকৈ গঢ় দিব, আৰু গঢ় দি পালিব জনা নাই? সেই 'দ্বিতীয় বিধতা'ৰে মানুহৰ এই অনন্ত যাতনা আৰু অনন্ত নিৰাশাৰ ওপৰত খোলাত মানুহ প্ৰাণীক কেউৰুটিয়ে ভজাৰ বাবে জগৰীয়া!

অসমীয় [illegible] হা কৰিব মুখৰ এই গৰখীয়া বনৰীয়া নামবোৰো মানুহৰ হৃদয়-তলিৰ এই একে স্বৰ্গীয় নিৰাশাৰ পুং স্ফুটি ওলাইছে মাথোন। আঙুলিয়াই দেখুৱাব খুজিলে ইয়াৰ চাৰিভাগৰ তিনিভাগ নামে এই নিৰাশাৰ সুৰকে মাথোন প্ৰতিধ্বনিত কৰি শূইনত হেন্দোলনি তুলি মাৰ গৈছে; বাকী ভাগৰ সৰহখিনি নামে পচা শৰীৰৰ পচা বাসনাৰাশি প্ৰকাশ কৰিছে। সম্প্ৰতি অনীতিব্যঞ্জক বুলি এই পিছৰ নামবোৰ সাধাৰণতে এৰি গলেও, সমগ্ৰ কাব্য-সৌন্দৰ্য্য অনুভৱ কৰিবলৈ হলে তাৰ উল্লেখ বাদ পৰিব নোৱাৰে; সেইদেখি চেগ চাই তাৰ আছল মৰ্ম্মৰ বিষয়ে দুই এটি কথা উত্থাপন কৰা হব। এই অনীতিব্যঞ্জক বোলা নামবোৰৰ আকৌ দুটি ভাগ কৰিব পৰা যায়—কিছুমানত শৰীৰৰ কাৰণে শৰীৰৰ আকাঙ্ক্ষা-আকৰ্ষণৰ বিষয়ে হুবহু ভাঙি কোৱা হৈছে, আৰু এনেবোৰ নামত ঠায়ে ঠায়ে দুই এটা সামাজিক ভাবৰ ধৰ্ম্ম-কলঙ্কৰো ছাঁ পৰিছে; আন কিছুমান আছে, সেইবোৰ শৰীৰী বাসনা হলেও কবিৰ শিল্প-নিপুণতাৰে প্ৰকাশিত হৈছে, তাত ভাষাৰ একো অঘল্লতা নেথাকিলেও সমাজত সামান্য অপকাৰৰ ছাঁ পৰিব পাৰে বুলি শঙ্কা কৰি প্ৰকাশ কৰা নেযায়।

ৰূপ স্বৰ্গীয় বস্তু, আৰু অৰূপৰ পূৰ্ব্ব-আভাস। কিন্তু তিক্ততাৰ ৰূপৰ সীমাই স্বৰ্গ আৰু নৰকৰ দুই মূৰ ছোৱেগৈ,

—তাত যেনেকৈ স্বৰ্গৰ দিব্য জেউতি বিৰিঙি উঠে, তেনেকৈ নৰকৰ ঘোৰ কদৰ্য্যও দেখা যায়। তিক্ততাৰ ৰূপে কৰিব নোৱাৰে এনে কাম স্বৰ্গ আৰু পাতালৰ সীমাৰ ভিতৰত অতি বিৰল। এজনৰ গুটীয়া জীৱন কি কথা, তিক্ততাৰ ৰূপেই একোখন মহা নগৰীৰ ধ্বংসৰ পাতনি মেলিব পাৰে—ইয়াৰ উদাহৰণো জগতৰ বুৰঞ্জীত বিচাৰিলে পাবলৈ আছে। জগতৰ সাহিত্যৰ এটি ডাঙৰ অংশ যেনেকৈ তিক্ততাৰ ৰূপৰ অৰ্চ্চনাই ঢাকি পেলাইছে, তেনেকৈ তাৰ মূৰ্চ্ছনাই পুৰুষ জীৱনৰ ধ্বংসৰ একো একো অধ্যায় হেলাৰঙে সামৰি পেলাইছে। মুঠতে কবিৰ ভাষাৰে কবলৈ গলে

Beauty and anguish walk' h[illegible] hand
The downward slope to [illegible].

তথাপি যি জুয়ে ঘৰবাৰী পৰি মানুহক সৰ্ব্বস্বান্ত কৰে সেই জুই নহলে মানুহৰ জীৱন-ধাৰণৰ অনেক সুচল হেৰায়, সেই জুইকে সাৱটি ধৰি পুহমহীয়া জাৰৰ ঠেটুৱাই একৰা হয়; সেইদৰে ৰূপৰ আদৰ আৰু মোল মানুহৰ জীৱনত দুই কৰিবৰ উপায় নাই। উষাৰ কোমল প্ৰতিভাৰ লগত সূৰ্য্যৰ উমলগা তপ্ত কিৰণৰ দৰে, আৰু মদনৰ লগত ৰাতিৰ মধুৰ সমাগমৰ দৰে, জীৱনৰ লগত যৌৱনৰ, আৰু যৌৱনৰ লগত তিক্ততাৰ ৰূপৰ তীব্ৰ তৃষ্ণা, ভাবৰ লগত ভাবাৰ্থৰ দৰে স্বভাৱতে জাগি উঠে; আকৌ, বসন্ত কালত সদৌ প্ৰকৃতিয়ে পুৰণি এৰি নতুন সাজ সলোৱাৰ দৰে, মানৱ-প্ৰকৃতিয়েও স্বভাৱৰ জড় ভাগ এৰি থৈ সকলোৰে প্ৰাণ মাথোন গ্ৰহণ কৰে। জগত কল্পনাময়, চিত্ত উৰণীয়া; তেতিয়া শত দিশত শত গীত উচ্ছ্বসিত হৈ উঠে, জগতৰ শব্দ ৰূপ ৰস [illegible]প সকলোৰে এটি এটিকৈ কিবা মহা উৎসৱলৈ যাবলৈ মাত লগাই যায়:—

ৰতাহৰ ঢালতে   গোন্ধায় মলেমলি
কাৰ বাৰীৰ জনীয়া আম—

এয়েই প্ৰণয়ৰ প্ৰথম উচ্ছ্বাস। এই উচ্ছ্বাস, এই অনিবাৰ অনুসন্ধান 'কমোৱা তুলা'ৰ দৰেই পাতল,—কিয়নো, ই অশৰীৰী; কাক বিচাৰিছে, বা কি বিচাৰি প্ৰাণ বৰাগী হল তাৰ বাতৰি পাবলৈ নাই—যেন 'দূৰ সুদূৰৰ পিয়াসী'ৰ দৰেই এই নৱ-যৌৱন অভিষিক্তজনো কেৱল "চঞ্চল" আৰু "পিয়াসী," আৰু কোনোবা অচিনাকী জনম-চিনাকী এজনক চিৰকাল অন্বেষণ কৰি ফুৰিছে!

ইয়াৰ পিছতেই ক্ৰমে পূৰ্ব্বৰাগৰ পাতনি। জীৱনৰ এই জোৰাত সেই কল্পনাৰ ধনে মূৰ্ত্তি ধৰি দেখা দিয়ে আৰু প্ৰেম-পূজাৰিক হৃদয়ৰ প্ৰথম পূজা-ভাগ লৈ মন্দিৰৰ দুৱাৰ মুখত ঠিয় দিয়া দেখা যায়। এইখিনিতে পোনৰ দেখা দেখিত ওপজা প্ৰেম—love at the first sight. মানুহৰ অন্তৰৰ সপোন-কোঁৱৰৰ আতিথ্য অস্বীকাৰ কৰা লোকে এনে অনুৰাগত মানুহৰ বিবেচনাহীনতা দেখিব পাৰে সঁচা, কিন্তু আনফালৰপৰা চালে তাতেই প্ৰণয়ৰ সৌন্দৰ্য্য-গৰিমা কেন্দ্ৰীভূত হৈ থকা বুলিব পাৰি। এক মুহূৰ্ত্ততে যেন ই যুগ-যুগান্তৰৰ কথা সকলো এটি এটিকৈ মনত পেলাই দিয়ে,—পূৰ্ব্বজন্মৰ আত্মাৰ ঘনিষ্ঠতা সুঁৱৰি দুয়ো হঠাত পৰস্পৰ আকৃষ্ট হৈ যায়; যেন কিবা বিজুলী শক্তিৰ মৃদু প্ৰভাৱ। এই প্ৰথম দেখা-দেখিত ওপজা প্ৰেমৰ মোহন মন্ত্ৰত দুয়ো মুগ্ধ হয়, আৰু তাত বিৰহ-মিলনৰ সুৰ একেলগে প্ৰতিধ্বনিত হৈ উঠে। মিলনৰ পৰা বিৰহ আঁতৰাই অনা এক প্ৰকাৰ অসম্ভৱ যেন দেখা যায়,—বোধকৰো, এইখিনিয়েই অনন্তৰ গুণ। চকুপানী বেজাৰৰ সমল, অথচ অতি আনন্দতো দুগালে চকুলো বাগৰি যায়; গতিকে আনন্দ আৰু বেজাৰ একেটি পুঙৰ পৰা ওলোৱা বুলি অনুমান হয়, আৰু দুয়ো একে 'মৰ্ম্ম'ত আঘাত কৰে। সেইদেখি প্ৰণয়িণীক প্ৰথমে 'তাঁতৰে শালতে দেখিবৰে পৰা পেটলৈ যোৱা নাই ভাত' এই অতি আনন্দ স্বৰ্গীয় নিৰাশাৰ পৰা সৰহ আঁতৰত থকা নাই।

এই উভয় অৱস্থা চিৰকলীয়া কেতিয়াও হব নোৱাৰে, আৰু নোহোৱাৰ কাৰণেহে ইয়াৰ প্ৰকৃত সৌন্দৰ্য্য দেখিবলৈ পোৱা যায়। সংসাৰত প্ৰেমৰ অস্তিত্ব আছে, ই সঁচা হব পাৰে, কিন্তু প্ৰেমৰ স্থিতি নাই— বিজুলীৰ ছঁয়ামৰাৰ দৰে ই এই আছে, এই নাই। গতিকে প্ৰেমৰ স্থিতি বিৰহত; বিৰহ প্ৰেমত চিৰকাল আছে, কিন্তু মিলন বিজুলীৰ ভিৰবিৰণিৰ দৰে ক্ষণস্থায়ী—অৰ্থাৎ, প্ৰেমত মিলন শেষত অৱশ্যম্ভাৱী হলেও, স্থায়ীৰূপে বিৰহেইহে

আছে। যি প্ৰণয়ৰ এই তত্ত্ব বুজিবলৈ সক্ষম নহয়, তেওঁ পদে পদে দেখে— প্ৰেমৰ পথ নিষ্কণ্টক নহয়। প্ৰণয়-নৈৰাশ্যৰ হা-হুমুনিয়াহত দুটি ভুলৰ ফুল ঘাইকৈ ফুলি উঠে— প্ৰথমতে এই নৈৰাশ্য অনন্ত ক্ষুধা-তৃষ্ণা-জনিত যেন লাগে, দুই বাহুৰ মেৰত প্ৰণয়িণীক সুমুৱাই থৈও প্ৰেমিকে নিৰাশাৰ চকুলো টুকিব পাৰে; দ্বিতীয়তে দিনটীয়া জীৱনৰ এশ এটা বাহিৰে স'চা যেন লগা (plausible) কাৰণত দুইৰো মাজত বিৰহৰ বিহ-ফুলৰ গজালি মেলিব পাৰে।

যৌৱন আৰু প্ৰণয়ৰ প্ৰাৰম্ভতে মানুহৰ মনত যেতিয়া হৃদয় ৰোগ বা heart-ache-এ বাঁহ লয়, তেতিয়া লোকে ভাবে যে কিবা ভেবেলি লতাৰ বন-দেৰায়েই সেই ৰোগ গুচাব পাৰিব; কিন্তু সেই চেষ্টা যে কেৱল বিৰম্বনা, তাক পোনতে বুজা টান।—

লাহিকৈ কেতেকীৰ   পাহি ঐ মইনা
লাহিকৈ কেতেকীৰ পাহি।
বুকুত দিয়ে গলি   জলাজুই একুৰা
মুখৰ লৈয়ে গলি হাঁহি॥

এটি ধুনীয়া চেনিচম্পা ফুল—তাক দেখিও হেঁপাহ নপলায়, হাতত লৈ সুঙিও তৃপ্তি নুগুচে। ফুলপাহে হৃদয়ৰ তৃষ্ণা জগাই তুলিলে স'চা, কিন্তু সেই তৃষ্ণা নিবাৰণ কৰিবৰ উপায় সি নিদিলে—হয়তো সেই উপায় তাত নায়েই।—

চাইনোকৈ থাকিলে   হাবিয়াহ নপলায়
নেখালে নুগুচে ভোক—

কিন্তু থাওঁ যে ভোক-হাবিয়াহ গুচাব-পৰাৰ নোৱাৰি, সেই ভোক যে মাৰ যোৱাতকৈ সেইদৰে চিৰকাল গুমৰি থাকিবলৈকে আহিছে, তাক আকৌ পিছত থুৰীয়া তামোলৰ উপমাৰ পৰা বুজিব পাৰি:—

নেখাই ঐ নোৱাৰি   খালেও নামুৱায়
বাটৰ থুৰী তামোল খনি।

এইদৰে এই অনন্ত যাতনাৰ অন্ত নাই, আৰু স্বৰ্গীয় কবি কুমাৰী তৰু দত্তৰ ভাষাৰে—হৃদয়-ফুল এবাৰ ফুলিলে সি দুনাই জাপ নেযায়—

When the heart-rose once blooms
It never shuts.

পতিকে প্ৰণয়ৰ সুমধুৰ যাতনাৰ ওৰ নাই; ওৰ আছে এইখিনিত যেতিয়া হনুমন্তই গোটেই সোণৰ লঙ্কা পুৰি ছাই কৰি আহি শেষত নিজৰ নেজৰ অগ্নি নিজৰ মুখত নুমায়হি। তেতিয়া লোকে প্ৰণয়ৰ আছল মৰ্ম্ম বুজি পায়—

পিৰিতি জুলা গুণ   মহুতৰ কেচা লোণ
লৰা যতনেৰে ৰাখি।
কিবা ময়া কৰি   হেৰাব লাগিলে
নেপাবা বিচাৰি কান্দি॥

তেতিয়া হয়তো বয়সৰ 'চটাই পৰ্ব্বত'ৰ টিঙত উঠি তাৰ পৰা অতীতৰ সমতলৰ ফালে চাই পঠিয়াই দেখিব—আকৌ সেই প্ৰশান্ত মনোহৰ দৃশ্য—

"Behold her there,
As I beheld her ere she knew my heart,
My first, last love; the idol of my youth,
The darling of my manhood, and, alas!
Now the most bless'd memory of mine age."
—The Gardener's Daughter

বাহিৰা যেনেবোৰ কাৰণত লোকে প্ৰেমিক-প্ৰেমিকাৰ স্থায়ী মিলনত বিঘিনি মিলিব পাৰে বুলি ভাবে সেইবোৰৰ লেখ অনেক। তাৰ ভিতৰত টুটকিয়াৰ লগনীয়া কথাত প্ৰেমিক-প্ৰেমিকাৰ মন-ভগা, নাইবা কোনোবাই আচদি কৰি তেওঁলোকক পৰস্পৰৰ পৰা আঁতৰাই নিয়া বুলি ভবা আদি বিশ্বাসো এক:—

শতুৰৰ কথাকে   নলওঁ নলওঁ বুলি
শতুৰৰ কথাকে ললি।
মোকে নো আগত থৈ   শতুৰক লগত লৈ
তামোল কাটি অকলৈ খালি।
আপুনি নেখায়ে   মোলৈ স'াচিছিলি
নলে-চুটি চাউলৰ ভাত।
এতিয়া মইনা   কোনে কি বুৰালে
কেঁকেৰা-জেঁকেৰা মাত॥

আন কাৰণ হৈছে অসমীয়া গাঁৱলীয়া ছোৱালী বিয়া দিওঁতে দৰাঘৰৰ পৰা ধনলোৱা সামাজিক প্ৰথা, একে কুল বা খেলৰ কন্যা-পাত্ৰ-বিচাৰ, আৰু বৰ্ত্তমানৰ ভাল অৱস্থাৰ খেতিয়কতকৈও সামান্য চাকৰিয়ালক বাচি ছোৱালী

দিয়া আদি সামাজিক ৰীতিবোৰ; য'ত পাৰিছে প্ৰেমিক-প্ৰেমিকাই বিদ্ৰোহীভাৱে এই প্ৰতিকূল অৱস্থাবোৰৰ লগত যুজ দিছে, জিকিছে, আৰু য'ত এনে অৱস্থাৰ আগত ঘাটিছে ত'ত ভাগ্যত শৰণাপন্ন হৈ নিৰাশাৰ গভীৰ যাতনা পাহৰিবলৈ চেষ্টা কৰিছে।

ঘৰে চালতে   উৰে জাকি মাৰি
কাৰে যোৱালগা পাৰ।
মোক নিব খোজ   তয়ে ঐ পিলিঙা,
কিমান ধনে দিব পাৰ॥
জাপি সৰুদৈয়া   টুপে ঐ লাহৰি
জাপি সৰুদৈয়া টুপ।
তোমাক সৰু দেখি   আনিব খুজিলো
বাপেৰে নললে ৰূপ॥
তোলৈ চাওঁতে   ...তে
বিজিলে অদৈয়া হুলে।
তোৰো মনে গলে   মোৰো মনে গলে
কি কৰিব কলিতা কুলে॥
আইৰে ঘৰতে   এজনী আছিলো
কুলক সুবুলিলো কুল।
থুৰীয়া তামোলে   কোচে নধৰিছিল
খোপাত নধৰিছিল ফুল॥
আয়ে তুলিলে   কটনা কাটিয়ে
কৰি খাব নেজানো কাম।
আমোলা নহলো   মহৰি নহলো
তোকে কেনে কৰি পাম॥
সৰুৰে-এপৰা   হেৰা প্ৰাণেশ্বৰি
আছিলো তোমালৈ চাই।
ভাবিলোএ বুলি   পামে কেনেকৈ
মোৰে যে কপালত নাই॥

এইখিনিত বাজেও বৰ্ত্তমান চাকৰিয়াল জীৱনৰ লগত ঘৰোৱা সুখ-শান্তিৰ কেনে অন্তৰায়, আৰু স্বাধীন-চেতা অসমীয়া তিকতাৰ এই চাকৰিয়াল জীৱনৰ কাৰণে কেনে বিদ্বেষ ভাব তাক এইখিনি গীতৰপৰা বুজা যায়—

শোৱাপাটী এৰি   দুটি চকু মোহাৰি
খালা কি নেখালা ভাত।
ছৰ্কাৰী কামলৈ   ঢাপলি মেলিলা
লগাই থৈ নগলা মাত॥
সজাত বন্দী হলে   সজাৰ ঐ মইনা
শালত বন্দী হলে হাতী।
ছৰ্কাৰী কামতে   মোৰ ধন বন্দী হলে
টোপনি নধৰে ৰাতি॥
সজা ভাঙি মোকলাওঁ   সজাৰ ঐ মইনা
শালে কাটি মোকলাওঁ হাতী।
তিভিৰ মণি বেচি   মোৰ ধনক মোকোলাওঁ
টোপনি অহাই যাওঁ ৰাতি॥

ইয়াৰ সমিধানত চাকৰিয়ালেও নকৈ পৰা নাই—

ছৰ্কাৰী চাকৰি   নেলাগে লাহৰি
নেলাগে তলপৰ ধন।—

ইয়াত বাজেও আটক-ধুনীয়া আলসুৱা ডেকাৰ কথা:—

নইকাষৰীয়া   মাটি তাকৰীয়া
বেঙেনা ঢপলা ...
ধুনীয়া ডেকালৈ   ছোৱালী নিদিবা
খাবলৈ নোজোৰে ভাত॥— ইত্যাদি

এই সকলোবোৰ অনুকূল প্ৰতিকূল ঘটনা লৈয়ে অতৰ্কিতভাৱে জীৱন-যাত্ৰাৰ কাল অতিবাহিত হৈ যায়—সংসাৰ খেমালি স'চা, কিন্তু এই খেমালিৰ কিলেই মানুহক গুকলা-গুকল কৰে, খেমালিৰ শৰেই বুকুয়ে পিঠিয়ে একেবাৰে শালি নিয়ে! সংসাৰ-খেলাৰ কপটতা বুজিও ইয়াৰ পৰা নিবৃত্ত হবৰ উপায় নাই— এয়ে তাৰ কাৰুণ্য আৰু গোটেই অৱস্থাটোৰ বাৰ্য্যৰসে এইখিনিতে ডোজা বাজিছে। কিবা নহয় কিবা প্ৰকাৰে এই বাস্তৱ ধূলি-খেমালিত সকলোৰে মন মজি যায়, অথচ পোনতে নিজেই তাৰ গম নেপায়। এইবোৰৰ প্ৰতি উদাসীন হবৰ অভিপ্ৰায় কৰিয়ে হয়তো কামক বুকুৰ বান্ধ বুলি সাৰটি লোৱা যায়, কিন্তু বিঘিনিয়ে তাতো এৰা নিদিয়ে—

তাঁতে বাটি কাৰোতে   নাহিবি বুলিয়ে
বহি বৈ আছিলো তাঁত।
মোৰ মুৰেখোৰা   তই যে সোণামুৰা
পাছৰ পৰা লগালি মাত॥
বাৰীৰে চুকতে   পাতো তাঁতশালে
ওভোটাই মাৰিলো মাকো।
ইফালে টকাৰ মাত   সিফালে টকাৰ মাত
মাজত কেনেকৰি থাকো॥

আচি কপুৰা　　　পণে ঐ লাহৰি
আচি কপুৰা পণ।
বাখিব পাৰো মই　　　হাতৰ পানীচলু
বাখিব নোৱাৰো মন॥

এইদৰেই বিপদে পুনৰ মৰজাহ দিবলৈ মাতি নিয়েহি। এই অৱস্থাটোক শুদা সংযমহীনতা বুলি কলে ভুল কৰা হয়; ই সংসাৰ-খেলাৰ ঢৌৰ এধাৰি মালা। সৃষ্টি পাতনিৰে পৰা মানুহৰ হিয়াত এনে শত শত ঢৌ চিৰকাল উঠিছে আৰু নাইকিয়া হৈ গৈছে; কিন্তু সেই সত্য চিৰন্তনৰূপে ৰৈ আছে। যৌৱনৰ এই খেলা খন্তেকীয়া মোহৰ সপোন নহয়, ই গোটেই জীৱন-সপোনৰ লগত জীৱন্ত—ইয়াকেহে কৈ অহা হৈছে।

প্ৰতীচ্য কবি টেনিচনৰ ভাষাৰে মানুহ এইদৰে —From the great deep to the great deep he goes. এক অনন্তৰ পৰা আন এক অনন্তলৈ মানুহ পাৰ হৈ যাব লাগিছে—মাজত জীৱনৰ এই খুৰৰ ধাৰ যেন সাঁকো। এই জোৰাতেই মানুহৰ ভু হেৰায়; কৰপৰা আহিছিল কলৈ যাব লাগিছিল তাৰ মোৰ নোপোৱা হয়। বেছেৰাইতক, পূৰ্ব্বজন্মৰ সকলো জ্ঞান কাঢ়ি লৈ কোনো-বাই যেন কিবা দোষৰ দণ্ড বিহিবৰ মনেৰে, চকুবান্ধি এই সংসাৰলৈ পঠিয়াই দিছে; ইয়াত আহি আকৌ কণাক কণায়েই বাট দেখুৱাইছেহি! সেইকাৰণেই হবলা—

"দুনিয়া খানা পাগল খানা।
এ বলে ওৰে পাগল, নিজেৰ বেলা সবাই কাণা॥"

এইদৰে মৰতত ভুলৰ ন ন ফুল নিতৌ ফুলিব লাগিছে। সঁচাকৈয়ে বাৰু মানুহৰ এনে আলাই-আথানি দেখি দেৱতাসকলৰ বেথা লাগি পুতৌ কৰিবৰ সত মনলৈ নাহে নে? সমুখত অনন্ত জ্ঞান-মন্দিৰৰ পবিত্ৰ মণিকুট, কিন্তু তাৰ দুৱাৰ জপোৱা: দুৱাৰ মোকোলাবলৈ মানুহৰ হাতত তাৰ কাঠি নাই। সেইদেখি এইটো মানুহৰ পক্ষে আৰু শোকলগা নহয় নে যে এই অনন্ত জ্ঞানৰ স্বত্বাধিকাৰী হৈয়ো মানুহ অতীত ভৱিষ্যৰ সম্বন্ধৰ পৰা এবা পৰি ঠাৰিছিগা বেঙেনাৰ দৰে নিঠকৰা হব!

সি যি হক, এনে নানা বৈষম্যৰ মাজতো অনন্তৰ প্ৰতিধ্বনিয়ে মানুহৰ অন্তৰ-আত্মা পৰশ নকৰাকৈ থকা নাই। ব্ৰহ্মাণ্ডৰ বিশাল সৌৰজগতৰপৰা ধৰি সূক্ষ্মাতি-সূক্ষ্ম বৈজ্ঞানিক অণুপৰমাণুলৈকে সকলো এক মহত্তোম হী-য়ান আকৰ্ষণত মুগ্ধ, এক বিৰাট প্ৰেম-স্পন্দনত অখিল বিশ্ব থৰহৰি কম্পমান! এই আকৰ্ষণী গুণ মানুহৰো অন্তৰত নিহিত আছে, আৰু চেলু পালেই ই আত্মপ্ৰকাশ কৰিবলৈ সুবিধা নেৰে। এই সুপ্ত আকৰ্ষণী বাটত সমদুৰ্ভগীয়াক লগ পাই ব্যক্ত হৈ উঠে; তাৰপৰা এই খন্তেকীয়া যাত্ৰাৰ ভিতৰতো যি বহুমূলীয়া সমল পায়, তাক চিৰকলীয়া কৰিবলৈকো বিচাৰে—

ই তিনিপৰীয়া　　　দলো কাণেমাৰি
[illegible] কৰি কুকুৰাৰ তাৰ।
জনমে জনমে　　　গুজিব নোৱাৰো
খুৰীয়া [illegible]লৰ দাৰ॥
পৰ্ব্বতে পৰ্ব্বতে　　　থালো বীবাজৰা
খোপাত গুজি গলো লোণ।
হাড়ৰ মাজে মাজে　　　সুমুৱাই আনিছো
সকটি চেনাইৰে গুণ॥

জীৱন-যাত্ৰীৰ এই এহেজাৰ এটা সমস্যা সমস্যা হৈয়ে আছে, জগতত কোনোকালে তাৰ সমাধান হোৱা নাই। পাৰস্য দেশৰ অতি জ্ঞানীলোক এজনৰ মনত উদয় হোৱা এনে সমস্যাবোৰ তেওঁ নিজৰ বুকুৰ তেজেৰেহে বাওলিকৈ যেন লিখি থৈ গৈছে!—সেই সমস্যাবোৰ "ৰুবায়াৎ ওমাৰ খায়াম" বুলি বৰ্ত্তমান জগতত প্ৰসিদ্ধ, আৰু এতিয়া প্ৰাচ্যতকৈ প্ৰতীচ্যসকলে সেইবোৰ বেছি আদৰ কৰিছে। বাস্তৱতে, দুখ-যাতনাৰ হেচা পাতলাবলৈ জীৱনত তিনটা বস্তু আছে বুলি লোকে কয়—সেয়ে হৈছে সংগীত, তিকতাৰ প্ৰেম, আৰু সুৰা। আছলতে এইবোৰে মানুহৰ মনৰ দুখ-যাতনা কিছু কালৰ কাৰণে পাহৰাই ৰাখিব পাৰে; আৰু সেইদেখি সংসাৰজ্ঞানী ওমাৰ খায়ামে ইয়াৰ শেষৰটি অৰ্থাৎ সুৰাৰে উপাসনা কৰা বুলি জনা যায়। তেওঁ সংসাৰ-মৰিশালিখনৰ এই জীয়া-জুই সুমুৱাৰ এই উপায় দি গৈছে—ধৰ্ম্মবিদ্ৰোহ, সুৰাপান। কিন্তু ধৰ্ম্মভীক অসমীয়াৰ মনৰ ঢাল কেতিয়াও তেনেকালে যোৱা নাই—জীৱনৰ অসহ্য যাতনাতো আন নেলাগে কানি ভাং আদি মাদক দ্ৰব্য ব্যৱহাৰ কৰি তাৰ শাম কটাবৰ উপায়ৰ কথাও কোৱা নাই। তাৰ পৰিবৰ্ত্তে এই নামবোৰত এই জীৱন্ত সমস্যাৰ হাত সাৰিবলৈ এটি উপায়ৰ আশ্ৰয় লোৱা ভালকৈ দেখা যায়—সেয়ে হৈছে ধৰ্ম্মত শৰণ, বা fatalism.

এইটো বিশেষকৈ মন কৰিবলগীয়া কথা; কিয়নো, ই অসমীয়াৰ হাড়ে হাড়ে সোমাইপকা বা মজ্জাগত ভাব। সংগীত, স্ত্ৰী-প্ৰণয়, সুৰা আদিয়ে খন্তেকীয়াভাৱে মানুহৰ এই অনন্ত যাতনা পাহৰাই ৰাখিব পাৰে, কিন্তু তাৰ একেবাৰে শাম কাটিব বা স্থায়ীভাৱে তাক পাতলাব নোৱাৰে। সংসাৰৰ যাতনা যে অসহ্য [illegible] তেওঁলোকে নহয় বোলা নাই, কিন্তু তাৰপৰা নিস্কৃতি পাবৰ কাৰণে পাপত মতি যোৱাটোৱে পৰজন্মত বিশ্বাস-স্থাপনকাৰী হিন্দুৰ মন আকৰ্ষণ কৰিব নোৱাৰে; কিয়নো, সেইদৰে মাথোন নিজৰ 'ঋষিৰ শাপত' দগ্ধ আত্মাটোক 'ধানৰ ভাপ'ত ন-কৈ সিজোৱা হব বুলি তেওঁলোকৰ সবল বিশ্বাস। ধৰ্ম্মৰ শৰণাপন্ন হোৱাটোৱেই সেইদেখি ইয়াৰ অদ্বিতীয় উৎকৃষ্ট উপায় বুলি মনে ধৰে; অসমীয়া সমাজত ইয়াৰে উদাহৰণ বেছি, আৰু এই ধৰ্ম্মবিশ্বাসেই এই ধৰ্ম্মভীৰু জাতিক নানা সহজ পাপ-প্ৰলোভাৰ পৰা সদায় বহুত ৰক্ষা কৰি আহিছে।

বৰ্ত্তমান আমাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ নানা বিপ্লৱ-বেমেজালিৰ সময়ত এই বাই আদৰ্শবোৰৰ লগত পুনৰ সহানুভূতি ৰাখি চলাৰ আৱশ্যক পৰিছেহি যেন বোধ হয়। এই বনবীয়া গৰখীয়া নামবোৰৰ বাহিৰে মুকলিমূৰীয়াকৈ এনে আলোচনা কৰিবৰ বিষয় আমাৰ সাহিত্যত বিৰল; কিয়নো, আন সাহিত্যত এই ভাববোৰ প্ৰায়ে অতি সংযত-ভাৱে আছে আৰু সেইদেখি তাত এই হৃদয়-কুৰুক্ষেত্ৰৰ মহাযুদ্ধৰ বিশ্বাসযোগ্য বিৱৰণ কম। বৈষ্ণৱ সাহিত্যত এই আদিৰসৰ অনেক ৰসনা আছে সঁচা, কিন্তু তাক মানুহে ধৰ্ম্মপুথি বুলিহে পঢ়ে আৰু সেইদেখি তাত এনেবোৰ বিষয়ৰ বিচাৰকৰা অনধিকাৰ চৰ্চ্চা বুলি ধৰা হয়। ইয়াত বাজে আমাৰ সাহিত্যত এনে মুকলিকৈ আদিৰসৰ কথাৰ অৱতাৰণা নাই। সেইদেখি এনেবোৰ কথাৰ গোন্ধ পালেই স্বভাৱতে আমি নাক কোচাইছিলো, আৰু তেনে হোৱাৰ যথেষ্ট কাৰণো আছিল। কিন্তু বৰ্ত্তমান সেই সময় উকলি গৈছে—এতিয়া এই বিষয়বোৰ ফঁহিয়াই-মেলি তাৰ ভালখিনি লৈ বেয়াখিনি দলিয়াই পেলাবৰ সময় হৈছে। গৰখীয়া নামত ভালেমান অশ্লীল আৰু পাপকথা আছে—কিন্তু তাৰ প্ৰভাৱত যে আমাৰ সমাজৰ এটি অঙ্গৰ বহুত ঠাই পচি আছে তালৈ আমি পাহৰিব নেলাগিব। এই পাপবোৰ অনেক সময়ত কেৱল কাল্পনিকেই নহয়, বাস্তৱ; সেইদেখি সোণকালে তাৰ সংস্কাৰ আৱশ্যক। এনেকুৱা আলোচনা আৰু আন্দোলনৰ ফলত সমাজৰ বহুত পাপ পাতলিব, সমাজলৈ উদাৰতাৰ বাণপানী সোমাই মানুহৰ কঠিন মন কোমল আৰু উৰ্ব্বৰা কৰিব বুলি আশা কৰিব পাৰি। তেতিয়া জীৱন-যাত্ৰীৰ যাত্ৰা অনেক পৰিমাণে ধন্য হব, আৰু অনন্তৰ পবিত্ৰ মন্দিৰৰ সান্ধ্য আৰতিয়ে সকলোকে মঙ্গল-আশীষ লবলৈ আমন্ত্ৰি নিবহি; স্বপ্ৰেম আৰু ক্ষুদ্ৰ আকুলতা প্ৰকৃত বিশ্ব-প্ৰেম আৰু মহা জীৱন-যজ্ঞৰ বিপুল: আকুলতাত লীন যাবৰ প্ৰয়াসী হৈ উঠিব। •

শ্ৰীডিম্বেশ্বৰ নেওগ

• দ্বিতীয় তাঙৰণৰ অপ্ৰকাশিত "আকুল পথিক" বন-গীত সংগ্ৰহৰ 'পৰিচয়' স্বৰূপে লিখা।—ডিঃ নেঃ



নাটঘৰ

ডেভিড্ গেৰিক

এওঁ এজন ইংলণ্ডৰ বিখ্যাত অভিনেতা। ১৭১৬ খৃষ্টাব্দত ডেভিড্ গেৰিকৰ জন্ম হয়। এওঁ সাধাৰণৰ ঘৰৰ লৰা।

সেই সময়ত বিলাতৰ অভিনেতাসকলৰ বৰ দুৰৱস্থা। পাৰ্লামেণ্টৰ আইন অনুসৰি ব্যৱসায়ী নট-নটীসকল "rogue and vagabond" বুলি গণ্য হৈছিল। কিন্তু এনে দিনতো গেৰিকৰ সকৰেপৰা অভিনেতা হবলৈ প্ৰবৃত্তি জন্মে। গেৰিকৰ বয়স যেতিয়া মাথোন এঘাৰ বছৰ তেতিয়াই তেওঁ এজন অভিনেতা হয়। সাধাৰণ নাটঘৰত তেওঁ পোনতে ছদ্ম নামেৰেহে আত্মপ্ৰকাশ কৰিছিল। তেতিয়া তেওঁৰ ছাব্বিশ বছৰ বয়স। লণ্ডনত পোনেই তেওঁ "তৃতীয় ৰিচাৰ্ড" নাটকৰ প্ৰধান ভাও লৈ ৰাইজৰ আগলৈ ওলায়।

বিলাতী নাটঘৰৰ সেই সময়ত তেনেই দুৰৱস্থা। দৰ্শকসকলে তেতিয়া অভিনয়ৰ সময়তো কাৰণে-অকাৰণে দল বান্ধি ৰঙ্গমঞ্চৰ ওপৰত উঠিছিলগৈ, আৰু অভিনয়-পদ্ধতিও আছিল তেনেই পুৰণি ধৰণৰ। কথা-বতৰাৰ সুৰ কৃত্ৰিম আছিল; ভাৱ-ভঙ্গী নুফুটা, আৰু চাৰি-পাঁচ জনৰ সৈতে কথা-বতৰাৰ সময়ত প্ৰত্যেক অভিনেতাই নিজৰ "পাৰ্ট" গোৱা শেষ হোৱাৰ লগে লগে অভিনয়ৰো শেষ হৈছিল বুলি ধৰি লৈছিল। লগৰীয়া অভিনেতাসকলে কি কৈছে কি নকৈছে তালৈ কাণ নাৰাখি একেবাৰে দৰ্শকৰ ফালে নিৰ্ব্বিকাৰ চিত্তে চাই থাকিছিল। বৰ্ত্তমান আমাৰ আসামৰ নাটঘৰৰ যি অৱস্থা তাতো তেনেকুৱাই আছিল;— ভাৱ নাথকাতো নিজৰ বচন গোৱা শেষ হলে দৰ্শকৰ সৈতে বহি থপাত চুৰট খোৱা কথা-বতৰা পতাৰ কথা নকৰেই।

অভিনয়ৰ এনে অধঃপতনৰ দিনতো গেৰিকে প্ৰথম দৰ্শনতেই সকলোকে চকখুৱাই দিলে। কাৰণ তেওঁৰ কথা-বতৰাৰ ধৰণ আছিল তেনেই স্বাভাৱিক, আৰু কৃত্ৰিম সুৰ বৰ্জ্জিত; ভাৱ-ভঙ্গী সহজ সৰল আৰু ৰঙ্গমঞ্চত তেওঁ যিমান পৰ থাকিছিল, তিমান পৰ তেওঁ অভিনয় কৰিছিল। গেৰিকৰ অভিনয় স্বভাৱসঙ্গত অভিনয়-পদ্ধতি দেখি বিলাতী দৰ্শকসকলৰ চমক্ ভাগিল, তেওঁলোকে প্ৰথমে বুজিব পাৰিলে অভিনয়ৰ প্ৰাণ কোনখিনিত।

১৭৪৭ খৃষ্টাব্দত গেৰিক ড্ৰুৰি লেনৰ বিখ্যাত নাটঘৰৰ অংশীদাৰ হয়। প্ৰধানতঃ তেওঁৰ প্ৰতিভাৰ বলতেই এই নাটঘৰ প্ৰসিদ্ধ হৈ পৰিছিল। আওহেলা কৰা আৰু ঘৃণিত নাট্যকলাক গেৰিকে এনে জীৱন্ত কৰি তুলিছিল যে তেওঁৰ মৃত্যুৰ (১৭৭৬ খৃঃ) তিনি বছৰৰ পাছতেই ইংলণ্ড-বাসীসকলে তেওঁৰ মৃত দেহাৱশেষ ৱেষ্ট মিনিষ্টাৰ এবিলৈ স্থানান্তৰিত কৰে আৰু তেওঁৰ আত্মাৰ প্ৰতি সৰ্ব্বজনীন সন্মান দেখুৱায়।

শেক্সপীয়াৰৰ নাটকৰ সকলো প্ৰধান ভাৱতেই তেওঁ নিৰ্দ্দোষৰূপে অভিনয় কৰিছিল, কেৱল এণ্টনি, ৰমিয়, অথেল, আৰু হটচ্পুৰ এই চাৰিটি ভাৱৰ মৰ্য্যাদা তেখেতে ৰাখিব পৰা নাছিল। গেৰিকৰ আগৰ অভিনেতাসকলৰ হাতত পৰি শেক্সপীয়াৰৰ দুৰৱস্থাৰ সীমা নাছিল। বহুতে শেক্সপীয়াৰৰ ভাষা শুধৰাবলৈ গৈ তেওঁৰ নাটকৰ বৰণকেই সলনি কৰিছিলগৈ। 'টেম্পেষ্ট' "মেকবেথৰ" নিচিনা বিয়োগান্ত নাটকো সংশোধনকাৰীৰ হাতত পৰি "মেলো ড্ৰামা"ত পৰিণত হৈছিলগৈ। গেৰিকে আকৌ শেক্স-পীয়াৰৰ ওপৰৰপৰা সকলো আৱৰ্জ্জনা গুচাই দি সকলোৰে ধন্যবাদৰ পাত্ৰ হয়, যদিও "হেমলেট" আৰু 'ৰমিয়-জুলিয়েট'ৰ ওপৰত গেৰিকে আৰু তেওঁৰ বন্ধুসকলে সেই অত্যাচাৰকে কৰিছিল, তথাপি তেওঁৰ পূৰ্ব্বৰ উপকাৰলৈ চাই শেক্সপীয়াৰৰ ভক্তসকলে তেওঁক ক্ষমা কৰিব। কাৰণ গেৰিকে আগেয়েই শেক্সপীয়াৰৰ [illegible] অংশ বাদ নিদিয়া হলে ইমান দিনে হয়তো তাৰ পাঠ উদ্ধাৰ কৰাই অসম্ভৱ হৈ পৰিলহেতেন।

আখৰাৰ সময়ত গেৰিকে প্ৰাণপণে পৰিশ্ৰম কৰি-ছিল। কেৱামাহো আখৰা নিদিয়াকৈ ততাতয়াকৈ তেওঁ কোনো নাটক নেমেলিছিল। কিন্তু আমাৰ অসমীয়া অভিনেতা সকলে সেইফাললৈ বৰকৈ কাণকে দিব নোখোজে। আখৰা নকৰাকৈ "হৈ যাব"ত হে থাকে। আৰু সেই কাৰণেই থিয়েটাৰৰ দিনা হাস্যাস্পদ হৈ, মুখ ইফাল সিফাল কৰি পুলুংপালাংকৈ প্ৰস্থান কৰে।

গেৰিকে কেতিয়াও বন্ধা গতত ভাও দিবলৈ নিশি-কাইছিল। তেওঁ নিজেও ন ভাও ললে বহুদিন ভাবি-চিন্তি চাইছিল আৰু আচল চৰিত্ৰ ধৰিব নোৱাৰা-লৈকে নেৰিছিল। সময়ে সময়ে বহুদিন ভবা-চিন্তাৰ পাছতো যদি তেওঁ সেই ভাৱত কৃতকাৰ্য্য হব নোৱৰা যেন দেখিছিল তেতিয়া তেওঁ সেই ভাও ত্যাগ কৰিছিল।

ইংলণ্ডৰ সৰ্ব্ব-প্ৰধান অভিনেতাৰূপে সন্মানিত হৈও, নিজৰ শক্তিৰ সম্বন্ধে গেৰিকে কেতিয়াও ভ্ৰান্ত ধাৰণা পোষণ নকৰিছিল। বহুদিন ভবা-চিন্তা কৰি তেওঁ যেতিয়া 'মেক্-বেথ'ৰ ভাৱত দেখা দিয়ে তেতিয়া এজনে বেনামী চিঠি দি তেওঁৰ অভিনয়ৰ কিছু দোষ উল্লেখ কৰে। গেৰিকে সেইখন পঢ়ি নিজৰ দোষবোৰ শুধৰাবলৈ অলপো লাজ পোৱা নাছিল। কেৱল ইয়াতেই নহয়, গেৰিকে কেতিয়াও বিশুদ্ধ সমালোচনাত অসহিষ্ণু হৈ দম্ভ নেদেখুৱাইছিল। নিজৰ মুখেৰেই তেওঁ স্পষ্টকৈ কৈছিল "I always flatter myself that I can attain the work which my friends may point to me, and I really think myself neither too old nor too wise to learn."

গেৰিকৰ অভিনয় শক্তিও যে কিমান আচৰিতৰূপে আছিল তাক এই গল্পটোৰ পৰা প্ৰমাণ পোৱা যাব।

"কিং লিয়াৰ"ৰ ভাৱত অভিনয় কৰোতে কৰোতে গেৰিকে এবাৰ ভ্ৰমক্ৰমে তেওঁৰ মূৰৰ "ৱিগ" টানি খুলি পেলালে। তাতে তেওঁৰ মূৰৰ কলাচুলি ওলাই পৰিল। আন অভিনেতাৰ পক্ষে এনে ভ্ৰম সাংঘাতিক হলহেতেন। কিন্তু গেৰিকৰ মুখ চকুৰ অদ্ভুত ভাৱত অভিভূত হৈ সকলো দৰ্শক নিৰ্ব্বাক হৈ বহি থাকিল।

গেৰিকৰ চৰিত্ৰৰ আৰু এটি উদাৰতাৰ পিঠি দেখুৱাই আমি প্ৰবন্ধ শেষ কৰিম। গেৰিক যেতিয়া পেৰি নগৰত, তেতিয়া ড্ৰুৰিলেন নাটঘৰত পাৱেল নামে এজন নবীন অভিনেতা বিখ্যাত হৈ পৰে। গেৰিকে যিবোৰ ভাৱত নাম কৰিছিল, তেওঁ সেইবোৰ ভাৱতে ওলায় আৰু প্ৰতি-দিনেই নাটঘৰ দৰ্শকৰে ভৰি পৰে। পাৱেলৰ সফলতাত আনন্দ প্ৰকাশ কৰিবলৈ তেওঁ কুণ্ঠিত নহল। প্ৰসঙ্গ-ক্ৰমে পাৱেলক তেওঁ যি উপদেশ দিছিল, প্ৰত্যেক অভি-নেতাই তাক মনত ৰখা উচিত। গেৰিকে লিখিছিল "তোমামুদিসকলৰ কোনো কথাত তুমি কাণ নিদিবা। অসময়ত নিশ্চয় তোমাক সিহঁতে এৰি যাব। নিজৰ পৰিশ্ৰমত যেতিয়া তুমি জনসাধাৰণৰ প্ৰিয়-পাত্ৰ হৈছা তেতিয়া তুমি স্বেচ্ছামতে বন্ধু নিৰ্ব্বাচন কৰিব পাৰা। কিন্তু সৎ বন্ধুৰ বাহিৰে আন কোনো বন্ধু তোমাৰ কামত নালাগিব। আৰু এটা কথা হাতচাপৰিৰ লোভত যেন তুমি তোমাৰ বুদ্ধি-বিবেচনাক বিসৰ্জ্জন নিদিয়া। প্ৰকৃত প্ৰতিভা কেতিয়াও দৰ্শকৰ দ্বাৰাই বিপথলৈ নাযায়, কিন্তু সিয়েই দৰ্শকক নিজৰ গন্তব্য পথলৈ আকৰ্ষণ কৰি লৈ আহে।"

টোকা

ইংলণ্ডৰ প্ৰসিদ্ধ, অভিনেতা হেৰি নেলছনৰ জীৱনৰ আগভাগৰ এটি সুন্দৰ গল্প আছে। তেওঁ এতিয়াও ৮৩ বছৰ বয়সতো ছেণ্টজেমছ নাটশালত অভিনয় কৰি আছে। সেই সময়ত মানুহে ৰৰকৈ অভিনয় নাচাইছিল। এদিন এটা লৰাই তেওঁক এটা ডাঙৰ তৰমুজ দেখুৱাই কলে “মই ইয়াৰ সলনি গেলাৰিত এটা ‘ছিট’ পাব পাৰোনে ?” তেওঁ তাত সন্মত হৈ লৰাটিক এডোখৰ ঠাই দিলে।

অভিনয়ৰ শেষত তেওঁ আহি লৰাটোক কলে “তোমাৰ তৰমুজটো ফোপোলা, তুমি মোক ঠগিছা।” “তোমাৰ অভিনয়ো সেয়ে” বুলি লৰাটো গম্ভীৰভাৱে তাৰপৰা আঁতৰি গল।

* * * *

প্ৰখ্যাত “ফিলম্” অভিনেত্ৰী মাৰি প্ৰেভষ্টে কয় বোলে সাজ-পোছাকৰ ৰঙৰ ওপৰত অভিনেত্ৰীৰ মনোভাৱ নিৰ্ভৰ কৰে। তেওঁৰ মনেৰে নীলা ৰঙে মনক শান্ত কৰে, কলপতীয়া ৰৰণে মন উথৰা কৰে আৰু ক’লাই মনক দমাই ক্ষুন্ন কৰে।

• • • •

আমেৰিকাৰ চিকাগো নগৰত এজন ফৰাছী নৃত্য শিক্ষক আছে। তেওঁৰ বয়স এতিয়া ৮২ বছৰ। এতিয়াও তেওঁ বহু ছাত্ৰ-ছাত্ৰীক নাচ শিকাব লাগিছে। তেওঁ কয় “ডেকা হৈ থাকিব খুজিছা যদি নাচা।”

* • * •

বায়স্কোপৰ অভিনেত্ৰীসকলে যিবোৰ সাজ-পোছাক পিন্ধে তাৰ দামৰ কথা শুনিলে আচৰিত হব লাগে। পোলানেগ্ৰীয়ে “বেলাডয়া,” “দি চিট,” পেৰিছ ডাক্তাৰ” নামৰ ফিল্ম তিনিখনিত যিবোৰ পোছাক ব্যৱহাৰ কৰিছে তাৰ দাম যথাক্ৰমে ৩৭৫০০৲, ৩৩৭৫০৲, আৰু ৪৫০০০৲ টকা।

• • * •

নতুন ধৰণৰ বায়স্কোপ

জাৰ্ম্মানসকলে এবিধ নতুন ৰকমৰ ফিল্ম তৈয়াৰ কৰিছে। এনেয়ে চকুৰে চালে এনেহে লাগিব যে কেৱল যেন ফিল্মত কিছুমান লাংপাংকৈ ৰঙ সানি হে থৈছে। এই ফিল্ম চাবৰ কাৰণে এবিধ চছমা ব্যৱহাৰ কৰিব লাগে। এই চছমাৰ এচকুত ৰঙা আৰু এচকুত কলপতীয়া কাচ থাকিব লাগিব। কলিকতাৰ মদন কোম্পানীয়ে এই ফিল্ম ভাৰতত দেখুৱাবলৈ আনিছে।

• • * •

জাৰ্ম্মেন ফিল্মত বুদ্ধ-লীলা

জাৰ্ম্মানীত বুদ্ধদেৱৰ জীৱনী আৰু সেই সময়ৰ দেশৰ অৱস্থা লৈ এখন যুগান্তকাৰী বিচিত্ৰ ফিল্ম কৰিবৰ আয়োজন হৈছে। এই ভাৰ গ্ৰহণ কৰিছে ‘এমেলকা’ নামৰ প্ৰসিদ্ধ জাৰ্ম্মান ফিল্ম কোম্পানীয়ে।

দুজন ভাৰতীয়ই বুদ্ধযুগৰ এই কাহিনী লৈ Romance of Buddha (ৰমান্স অৱ বুদ্ধ) নামেৰে নাট্য লিখিছে। এই ফিল্ম তৈয়াৰ কৰাৰ ভাৰ আৰু আন আন ‘টেকনিকেল’ ভাৰ [illegible] জাৰ্ম্মেন কোম্পানীয়ে। ‘অপাৰেটৰ’ ‘ফটোগ্ৰাফাৰ’ এই সকলো জাৰ্ম্মেন। পাশ্চাত্য ছিনেমটোগ্ৰাফ সম্পৰ্কীয় নানা কাকতে-পত্ৰই এই সংবাদ ওলাইছে। এই সংবাদৰপৰা জনা গৈছে যে কোনো এক ভাৰতীয় বেঙ্কে এই ফিল্ম প্ৰতিষ্ঠানৰ মূলধন যোগাবলৈ ভাৰ লৈছে। কিন্তু ফিল্মৰ স্বত্ব চিৰকাল গোটেই পৃথিবীতে এই জাৰ্ম্মেন কোম্পানীৰ হে। ভাৰতীয় ৰজা মহাৰজাসকলেও তেওঁলোকৰ মণিমুক্তা, হাতী-ঘোৰা আৰু সকলো বিধৰে ঐশ্বৰ্য্য-সম্ভাৰৰ যোগান ধৰি এই ফিল্ম প্ৰস্তুত কৰোতে সহায় কৰিব বুলি জনা গৈছে।

তেজপুৰ বাণ ষ্টেজত জয়মতীৰ অভিনয়

তেজপুৰত জয়মতী কুঁৱৰীৰ অভিনয় বিহুত হৈ গৈছে। অসমীয়া নাটক তাতত লৈ বাণ ষ্টেজে অসমীয়া নাট্য জগতক বাট দেখুৱাই দি বৰ গৌৰৱৰ কাম কৰিছে। নাটকো কৃতকাৰ্য্য হৈছে। তাৰ ভিতৰত, লাঙ্গি গদাপাণি, জয়মতী, ডালিমী, লিটিক চিপাদাৰ, লৰাৰজাৰ ভাও উল্লেখযোগ্য। দৃশ্যপটবহে বৰ বেমেজালি। সেইবোৰ আমাৰ নাটকত খাপ নাখায়। আগলৈ জাতীয় নাটকৰ কাৰণে উপযুক্ত দৃশ্যপটৰ কাৰণে যেন চকু দিয়ে। জয়মতীৰ অভিনয় দেখি আমি জাতীয় নাটকৰ আৰু নাট্য কলাৰ ভবিষ্যত সৰকাল দেখিছো।

নাটঘৰৰ ব্যঙ্গ-চিত্ৰ

নতুন অভিব্যক্তি

ঠাৰে-ঠিঁয়াৰে কূটবুদ্ধি প্ৰকাশ হব লাগিছে।

ডাঙৰ থিয়েটাৰত ভাষাৰ ডাঙৰ বিভ্ৰাট



অভিনেতা—বৃদ্ধ, তুমি “বাচিব”ই লাগিব।
অসমীয়া দৰ্শক—(মাছ নে কাছ ?)

মঙ্গল গ্ৰহৰ ‘ফটো’ লবলৈ উলিৱা বৃহৎ ‘টেলিস্কোপৰ’ দুই টন গধুৰ আলো কেন্দ্ৰীভূত কৰা কাচ

যোৱা আগষ্ট মাহত মঙ্গলগ্ৰহ আৰু পৃথিৱী যোৱা কেইবছৰ মানতকৈ বেছিকৈ ওচৰা-ওচৰি হোৱাত বিশ্ববিদ্যালয় আৰু জ্যোতিৰ্ব্বিদ্যাবিষয়ক পৰীক্ষাগাৰবিলাকত উক্ত গ্ৰহৰ তথ্য জানিবলৈ বিশেষৰকমে বন্দবস্ত কৰা হৈছিল। তাত কোনো প্ৰাণী থাকিলে সিহঁতৰে সৈতে কথা-বতৰা পাতিবলৈ চেষ্টা কৰাৰ উদ্দেশ্যে ‘ৰেডিৱ

ষেভো' পঠিয়া হৈছিল। পঞ্চাশ বছৰৰ আগেয়েও এই গ্ৰহ দুটা ইমান ওচৰা-ওচৰি হৈছিল, কিন্তু তেতিয়াতকৈ এতিয়া গোটেই পৃথিৱীৰ পৰীক্ষাগাৰবিলাকতেই উন্নত ৰকমৰ 'টেলিস্কোপ' আৰু আন আন যন্ত্ৰ উলিয়া হৈছে।

ভিক্টোৰিয়া নগৰৰ 'পৰীক্ষাগাৰ'ত ৪০ টন গধুৰ এটা বৰ ডাঙৰ 'ফটোগ্ৰাফ' লোৱা 'টেলিস্কোপ' স্থাপিত কৰা হৈছিল যাতে তাৰ দ্বাৰাই মঙ্গল গ্ৰহৰ 'ফটো' লৈ তাত কোনোবা প্ৰাণী আছেনে নাই নিৰ্ণয় কৰিব পাৰে। তাৰ কাচখনৰ ব্যাস ৭২ ইঞ্চি আৰু সি ১২ ইঞ্চি ডাঠ আৰু ৪০০০ পাউণ্ড গধুৰ। যিডাল ধুৰাৰ ওপৰত তাক থোৱা হৈছে সি ন টন গধুৰ। [illegible]তত দিয়া ছবিটো সেই টেলিস্কোপৰে।——'ইলাষ্ট্ৰেটেড্ শিশিৰ



গছ বঢ়াৰ নিৰিখ নিৰ্ণায়ক যন্ত্ৰ

গছ বঢ়াৰ নিৰিখ নিৰ্ণয় কৰিবলৈ একৰকমৰ যন্ত্ৰ উলিয়া হৈছে। সেই যন্ত্ৰটো মাটিৰ পৰা অলপ ওপৰত কাঠৰে গছৰ গাত বান্ধি থলে তাৰ বিপৰীত ফালে চালত এটা চিন বহে আৰু গছ বাঢ়িলে সেই চিনৰ দ্বাৰাই গছ বঢ়াৰ নিৰিখ জানিব পাৰি।

বছৰি দহলাখ পাউণ্ড আয়

আমেৰিকাৰ ১৯২২ চনৰ চৰকাৰী ৰিপোৰ্টত প্ৰকাশ যে তাত চাৰিজন মানুহ আছে যাৰ আয় বছৰি দহলাখ পাউণ্ডৰো ওপৰ। কিন্তু আচৰিতৰ বিষয় যে তাত উক্ত মানুহ কেইজনৰ নাম নিদি কেৱল থকাঠাইৰ নামহে দিয়া হৈছে। থকাঠাইৰ নামৰ পৰা অনুমান কৰা যায় যে দুজন হৈছে বিখ্যাত মটৰ ব্যৱসায়ী মিঃ ফৰ্ড আৰু তেওঁৰ পুতেক। তৃতীয় জন মিঃ ৰকিফেলাৰ। কিন্তু চতুৰ্থ জনক অনুমানেৰেও জানিব পৰা হোৱা নাই, কাৰণ থকাঠাইৰ নাম দিয়া হৈছে নিউজাৰ্ছি; কিন্তু তাত থকা কোনো মানুহৰ সিমান আয় নাই। গতিকে এইটোকে ধৰা হৈছে যে তেওঁৰ নিউজাৰ্ছি কেৱল কৰ্মক্ষেত্ৰহে। তাৰ বাহিৰেও প্ৰকাশ যে আমেৰিকাত ৬৭ জন মানুহৰ বাৰ্ষিক আয় দুইলাখ পাউণ্ডৰো ওপৰ।

ইংলণ্ড আৰু স্কটলেণ্ডত ১৯২২-২৩ চনত ১৩৭ জন মানুহৰ বাৰ্ষিক আয় একলাখ পাউণ্ডৰ ওপৰ আছিল।

চুলিৰ নিমিত্তে কেশৰঞ্জন

কিয়নো — কেশৰঞ্জনে যেনেকৈ চুলি কোমল, কেকোৰা, নিমজ আৰু ঘোৰ কলা কৰিব পাৰে—এনেকৈ আন একোৱেই নোৱাৰে। কেশৰঞ্জন সদাই ঘঁহিলে চুলিসৰা গুচে, টপা গুচায়, চুলিৰ গুৰি শকত কৰে, বুঢ়া কালতো উঠি অহা ডেকাৰ নিচিনা শ্ৰী হয়।

গ্ৰহৰ বিপাকত কুবুদ্ধিৰ সঞ্চাৰ।

বৰ বুধিয়ক প্ৰাণীকো গ্ৰহৰ বিপাকত কু-বুদ্ধিয়ে ধৰে। কিন্তু তাৰ ফল তেঁৱেই ভোগ কৰিব লাগে। মিৰমিৰিয়া জ্বৰ উঠিছে, দিনে ৰাতিয়ে জ্বৰ আছেই, তাৰ উপৰিও খাপৰি আগ-মগজ বাঢি গৈছে, শৰীৰৰ দিনে দিনে জকা ওলাইছে, মুখৰ বৰণ ধেলা হৈছে, শৰীৰত তেজ নাই, মূৰ দাঙিলে মূৰ ঘূৰে, এনে মেলেৰিয়া জ্বৰে হাৰ মগজ ভেদিছে তথাপি বজাৰৰ সস্তা দামৰ পেটেণ্ট দৰব কিনি জ্বৰক হেচা দি থবলৈ চেষ্টা কৰা আৰু পৰামৰ্শ দিওতাৰ অভাৱ নাই। এজনে কব অমুকটো দৰব খোৱাঁ, আন জনে কব অমুক দৰবটো বৰ উপকাৰী। সৰল বিশ্বাসত আমাৰ "পঞ্চতিক্ত বটিকা" ব্যৱহাৰ কৰক—সাদিনৰ ভিতৰত স্থায়ী গুণ পোৱাৰ সম্ভৱ। দাম প্ৰতি টেমাত এটকা, ডাক মাচুল—তিনি অনা।

নিৰাশাত আশাৰ কথা—বিনামূল্যত ব্যৱস্থা।

মফঃস্বলৰ ৰোগীসকলে একঅনীয়া টিকট সহ অৱস্থা লিখি পঠালে মই নিজে ব্যৱস্থা পঠাও। আমাৰ ঔষধালয়ত তেল, ঘিঁউ, আসব, অৰিষ্ট, জাৰিত, শোধিত, ধাতু দ্ৰব্যাদি, স্বৰ্ণঘটিত মকৰধ্বজ আৰু গান্ধকলাই আদি সদায় সস্তা দামত পোৱা যায়।—

কবিৰাজ—নগেন্দ্ৰনাথ সেন
আয়ুৰ্ব্বেদিক ঔষধালয়
১৮।১ ও ১৯ নং লোৱাৰ চিৎপুৰ ৰোড
কলিকতা।

THE BANHI.
Regd. No. C. 845.

PLEASE TRY ONCE:—
KHOLILOOR ROHMAN & CO.
Fire Arms & Ammunition Seller
GAUHATI (Assam).

জে, এন, মুখাৰ্জ্জীৰ
ত্রিশ বছৰৰ পৰীক্ষিত আৰু বহুজন প্ৰশংসিত
চুমাৰ্কা ৰেজিষ্টাৰ্ড
"আই কিওৰ"
সকলোবিধ চকুৰ ৰোগৰ অব্যৰ্থ মহৌষধ।

ইয়াৰ দ্বাৰাই, চকু নমা, চকু ৰঙা হোৱা, খচ্‌খচোৱা, সদায় পানী ওলোৱা, পোহৰৰ কালে চালে কষ্ট বোধ কৰা, ক্লেদ ওলাই চকুৰ পতা জাপ খাই থকা, ধুৰ্বলীকুৰ্বলী দেখা, ছানি, মেত্ৰনালি ইত্যাদি যাবতীয় চকুৰ বেমাৰ অতি অলপ [illegible] হয়। ইয়াত কোনোৰকমৰ দোষিত পদাৰ্থ নাই আৰু ব্যৱহাৰ কৰোতে জ্বলাপোৰা নকৰে। ষেট দুই ড্ৰামৰ চিচাত।০, ৪ ড্ৰামৰ ।৶০ অনা, ১ আউন্স ॥৶০ আনা মাত্ৰ। এক আউন্সৰ কমে ভিঃ পিঃ কৰা নহয়। পেকিং ডাকমাচুল বেলেগ।

পোৱাঠাই—মাতৃ হোমিও ঔষধালয়,
কলেজ ৰোড, কুমিল্লা।

ইঙ্ক ট্যাবলেট—প্ৰতি গ্ৰোছ মুদ্ৰিত সুৰক্ষিত টেমাত ভৰোৱা থাকে। ব্লু-ব্লাক, ৰঙা, সবুজ, ভায়লেট প্ৰতিগ্ৰোছ ১৲ মাঃ।০ অনা। স্বৰ্ণময়ী ইষ্কষ্টোৰ, পোঃ ইটালী, কলিকতা।

বিনামূল্যত ক্ষুৰ—প্ৰতি ট্যাবলেটত এক দোৱাত খুব ভাল ব্লুব্লেক চিয়াঁহী হয়। এক গ্ৰোছ মুদ্ৰিত সুৰক্ষিত টিনৰ বাকছত প্যাক কৰা মূল্য ১৸০ মাচুল।৶০; ইয়াৰ লগত বহুদিনলৈ ভালে থকা আৰু খুব ধাৰাল 'হলো গ্ৰাউণ্ড' খুৰ এখন থাপে সৈতে বিনা মূল্যত দিয়া হব।
ষ্টুডেণ্ট কোং ৭৮৮৯ নং পোষ্ট বক্স—বৌবাজাৰ, কলিকাতা।

ৰবীন ওৱাচ—ই মুখখোলা, চাবিবিহীন, উৎকৃষ্ট জুয়েল থকা, মজবুত কল বিশিষ্ট ঠিক সময় ৰখা, বহুদিনলৈ ভালে থকা। মূল্য ১নং ১০৲; ২নং ৫৲; ৩নং ৪৲; মাচুলাদি ।৶০ অনা।
ৰবীনস্যান এণ্ড কোং ১৪নং ডিহি শ্ৰীৰামপুৰ ৰোড্ কলিকাতা।

কালি—প্ৰতি বড়ীৰে দুদোৱাত খুব ভাঠ চিয়াহী হয়। ব্লুব্লেক ৫০০ টা ॥৶০ মাঃ।৶০ বেগুনা ৫০০ টা ১।০ মাঃ।৶০ অনা ষ্টুডেন্টস্ কোং পোষ্ট বহুবাজাৰ
৭৮৮৯ নং বাক্স, কলিকাতা।

ও সচ্ছবি—ছবিলে মূল্য ফিৰত দিম। দেব-দেবী, গান্ধি, চিত্তৰঞ্জন, ফল-ফুল, জীৱ-জন্তু প্ৰভৃতিৰে ভৰা খুব ডাঙৰ ১২ ছিট ॥/০ মাঃ ।/০ ৩৬ ছিট ১।০ মাঃ ।৶০, ৭২ ছিট ২।০ মাঃ ॥৶০। ৰবীন এণ্ড কোং, পোঃ ইটালী, কলিকাতা।

Edited by Sj. Lakshminath Bezbaroa B. A.
Printed and Published by DUTIRAM MEDHI at THE NEW PRESS, GAUHATI.